www.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্ৰতীক

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

অসম বার্তা

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বার্তা' গোষ্ঠী -

নিজান মানুহে নিজকে নিজে একো শিকোৱা নাই তেওঁক আন কোনেও একো প্ৰয়োজনীয় কথা শিকাব নোৱাৰে। ছাৰ জুণ্ডৰা বেণ্ডলচ

□ প্ৰথম বছৰ □ সংখ্যা- ৩১৮ □ শনিবাৰ □ ২৬ ছেপ্টেম্বৰ, ২০২৬ চন □ Volume/Year- I □ Issue- 318 □ Saturday □ 26th September, 2026 □ Asom Barta, Majuli □ PRGI Reg. No.- ASASS/25/A2361 □ Price- Rs. 10 □ Total Page-8

সীমান্তত সশস্ত্ৰ আক্ৰমণত পিতৃ-পুত্ৰসহ চাৰি টাংখুল নগা নিহত

মণিপুৰক ছমাহৰ বাবে অশান্ত এলেকা ঘোষণা

কামজঙৰ পিলাং অঞ্চলত ৪০টাতকৈ অধিক ঘৰত অগ্নিসংযোগ



নিউজ ডেস্ক, অসম বার্তা, ২৫ ছেপ্টেম্বৰ ঃ কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে শুক্ৰবাৰে মণিপুৰক অশান্ত এলেকা হিচাপে ঘোষণা কৰি এক গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনা অনুসৰি ৰাজ্যখনৰ ১৩খন আৰক্ষী থানৰ অধীনৰ এলেকা বাদ দি সমগ্ৰ মণিপুৰকে আগন্তুক ছমাহৰ বাবে অশান্ত এলেকা হিচাপে ঘোষণা কৰা হৈছে। সশস্ত্ৰ বাহিনীৰ বিশেষ অধিকাৰ আইন (এএফএছপিএ)ৰ অধীনত গ্ৰহণ কৰা এই সিদ্ধান্ত অক্টোবৰ মাহৰ পৰা কাৰ্যকৰী হ'ব। এই ঘোষণাৰ পটভূমিত বৃহস্পতিবাৰে আবেলি মণিপুৰৰ কামজং জিলাৰ ভাৰত-ম্যানমাৰ সীমান্তবৰ্তী অঞ্চলত এক ভয়াবহ সশস্ত্ৰ আক্ৰমণ সংঘটিত হয়। 'পিলাং' নামৰ দুৰ্গম □ ৭ পৃষ্ঠাত

হোজাই জিলাৰ নেতা-কৰ্মীৰ অসম জাতীয় পৰিষদ ত্যাগ

টকা নহ'লে একো নকৰে, সাংগঠনিক দক্ষতাও নাই ঃ লুৰিণজ্যোতি গগৈ



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২৫ ছেপ্টেম্বৰ ঃ অসম জাতীয় পৰিষদৰ হোজাই জিলা শাখাত এক গুৰুত্বপূৰ্ণ ৰাজনৈতিক পৰিবৰ্তন সংঘটিত হৈছে। লুৰিণজ্যোতি গগৈৰ বিৰুদ্ধে কঠোৰ আৰু বিস্ফোৰক মন্তব্য প্ৰকাশ কৰি জিলাখনৰ সকলো নেতা-কৰ্মীয়ে দল ত্যাগ কৰিছে। এই ঘটনাই দলীয় মহলত তীব্ৰ চৰ্চাৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, দল ত্যাগ কৰা নেতা-কৰ্মীসকলে লুৰিণজ্যোতি গগৈৰ কাৰ্য-কলাপ আৰু নেতৃত্ব ওপৰত তীব্ৰ অসন্তোষ □ ৬ পৃষ্ঠাত

মেৰাপানীত আৰক্ষীৰ অতৰ্কিত অভিযান ঃ অভিযুক্ত পলাতক, দুখন বাহন জব্দ

পলাশ জ্যোতি বৰুৱাৰ ঘৰৰ পৰা পিস্তল, গুলী আৰু নথি-পত্ৰ উদ্ধাৰ

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২৫ ছেপ্টেম্বৰ ঃ শুক্ৰবাৰে গোলাঘাট জিলাৰ মেৰাপানী অঞ্চলত অসম আৰক্ষীয়ে এক অতৰ্কিত অভিযান চলায়। বিশেষ গোপন সূত্ৰৰ তথ্যৰ ভিত্তিত মেৰাপানী আৰু গোলাঘাট আৰক্ষীৰ এটা যৌথ দলে চনং চৰাইমাৰী গাঁৱৰ বাসিন্দা পলাশ জ্যোতি বৰুৱাৰ ঘৰত এই তালাচী চলাইছিল। এই □ ৬ পৃষ্ঠাত

'সেৱা তীৰ্থ' শিবিৰৰ সামৰণিত মন্ত্ৰীসকলক ফাইলৰ সীমাত আবদ্ধ নাথাকি মাটিত নামি কাম কৰাৰ আহ্বান

১২ বছৰত চহৰ-গাঁৱৰ ব্যৱধান যথেষ্ট হ্ৰাস ঃ প্ৰধানমন্ত্ৰী মোদী



নেশ্যনেল ডেস্ক, অসম বার্তা, ২৫ ছেপ্টেম্বৰ ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত বুধবাৰৰ পৰা আৰম্ভ হোৱা কেন্দ্ৰীয় মন্ত্ৰীসকলৰ দুদিনীয়া চিন্তন শিবিৰ 'সেৱা তীৰ্থ' বৃহস্পতিবাৰে সামৰণি পৰে। বিকশিত ভাৰত @2047-ৰ লক্ষ্য, শাসন সংস্কাৰ, কল্যাণমূলক যোজনাসমূহৰ সঠিক ৰূপায়ণ আৰু মন্ত্ৰণালয়সমূহৰ মাজত সমন্বয় বৃদ্ধি কৰাটো এই শিবিৰৰ মূল বিষয় আছিল। শিবিৰত প্ৰধানমন্ত্ৰীয়ে সকলো মন্ত্ৰীকে কেৱল ফাইল-পত্ৰৰ ওপৰত নিৰ্ভৰ নকৰি হাতে-কামে আগবাঢ়ি যোৱাৰ নিৰ্দেশ দিয়ে। শুক্ৰবাৰে লাইভযোগে ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে দৃঢ়ভাৰে কয় যে যোৱা ১২ বছৰত □ ৬ পৃষ্ঠাত

ৰাষ্ট্ৰসংঘৰ ৮১ সংখ্যক সাধাৰণ সভাত 'হিমালয়ান ক্লাইমেট ৰেজিলিয়েন্স মেকানিজম' গঠনৰ প্ৰস্তাৱ

হিমালয়ৰ জলবায়ু সংকট কেৱল স্থানীয় নহয়, সমগ্ৰ মানৱজাতিৰ বাবেই সতৰ্কবাণী ঃ নেপালৰ প্ৰধানমন্ত্ৰী



নেশ্যনেল ডেস্ক, অসম বার্তা, ২৫ ছেপ্টেম্বৰ ঃ সমগ্ৰ বিশ্বজুৰি জলবায়ু পৰিবৰ্তনে এতিয়া এক গুৰুতৰ আৰু ভয়াবহ সংকটৰ ৰূপ ধাৰণ কৰিছে। বিশেষকৈ হিমালয় অঞ্চলত বান, হিমবাহ গলন, হিমবাহ হ্ৰদ বিস্ফোৰণ, ভূমিস্খলন আৰু অন্যান্য প্ৰাকৃতিক দুৰ্যোগৰ ঘটনা বৃদ্ধি পাইছে। নেপালৰ ভটাকোশী- □ ৬ পৃষ্ঠাত

FSSAIৰ নিৰ্দেশনা ঃ অতিচৰ্বিযুক্ত জাংক ফুড বিক্ৰী নিষিদ্ধ

শিক্ষানুষ্ঠানৰ ৫০ মিটাৰ পৰিসৰত অস্বাস্থ্যকৰ খাদ্য বিক্ৰীত নিষেধাজ্ঞা



নেশ্যনেল ডেস্ক, অসম বার্তা, ২৫ ছেপ্টেম্বৰ ঃ ভাৰতীয় খাদ্য সুৰক্ষা আৰু মান প্ৰাধিকৰণে (FSSAI) দেশৰ শিক্ষানুষ্ঠানসমূহৰ আশে-পাশে খাদ্য সুৰক্ষা আৰু স্বাস্থ্যসম্মত পৰিবেশ নিশ্চিত কৰাৰ লক্ষ্যেৰে নতুন নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনা অনুসৰি শিক্ষানুষ্ঠানৰ চৌপাশে ৫০ মিটাৰ পৰিসৰৰ ভিতৰত অস্বাস্থ্যকৰ খাদ্য সামগ্ৰী বিক্ৰী কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। নিৰ্দেশনাত স্পষ্ট কৰা হৈছে যে শিক্ষানুষ্ঠানৰ আশে-পাশে অতিচৰ্বিযুক্ত জাংক ফুড, অতিমাত্ৰা চেনি, নিমখ □ ৬ পৃষ্ঠাত

এছআইআৰ প্ৰক্ৰিয়াত বিধিগত কৰ্তব্য উলংঘাৰ অভিযোগ; স্বতন্ত্ৰ ন্যায়িক তদন্ত আয়োগ গঠনৰ দাবী

মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত আবেদন



নেশ্যনেল ডেস্ক, অসম বার্তা, ২৫ ছেপ্টেম্বৰ ঃ দেশজুৰি মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত থকাৰ মাজতে তেওঁৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত এখন আবেদন দাখিল কৰা হৈছে। বিশেষ ভোটাৰ তালিকা সংশোধন (এছআইআৰ) প্ৰক্ৰিয়াত বিধিগত কৰ্তব্য উলংঘা আৰু ক্ষমতাৰ অপব্যবহাৰৰ অভিযোগ উত্থাপন কৰি অধিবক্তা শৈলেন্দ্ৰ মণি ত্ৰিপাঠীয়ে এই আবেদন দাখিল কৰে। অধিবক্তা চাগু কুৰেশ্বীৰ জৰিয়তে দাখিল কৰা আবেদনখনত একাধিক গুৰুত্বপূৰ্ণ দাবী জনোৱা হৈছে। উল্লেখ্য, এছআইআৰ প্ৰক্ৰিয়াক লৈ দেশৰ বিভিন্ন প্ৰান্তত বিৰোধী দলসমূহে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি আছে। □ ৬ পৃষ্ঠাত

নৰ্থ-ইষ্ট সেৱা ফাষ্ট ইন'ভেচন চেলেঞ্জ ২০২৬ আৰম্ভ

প্ৰতিটো নিৰ্বাচিত ষ্টাৰ্টআপলৈ ১০ লাখ টকা পৰ্যন্ত অনুদান

গুৱাহাটীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ শুভাৰম্ভ

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২৫ ছেপ্টেম্বৰ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ উদ্ভাবনী প্ৰতিভা আৰু যুব উদ্যোগীসকলক এক সুসংহত মঞ্চ প্ৰদানৰ লক্ষ্যেৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি 'নৰ্থ-ইষ্ট সেৱা ফাষ্ট ইন'ভেচন চেলেঞ্জ ২০২৬' শুভাৰম্ভ কৰে। গুৱাহাটীৰ □ ৬ পৃষ্ঠাত

মুখ্যমন্ত্ৰী প্ৰেম সিং তামাঙৰ গভীৰ উদ্বেগ প্ৰকাশ কৰি সতৰ্কতা জাৰি


ছিকিমৰ ৰিম্বিত ভয়াৱহ ভূমিস্খলনত কেইবাটাও ঘৰ ক্ষতিগ্ৰস্ত



নেশ্যনেল ডেস্ক, অসম বার্তা, ২৫ ছেপ্টেম্বৰ ঃ বৃহস্পতিবাৰে নিশা ধাৰাসাৰ ববষণৰ ফলত পশ্চিম ছিকিমৰ ইউকছম-টাশিডিং সমষ্টিৰ অন্তৰ্গত ৰিম্বি গাঁৱত বৃহৎ ভূমিস্খলন সংঘটিত হয়। এই ঘটনাত কেইবাটাও ঘৰ আৰু অন্যান্য নিৰ্মাণ ক্ষতিগ্ৰস্ত হৈছে। প্ৰাপ্ত বাতৰি অনুসৰি, এতিয়ালৈকে এই ঘটনাত কোনো লোকৰ প্ৰাণহানি হোৱা নাই। ভূমিস্খলনৰ ফলত বৃহৎ পৰিমাণৰ মাটি আৰু ধ্বংসাৱশেষ জনবসতিপূৰ্ণ অঞ্চললৈ □ ৬ পৃষ্ঠাত

নগাঁও উপ-নিৰ্বাচনৰ বাবে ২৯ ছেপ্তেম্বৰলৈ চলিব ভোটদান

৮৫ ঊৰ্ধ্ব আৰু শাৰীৰিকভাৱে বাধাগ্ৰস্ত ভোটদাতাৰ ঘৰে-ঘৰে আজিৰে পৰা বেলট ভোটগ্ৰহণ



ষ্টাফ ৰিপৰ্টাৰ, অসম, ২৫ ছেপ্টেম্বৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে জিলাখনৰ ৮৫ বছৰৰ ঊৰ্ধ্ব বয়সৰ আৰু শাৰীৰিকভাৱে বাধাগ্ৰস্ত ভোটদাতাসকলৰ সুবিধাৰ্থে কাইলৈৰ পৰা ২৯ ছেপ্তেম্বৰলৈ ঘৰে ঘৰে গৈ ভোটগ্ৰহণকাৰী দলে বেলটৰ জৰিয়তে ভোটগ্ৰহণ কৰিব। জিলাখনত □ ৬ পৃষ্ঠাত

UNGA ৮১ৰ পাৰ্শ্ববৰ্তী কাৰ্যসূচীত জয়শংকৰৰ সক্ৰিয় কূটনীতি

আৰ্মেনিয়া, বাৰ্বাডোছ আৰু ইৰাকৰ বৈদেশিক মন্ত্ৰীসকলৰ সৈতে বৈঠক

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ. জয়শংকৰৰ



ইণ্টাৰনেছনেল ডেস্ক, অসম বার্তা, ২৫ ছেপ্টেম্বৰ ঃ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ. জয়শংকৰে নিউয়ৰ্কত অনুষ্ঠিত বাষ্ট্ৰসংঘৰ ৮১ সংখ্যক সাধাৰণ অধিবেশন (UNGA ৮১)ৰ পাৰ্শ্ববৰ্তী কাৰ্যসূচীৰ মাজত তেওঁৰ ব্যাপক কূটনৈতিক তৎপৰতা অব্যাহত ৰাখে। এই সময়ছোৱাত তেওঁ আৰ্মেনিয়া, বাৰ্বাডোছ আৰু ইৰাকৰ বৈদেশিক মন্ত্ৰীসকলৰ সৈতে পৃথকে পৃথকে বৈঠক কৰে। ইয়াৰ লগতে পানামাৰ বাষ্ট্ৰপতি হোছে ৰাউল মুলিনোৱ □ ৬ পৃষ্ঠাত

গৌৰৰ গগৈসহ ১৫জনক আটক

জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত গুৱাহাটীত কংগ্ৰেছৰ বিক্ষোভ



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৫ ছেপ্টেম্বৰ ঃ ভাৰতৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক পদৰ পৰা অপসাৰণ কৰাৰ দাবীত শুক্ৰবাৰে দেশজুৰি চলি থকা বিক্ষোভৰ লগত সংগতি ৰাখি গুৱাহাটী মহানগৰীতো কংগ্ৰেছ কৰ্মীসকলে এক উত্তাল প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ভোটাৰ তালিকাৰ বিশেষ নিবিড় সংশোধন (SIR) লৈ ৰাজনৈতিক বিতৰ্ক তীব্ৰতৰ □ ৬ পৃষ্ঠাত

"নগাঁৰত কংগ্ৰেছ হাৰিলে ১০০ বছৰলৈ অসমত কংগ্ৰেছ নাহে"

মিঞা মুছলমানে আগৰে পৰা বিজেপিক ভোট দি আহিছে ঃ ড° হিমন্ত বিশ্ব শৰ্মা



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২৫ ছেপ্টেম্বৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন সন্দৰ্ভত আজি সাংবাদিকৰ আগত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে তেওঁলোকে নিৰ্বাচন খেলিছে আৰু জিকিব লাগে। তেওঁ কয়, "বহু মিঞাই আগৰ পৰাই বিজেপিক ভোট দি আহিছে। বাস্তুবাদী মিঞাও বহুত আছে। সেইকাৰণে আমি ধৰ্ম ৰাজনীতি নকৰোঁ, আমি সমস্যাৰ কথাহে কৰোঁ।" মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, "মিঞা মুছলমানে আগৰে পৰা বিজেপিক ভোট দি □ ৬ পৃষ্ঠাত

ভোটাৰ তালিকা সংশোধন আৰু ন-ভোটাৰ পঞ্জীয়ন বন্ধ হোৱা নাই ঃ নিৰ্বাচন আয়োগ

SIR প্ৰক্ৰিয়াত ১৮—২৮ বছৰৰ ২ কোটি ৭৩ লাখ নতুন জেন জি ভোটাৰ অন্তৰ্ভুক্ত

নেশ্যনেল ডেস্ক, অসম বার্তা, ২৫ ছেপ্টেম্বৰ ঃ ভোটাৰ তালিকা সংশোধন আৰু নবপ্ৰজন্মৰ ভোটাৰৰ নাম পঞ্জীয়ন বন্ধ হৈ পৰিছে বুলি শেহতীয়াকৈ উত্থাপিত হোৱা জল্পনা-কল্পনাক ভাৰতৰ নিৰ্বাচন আয়োগে সম্পূৰ্ণকপে নাকচ কৰিছে। শুক্ৰবাৰে নিৰ্বাচন আয়োগৰ বিষয়াসকলে সুনিৰ্দিষ্ট তথ্য দাঙি ধৰি স্পষ্ট কৰে যে ২০২৫ চনৰ পিছত দেশজুৰি আৰম্ভ হোৱা বিশেষ নিবিড় সংশোধন (SIR) প্ৰক্ৰিয়াৰ জৰিয়তে এতিয়ালৈকে ১৮ৰ পৰা ২৮ বছৰ বয়সৰ মুঠ ২ কোটি ৭৩ লাখ নতুন জেন জি বা তৰুণ ভোটাৰক সফলতাৰে ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে। যুবপ্ৰজন্মৰ ভোটাধিকাৰ লাভৰ ক্ষেত্ৰত জটিলতা সৃষ্টি হোৱা বুলি যি অভিযোগ উঠিছিল, নিৰ্বাচন আয়োগে এই তথ্যৰ জৰিয়তে সেয়া নস্যাৎ কৰিছে। আয়োগৰ প্ৰশাসনিক বিষয়াসকলে স্পষ্টভাৱে জানিবলৈ দিয়ে যে বাৰ্ষিক ভোটাৰ তালিকা প্ৰকাশৰ নিৰ্দিষ্ট □ ৬ পৃষ্ঠাত

উপ-নিৰ্বাচনৰ পূৰ্বে আজমল-দেৱাশিস শৰ্মাৰ বাকযুদ্ধ

তেওঁ হৰাৰ পিছত জিৰণি ল'ব, মই জয়ী হৈহে জিৰণি ল'ম ঃ আজমল

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২৫ ছেপ্টেম্বৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰচাৰৰ মাজতে আজমল আৰু বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ মাজত চলি থকা বাকযুদ্ধই এতিয়া বিশেষ চৰ্চা লাভ কৰিছে। দুয়োপক্ষই ইজনে সিজনক ইটোৰ পিছত সিটো চেলেঞ্জ দি উত্তেজনা বৃদ্ধি কৰি তুলিছে। বাতৰি অনুসৰি, দেৱাশিস শৰ্মাৰ □ ৬ পৃষ্ঠাত

জাপানত অনুষ্ঠিত বিশ্ব আৰ্ম ৰেষ্টলিং চেম্পিয়নশ্বিপত অসম কন্যা দিশিতা হাজৰিকাৰ গৌৰৱজনক সাফল্য

জুনিয়ৰ ছোৱালী শাখাত দুটাকৈ ৰূপৰ পদক অৰ্জন; প্ৰায় ৩০খন দেশৰ প্ৰতিযোগীৰ অংশগ্ৰহণ



নিউজ ডেস্ক, অসম বার্তা, ২৫ ছেপ্টেম্বৰ ঃ জাপানত অনুষ্ঠিত IFA বিশ্ব আৰ্ম ৰেষ্টলিং চেম্পিয়নশ্বিপত অসম কন্যা দিশিতা হাজৰিকাই উল্লেখনীয় সাফল্য লাভ কৰিছে। এই প্ৰতিযোগিতাৰ জুনিয়ৰ ছোৱালী শাখাত তেওঁ দুটাকৈ ৰূপৰ পদক অৰ্জন কৰি ৰাজ্য তথা দেশৰ বাবে গৌৰৱ কঢ়িয়াই আনিছে। জাপানত অনুষ্ঠিত এই বিশ্ব প্ৰতিযোগিতাখনত প্ৰায় ৩০খন দেশৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। এনে এক প্ৰতিষ্ঠিত আন্তৰ্জাতিক মঞ্চত দিশিতা হাজৰিকাই দুটাকৈ ৰূপৰ পদক লাভ কৰাটো এক বিশেষ কৃতিত্ব হিচাপে বিবেচিত হৈছে। তেওঁৰ এই সফলতাই অসমৰ ক্ৰীড়া ক্ষেত্ৰলৈ নতুন সম্ভাবনা আৰু আশাৰ বাৰ্তা কঢ়িয়াই আনিছে। দিশিতা হাজৰিকা □ ৬ পৃষ্ঠাত

হেলমেট আৰু বৈধ অনুজ্ঞাপত্ৰ বাধ্যতামূলক কৰাৰ লগতে য'তে-ত'তে পাৰ্কিংত নিষেধাজ্ঞাৰ ওপৰত গুৰুত্ব

বোকাখাত সম জিলাত আগন্তুক দুৰ্গাপূজাক লৈ পথ সুৰক্ষা আৰু যানজঁট নিয়ন্ত্ৰণৰ বিশেষ তৎপৰতা

অসম বাৰ্তা, নুমলীগড়, ২৫ ছেপ্টেম্বৰ ঃ আগন্তুক দুৰ্গাপূজাৰ সময়ছোৱাত গোলাঘাট জিলাৰ বোকাখাত নগৰত সম্ভাব্য যানজঁট নিয়ন্ত্ৰণ আৰু পথ দুৰ্ঘটনা প্ৰতিৰোধৰ লগতে জনসাধাৰণৰ মাজত পথ সুৰক্ষাৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজি বোকাখাত সমজিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এখন বিশেষ আলোচনা সভা অনুষ্ঠিত হয়। বোকাখাত সমজিলা আয়ুক্ত সুজাতা গগৈৰ অধ্যক্ষতাত অনুষ্ঠিত সভাখনত দুৰ্গাপূজাৰ সময়ছোৱাত নগৰখনত বৃদ্ধি পাব পৰা যান-বাহনৰ চাপ, যানজঁটৰ সম্ভাৱনা আৰু পথ সুৰক্ষাৰ বিভিন্ন দিশ সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। বিশেষকৈ পূজাৰ সময়ত জনসমাগম আৰু যান-বাহনৰ সংখ্যা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত যাতে পথ দুৰ্ঘটনা সংঘটিত নহয় আৰু সাধাৰণ ৰাইজে নিৰাপদে যাতায়াত কৰিব পাৰে, সেই উদ্দেশ্যে আগতীয়াকৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। সভাত দুচকীয়া বাহন চলোৱাৰ সময়ত হেলমেট পৰিধান কৰাটো বাধ্যতামূলক কৰাৰ লগতে বৈধ ড্ৰাইভিং লাইচেন্স অবিহনে বাহন চলোৱাত বাধা আৰোপ কৰাৰ বিষয়টো বিশেষভাৱে উত্থাপন কৰা হয়। পথ সুৰক্ষাৰ নীতি-নিয়ম মানি চলিবলৈ চালকসকলক সজাগ কৰাৰ লগতে যান-বাহন নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আৰক্ষী আৰু প্ৰশাসনে অধিক তৎপৰতা গ্ৰহণ কৰাৰ ওপৰতো গুৰুত্ব দিয়া হয়। আনহাতে, য'তে-ত'তে বাহন পাৰ্কিং কৰাৰ ফলত সৃষ্টি হোৱা যানজঁট ৰোধ কৰিবলৈ উপযুক্ত ব্যৱস্থা গ্ৰহণৰ সিদ্ধান্তৰ ওপৰতো আলোচনা হয়। ইয়াৰোপৰি দুৰ্গাপূজাৰ সময়ত ব্যস্ত পথ আৰু জনসমাগমস্থলীত অনিয়ন্ত্ৰিত পাৰ্কিঙে যাতে যাতায়াত ব্যৱস্থাত ব্যাঘাত সৃষ্টি কৰিব নোৱাৰে, তাৰ বাবে প্ৰশাসন আৰু আৰক্ষীয়ে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব বুলি সভাত গুৰুত্ব আৰোপ কৰা হয়। পথ সুৰক্ষাৰ ক্ষেত্ৰত কেৱল প্ৰশাসনিক ব্যৱস্থাই নহয়, জনসচেতনতা বৃদ্ধিৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰা হয়। সমজিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ উদ্যোগত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক জড়িত কৰি জনসাধাৰণৰ মাজত পথ সুৰক্ষা সম্পৰ্কীয় সজাগতা সৃষ্টি কৰাৰ বিষয়টো সভাত আলোচনা কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলে নিজ নিজ শিক্ষানুষ্ঠানৰ লগতে সমাজৰ মাজতো পথ সুৰক্ষাৰ বাৰ্তা প্ৰচাৰত সহায় কৰিব পাৰে বুলি সভাত মত প্ৰকাশ কৰা হয়। ইফালে, ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত শিক্ষানুষ্ঠানৰ সন্মুখতে ছাত্ৰ-ছাত্ৰীসকলে বাহন পাৰ্কিং কৰি যাতে যানজঁটৰ সৃষ্টি কৰিব নোৱাৰে, সেই বিষয়তো বিশেষ নজৰ দিবলৈ মহাবিদ্যালয়সমূহৰ অধ্যক্ষসকলক অনুৰোধ জনোৱা হয়। শিক্ষানুষ্ঠানৰ সন্মুখৰ পথত অনিয়ন্ত্ৰিত পাৰ্কিংৰ ফলত সাধাৰণ যাতায়াতত যাতে অসুবিধাৰ সৃষ্টি নহয়, তাৰ বাবে শিক্ষানুষ্ঠান কৰ্তৃপক্ষই ছাত্ৰ-ছাত্ৰীসকলক সজাগ কৰাৰ আহ্বান জনোৱা হয়। সভাখনত বোকাখাত সমজিলা আৰক্ষী অধীক্ষক নিভ্ৰাংশু হান্স, সহকাৰী আয়ুক্তদ্বয় দিপ্তীৰেখা হাজৰিকা আৰু অংকিতা বৰুৱা, বিভিন্ন চৰকাৰী বিভাগৰ বিষয়াসকলৰ লগতে জেদিএচজি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়ন্ত গগৈ, কাজিৰঙা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিজয় শৰ্মা আৰু চিএনবি মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° সুৰজিত দত্ত উপস্থিত থাকে। আগন্তুক দুৰ্গাপূজাৰ সময়ছোৱাত বোকাখাতত যাতে সুচাৰুৰূপে যান-বাহন চলাচল অব্যাহত থাকে, পথ দুৰ্ঘটনা হ্ৰাস পায় আৰু পূজা উপভোগ কৰিবলৈ অহা-যোৱা কৰা ৰাইজে নিৰাপদ যাতায়াতৰ সুবিধা লাভ কৰে, সেই লক্ষ্যৰে প্ৰশাসন, আৰক্ষী আৰু শিক্ষানুষ্ঠানসমূহে সমন্বিতভাৱে কাম কৰাৰ ওপৰত সভাখনত গুৰুত্ব আৰোপ কৰা হয়।

জিলাখনৰ ভিতৰতে প্ৰথমখন শিক্ষকবিহীন শ্ৰেণীকোঠা

বলবলা নতুন বস্তী প্ৰাথমিক বিদ্যালয়ত শিক্ষকবিহীন শ্ৰেণীকোঠা



অসম বাৰ্তা, ২৫ ছেপ্টেম্বৰ ঃ কৃষ্ণাই বলবলা নতুন বস্তী ২৮২ নং (চি) প্ৰাথমিক বিদ্যালয়ত শুভ উদ্বোধন কৰা হয় এখন শিক্ষকবিহীন শ্ৰেণীকোঠাৰ। শিক্ষা বিভাগৰ BaLA (Building as a Learning Aid) আঁচনিৰ অধীনত ৭৫ হাজাৰ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই শ্ৰেণীকোঠাটো জিলাখনৰ ভিতৰতে প্ৰথমখন শিক্ষকবিহীন শ্ৰেণীকোঠা হিচাপে পৰিগণিত হৈছে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক জোন আহমেদ ২০২৩ চনত জিলা ভিত্তিত কৃতী শিক্ষকৰ সন্মান লাভ কৰিছিল। শ্ৰেণীকোঠাটোৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে জিলা সৰ্বশিক্ষা অভিযানৰ প্ৰকল্প বিষয়া ৰহিমা খাতুনে। বিদ্যালয়ত শিক্ষকৰ সংখ্যা কম হোৱা অথবা শিক্ষকসকল বিভিন্ন চৰকাৰী কামত নিয়োজিত হৈ থকাৰ ফলত সৃষ্টি হোৱা শিক্ষক সংকটৰ সময়ত এই শিক্ষকবিহীন শ্ৰেণীকোঠাই ছাত্ৰ-ছাত্ৰীসকলক বিশেষভাৱে উপকৃত কৰিব বুলি আশা কৰা হৈছে। উল্লেখ্য যে, এই শ্ৰেণীকোঠাত আকৰ্ষণীয় দৃশ্য-শ্ৰাব্য মাধ্যমৰ জৰিয়তে পাঠদানৰ ব্যৱস্থা কৰা হৈছে। এনে ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ প্ৰতি অধিক আকৰ্ষিত কৰাৰ লগতে বিদ্যালয়মুখী কৰি তোলাত সহায় কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। শিক্ষা ব্যৱস্থাত প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে শিক্ষক সংকটৰ সময়ত পাঠদান অব্যাহত ৰখাৰ ক্ষেত্ৰতো এই পদক্ষেপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

খৰিকাজাঁই সাহিত্য সভাৰ উদ্যোগত সঞ্জিৎ তালুকদাৰৰ কবিতা সংকলন 'বাঁহীৰ নুশুনা সুৰ' উন্মোচন

অসম বাৰ্তা, মঙলদৈ, ২৫ ছেপ্টেম্বৰ ঃ 'কবিতাই এটা ভাষা ধৰি বা জীয়াই ৰাখে। কবিতা হ'ল সূক্ষ্ম তথা নিজৰ মনৰ অনুসূচনা আৰু কবিৰ মনৰ ভাৱ প্ৰকাশ কৰা এক মাধ্যম'- এইদৰে মন্তব্য আগবঢ়াইছে বিশিষ্ট চিকিৎসক, কবি সাহিত্যিক ডাঃ ৰমা বৰাই। খৰিকাজাঁই সাহিত্য সভাই প্ৰকাশ কৰা হিতৈষী সভ্য সঞ্জিৎ তালুকদাৰৰ কবিতা পুথি দ্বিতীয় সংকলন 'বাহীৰ নুশুনা সুৰ' গ্ৰন্থখন উন্মোচন কৰি তেওঁ লগতে কয় কবিতা বুজিবলৈ অলপ যত্ন কৰিব লাগিব। কবিতাৰ প্ৰত্যেক শব্দৰে এটা এটা অৰ্থ থাকে। সেয়ে কবিসকলে কবিতা অধ্যয়ন কৰিব লাগিব। তেতিয়াহে আচল অৰ্থৰ কবিতা লিখিবলৈ সক্ষম হ'ব। তেওঁ 'মেজাংকৰি' নামৰ আলোচনীখন নতুন কবিসকলক পঢ়িবলৈ আহ্বান জনায়। তেওঁ কেইবাটাও কবিতা পাঠ কৰে। বুধবাৰে মঙলদৈ খৰিকাজাই সাহিত্য সভাৰ উদ্যোগত লেখকৰ ভেবাৰঘাটস্থিত বাসগৃহত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত সভাপতিত্ব কৰে কৃষি বিভাগৰ অৱসৰপ্ৰাপ্ উপ-সঞ্চালক উদ্ধৱ চন্দ্ৰ ডেকাই। খৰিকাজাঁই সাহিত্য সভাৰ সম্পাদক, জ্যেষ্ঠ সাংবাদিক মদন চন্দ্ৰ বৰুৱাই আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ সভাখন খাৰুপেটীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বুদ্ধিন চন্দ্ৰ হাজৰিকাই উদ্বোধন কৰি কয় গ্ৰন্থৰ প্ৰকাশে সাহিত্য সভাক মহিয়ান কৰি তোলে। সেয়ে সাহিত্য সভা সমূহে গ্ৰন্থ লেখকসকলক উৎসাহিত কৰাৰ বাবে আহ্বান জনায়। খৰিকাজাঁই সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হৰিচন্দ্ৰ শৰ্মাই এগছি বন্তিপ্ৰজ্বলন কৰি শুভাৰম্ভ কৰাৰ পাছতে 'চিৰ চেনেহী মোৰ ভাষা জননী'ৰ গীতেৰে আৰম্ভ হোৱা মূল সভাত লেখকৰ মাতৃ অসম সাহিত্য সভাৰ আজীৱন সভ্য প্ৰতিভা তালুকদাৰে এটি ঘোষাৰে আদৰণী ভাষণ দিয়া সভাত কবিতা 'আইৰ কথাৰে' পাঠ কৰে ৰূপালী মৰমে। 'ভয়' কবিতা পাঠ কৰে কণু প্ৰভা চহৰীয়াই। প্ৰকাশকৰ আহ্বানত মদন চন্দ্ৰ বৰুৱাই কয় কবিতা কেৱল শব্দৰ সমাহাৰ নহয়। ই সময়, অনুভৱ আৰু মানুহৰ মনৰ নিভৃত আলাপ বুলি মন্তব্য আগবঢ়ায়। খৰিকাজাঁই সাহিত্য সভাৰ মুখ্য উপদেষ্টা দৰং ৰত্ন বটাপ্ৰাপ্ত শিক্ষাবিদ, সাহিত্যিক ফুলেন্দ্ৰ নাথ চহৰীয়াই ভাষণ দি কয় সাহিত্য চৰ্চা কৰিবলৈ হেঙাৰ ক'ত। সহিত্য চৰ্চা কৰিলে নিজৰ ভাষাটোৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা হয়। তেওঁ কবিতাৰ লগতে লেখকক গদ্যও লিখিবলৈ আহ্বান জনায়। লেখকৰ অনুভৱত সণজিৎ তালুকদাৰে কবিতা লিখাৰ তাগিদা মনৰ ভাৱ আদি প্ৰকাশ কৰে। খৰিকাজাই সাহিত্য সভাৰ প্ৰভাত চহৰীয়া, পৱন কুমাৰ চহৰীয়া, আনন্দ ডেকা, সুৰেন্দ্ৰ বৰুৱা, গিৰিশ কলিতা, তৰুলতা দেৱী, দিপালী চহৰীয়া, কণুপ্ৰভা চহৰীয়া, হেমকান্ত নাথ, দ্বীপেন্দ্ৰ কুমাৰ শৰ্মা, জিতেন্দ্ৰ চন্দ্ৰ ডেকা আদি উপস্থিত থকা অনুষ্ঠানত হৰিচন্দ্ৰ শৰ্মা আৰু তৰুলতা দেৱীয়েও বক্তব্য প্ৰদান কৰে। সভাপতিৰ বক্তব্য মন্তব্যৰ লগতে কবিতা পাঠ কৰে। শেষত অসম সংগীতেৰে সভাৰ সামৰণি মৰা হয়।

নাজিৰাত বানপানীৰ পৰৱৰ্তী পুনৰুদ্ধাৰ আৰু সাহায্যমূলক ব্যৱস্থাৰ পৰ্যালোচনা বৈঠক সম্পন্ন

অসম বাৰ্তা, গেলেকী, ২৫ ছেপ্টেম্বৰ ঃ নাজিৰা সমজিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি বানপানীৰ পৰৱৰ্তী সময়ত সংশ্লিষ্ট বিভাগসমূহে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ, সাহায্য তথা পুনৰুদ্ধাৰমূলক ব্যৱস্থাসমূহৰ অগ্ৰগতিৰ সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। নাজিৰা সমজিলা আয়ুক্ত প্ৰতিভা মেশ্ৰামৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত বানপানীৰ ফলত ক্ষতিগ্ৰস্ত বিভিন্ন খণ্ডৰ দ্ৰুত পুনৰুদ্ধাৰ, বৰ্তমান চলি থকা কাম-কাজৰ অগ্ৰগতি আৰু ভৱিষ্যতে গ্ৰহণ কৰিবলগীয়া পৰৱৰ্তী পদক্ষেপসমূহৰ বিষয়ে বিভাগসমূহৰ সৈতে বিস্তৃতভাৱে আলোচনা কৰা হয়। উক্ত সভাত জনস্বাস্থ্য কাৰিকৰী বিভাগ, স্বাস্থ্য, কৃষি, শিক্ষা, লোক নিৰ্মাণ (পথ আৰু গৃহ), পশুপালন ও পশু চিকিৎসা আদি বিভিন্ন গুৰুত্বপূৰ্ণ চৰকাৰী বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

অকালতে থমকি গ'ল জীৱনৰ যাত্ৰা; স্মৰণ গ্ৰন্থত সজীৱ হৈ ৰ'ল গহপুৰৰ মেধাৱী ছাত্ৰ ঋষি সোণাৰী

অসম বাৰ্তা, গহপুৰ, ২৫ ছেপ্টেম্বৰ ঃ নিষ্ঠুৰ নিয়তিয়ে অকালতে জীৱন-বন্তি নিৰ্বাপিত কৰা গহপুৰ সমজিলাৰ ঘাঁহিগাঁও-মিলনপুৰৰ বহুমুখী প্ৰতিভাৰ অধিকাৰী তথা মেধাৱী ছাত্ৰ ঋষি সোণাৰীৰ স্মৃতিত আজি অনুষ্ঠিত হয় এক আবেগঘন স্মৃতিচাৰণ সভা। মাত্ৰ ২১ বছৰ বয়সতে হঠাতে আঁতৰি যোৱা সম্ভাৱনাময় যুৱকগৰাকীৰ স্মৃতি ৰোমন্থন কৰি সভাত উপস্থিত গুণমুগ্ধসকল হৈ পৰে শোকবিহ্বল। বৰঙাবাৰীৰ মৰ্ণিং ষ্টাৰ হাইস্কুলৰ উদ্যোগত আৰু ঘাঁহিগাঁৱৰ টাইগাৰ ক্লাবৰ সহযোগত অনুষ্ঠিত স্মৃতিচাৰণ সভাখনত সভাপতিত্ব কৰে বিশিষ্ট সমাজকৰ্মী সিদ্ধেশ্বৰ হাজৰিকাই। অতি কম বয়সতে মেধা, সৃষ্টিশীলতা, সংগীত আৰু ক্ৰীড়া প্ৰতিভাৰে উজলি উঠা ঋষিৰ স্মৃতি সুঁৱৰি মৰ্ণিং ষ্টাৰ হাইস্কুলৰ পৰিচালন সঞ্চালক যাদৱ চলিহা আৰু অধ্যক্ষ দিনেশ কুমাৰ কেচিয়ে কয় যে জীৱনৰ সুন্দৰ সময়ত ভৰি দি ঋষিয়ে সমাজ, পৰিয়াল আৰু আপোনজনৰ বাবে বহু সপোন বুকুত বান্ধি আগুৱাই গৈছিল। কিন্তু নিয়তিৰ নিষ্ঠুৰ পৰিহাসত অকালতে তেওঁৰ জীৱনযাত্ৰাৰ পৰিসমাপ্তি ঘটাত সকলোৰে মাজত এক অপূৰণীয় শূন্যতাৰ সৃষ্টি হৈছে। ঋষি কেৱল এগৰাকী মেধাৱী ছাত্ৰই নাছিল— তেওঁ আছিল সংগীত শিল্পী, আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ, সৃষ্টিশীল আৰু সৰল মনৰ এগৰাকী প্ৰতিভাধৰ যুৱক। তেওঁৰ সুমধুৰ ব্যৱহাৰ, সৃষ্টিশীল চিন্তা আৰু সংগীতৰ প্ৰতি থকা গভীৰ অনুৰাগে পৰিয়াল, বন্ধু-বান্ধৱ, সহপাঠী আৰু পৰিচিতসকলৰ হৃদয়ত এক সুকীয়া স্থান দখল কৰিছিল। ঋষিৰ অকাল বিয়োগে যেন নিমিষতে স্তব্ধ কৰি দিলে এটি পৰিয়ালৰ বহু আশা-আকাংক্ষা আৰু সপোন। সন্তানক হেৰুৱাৰ পিতৃ-মাতৃৰ বুকুৰ এই অপূৰণীয় বেদনা যে কোনো ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি, সেই কথাই প্ৰতিফলিত হয় সভাখনৰ পৰিৱেশত। থমকি গ'ল ঋষিৰ সুৰ, কিন্তু থমকি নৰ'ল তেওঁৰ স্মৃতি। তেওঁৰ কণ্ঠৰ সুৰ, সৃষ্টিশীলতাৰ চিন আৰু প্ৰতিভাৰ উজ্জ্বলতা আপোনজনৰ হৃদয়ত সদায় জীয়াই থাকিব বুলি সভাত উপস্থিত বক্তাসকলে উল্লেখ কৰে। উল্লেখ্য যে, মৰ্ণিং ষ্টাৰ হাইস্কুল আৰু কটন বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ঋষি সোণাৰী দৰং মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ স্নাতক তৃতীয় ষাণ্মাসিকৰ এগৰাকী মেধাৱী ছাত্ৰ আছিল। যোৱা ১৩ ছেপ্টেম্বৰৰ পুৱা সংঘটিত এক অভিশপ্ত মটৰ চাইকেল দুৰ্ঘটনাই অকালতে কাঢ়ি নিয়ে তেওঁৰ প্ৰাণ। ঋষিৰ অকাল বিয়োগৰ পিছত তেওঁৰ স্মৃতি, প্ৰতিভা আৰু জীৱনগাঁথাক সজীৱ কৰি ৰখাৰ উদ্দেশ্যে মৰ্ণিং ষ্টাৰ হাইস্কুল, টাইগাৰ ক্লাব, ঋষিৰ পৰিয়াল আৰু বিভিন্নজনৰ যৌথ প্ৰচেষ্টাত প্ৰকাশ কৰা হয় 'আৰোহণৰ অন্য নাম ঋষি' শীৰ্ষক এখন স্মৰণ গ্ৰন্থ। শিক্ষক ৰাজু গৌতমৰ সম্পাদনাত প্ৰকাশিত আৰু হেলেমৰ পঞ্চৰত্ন প্ৰকাশন এণ্ড অফছেট প্ৰেছত মুদ্ৰিত স্মৰণ গ্ৰন্থখন উন্মোচন কৰে বিশ্বনাথ জিলা সাহিত্য সভাৰ সাধাৰণ সম্পাদক শোভন চন্দ্ৰ শইকীয়াই। স্মৃতিচাৰণ সভাত টাইগাৰ ক্লাবৰ সভাপতি বঞ্জু সিনহা, সম্পাদক ধৰ্মেন্দ্ৰ বৰা, বিজন দে' আৰু কোষাধ্যক্ষ ভাই হাজৰিকাই শোকবাণী আগবঢ়াই ঋষি সোণাৰীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শিক্ষক ৰাজু গৌতম, যুৱ ব্যৱসায়ী বঞ্জু সিনহা প্ৰমুখ্যে সভাত ভাষণ প্ৰদান কৰা সকলোৱে ঋষিৰ স্মৃতি ৰোমন্থন কৰি আৱেগিক হৈ পৰে। ঋষি সোণাৰীৰ সংগীত যাত্ৰাৰ অন্যতম সতীৰ্থ তেজপুৰ নক্ষত্ৰৰ গীতাৰ্থ হৰি কাশ্যপ, দেৱজিৎ ডেকা, গুঞ্জন বৰা, বিষ্ণু দাস আৰু লিছবন বসুমতাৰীয়েও প্ৰয়াত সতীৰ্থগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইফালে মৰ্ণিং ষ্টাৰ হাইস্কুলৰ একাংশ ছাত্ৰ-ছাত্ৰীয়ে জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰি ঋষিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। গীতৰ সুৰত, স্মৃতিৰ কথাত আৰু আপোনজনৰ অশ্ৰুসিক্ত নয়নত যেন পুনৰ এবাৰ জীৱন্ত হৈ উঠিল ঋষিৰ সুৱীয়া স্মৃতি। এই শোকৰ সময়ত পৰিয়ালটোৰ কাষত থিয় হোৱা সকলো আত্মীয়-স্বজন, বন্ধু-বান্ধৱ, শুভাকাংক্ষী আৰু গুণমুগ্ধৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে ঋষি সোণাৰীৰ পিতৃ ৰাজেন সোণাৰী আৰু মাতৃ ৰূপাঞ্জলি সোণাৰীয়ে। এটি জীৱন অকালতে থমকি গ'ল, কিন্তু ঋষিৰ সপোন, প্ৰতিভা আৰু স্মৃতি থমকি নৰ'ল। 'আৰোহণৰ অন্য নাম ঋষি'ৰ জৰিয়তে তেওঁ আপোনজনৰ হৃদয়ত, সংগীতৰ সুৰত আৰু স্মৃতিৰ পাতত সদায় জীয়াই থাকিব।



বৰ্ণালী বৰাক জ্ঞানজ্যোতি শিক্ষাগুৰু বঁটা প্ৰদান

অসম বাৰ্তা, বেবেজীয়া, ২৫ ছেপ্টেম্বৰ ঃ নগাঁও ৰটাৰী ক্লাবৰ উদ্যোগত ২৩ ছেপ্টম্বৰ তাৰিখে নগাঁও শ্বহীদ ভৱনত অনুষ্ঠিত এক অনুষ্ঠানত শিক্ষয়িত্ৰী বৰ্ণালী বৰাক জ্ঞানজ্যোতি' বঁটা প্ৰদান কৰা হয়। উল্লেখ যে প্ৰয়াত ৰাষ্ট্ৰীয় কৃতি শিক্ষক বঁটা প্ৰাপক বলেন্দ্ৰ নাথ শৰ্মাৰ সোঁৱৰণত শিক্ষয়িত্ৰী গৰাকীক এই বঁটা প্ৰদান কৰা হয়। নগাঁও চহৰৰ ওম প্ৰকাশ জাজোদিয়া হিন্দী হাইস্কুলৰ সহকাৰী শিক্ষয়িত্ৰী বৰ্ণালী বৰাক এই বঁটা প্ৰদান কৰা হয়। এই বঁটা প্ৰদান কৰে নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। বিগত সময়ছোৱাত বিদ্যালয়খনত কৃতিত্বৰে শিক্ষাদান কৰাৰ বাবে তেওঁক এই বঁটা প্ৰদান কৰা হয়। বৰ্ণালী বৰাই এই বঁটা লাভ কৰাত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকল উৎফুল্ল হৈ পৰিছে।

বঙাইগাঁৱত ভাৰতীয় প্ৰতিযোগিতা আয়োগৰ আইন সন্দৰ্ভত সজাগতা



অসম বাৰ্তা, বঙাইগাঁও সদৰ, ২৫ ছেপ্টেম্বৰ ঃ ন্যায্য প্ৰতিযোগিতা নিশ্চিত কৰা, বজাৰত আধিপত্যৰ অপব্যৱহাৰ ৰোধ কৰা আৰু গ্ৰাহক-যোগানকাৰীৰ স্বাৰ্থ সুৰক্ষাৰ বিভিন্ন দিশ সম্পৰ্কে জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰীসকলক অৱগত কৰাৰ উদ্দেশ্যে আজি বঙাইগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এখন ভিডিঅ' কনফাৰেন্স অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে জিলা আয়ুক্ত লক্ষ্মীনন্দন চহৰীয়াই অৱসৰপ্ৰাপ্ত DIG, অসম তথা ভাৰতীয় প্ৰতিযোগিতা আয়োগৰ Resource Person উমেশ কুমাৰক গামোচাৰে সম্বৰ্ধনা জনায়। সভাত উমেশ কুমাৰে ন্যায্য প্ৰতিযোগিতাৰ গুৰুত্ব ব্যাখ্যা কৰি কয় যে ন্যায্য প্ৰতিযোগিতাই উৎকৃষ্ট সামগ্ৰী আৰু সেৱা আগবঢ়োৱা প্ৰতিষ্ঠানসমূহক আগবাঢ়ি অহাৰ সুযোগ প্ৰদান কৰে। আনহাতে, CCIৰ Resource Person তনুজ গোস্বামীয়ে ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে ভাৰতীয় প্ৰতিযোগিতা আয়োগ গঠনৰ পটভূমি আৰু কাৰ্যপদ্ধতিৰ বিষয়ে ব্যাখ্যা কৰে। তেওঁ প্ৰতিযোগিতা-বিৰোধী চুক্তি, আধিপত্যৰ অপব্যৱহাৰ আৰু প্ৰতিযোগিতাত বিৰূপ প্ৰভাৱ পেলোৱা কাৰ্যকলাপ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আয়োগৰ ভূমিকাৰ বিষয়ে আলোকপাত কৰে। চৰকাৰী ক্ৰয় ব্যৱস্থাত স্বচ্ছ নিবিদা, গুণগত মান আৰু উপযুক্ত নিবিদাকাৰী নিৰ্বাচনৰ ক্ষেত্ৰতো প্ৰতিযোগিতা আইন সহায়ক বুলি তেওঁ উল্লেখ কৰে। লগতে আইন উলংঘনৰ ক্ষেত্ৰত জনসাধাৰণে নাম-ঠিকনা উল্লেখ নকৰাকৈ অথবা NGOৰ জৰিয়তে আয়োগত অভিযোগ দাখিল কৰিব পাৰে বুলি জানিবলৈ দিয়ে। আয়োগে নিজাববীয়াকৈও আইন উলংঘাকাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে বুলি তেওঁ উল্লেখ কৰে। সভাত জিলা উন্নয়ন আয়ুক্ত ৰাজীৱ দাস, অতিৰিক্ত আয়ুক্ত মৌচম প্ৰতীম নাথ, সহকাৰী আয়ুক্ত মেৰী হাজৰিকা আৰু টুটুমণি কাকতিৰ লগতে বিভিন্ন বিভাগৰ মুৰব্বীসকল উপস্থিত থাকে।


মাষ্টাৰ চাৰ্কুলাৰ আৰু নৱীকৃত সতৰ্কতা নিৰীক্ষণ নিয়মাৱলী ২০২৬ সন্দৰ্ভত বিশেষ কাৰ্যসূচী

নুমলীগড় শোধনাগাৰৰ সজাগতা সপ্তাহ ২০২৬ উপলক্ষে OILৰ উদ্যোগত

অসম বাৰ্তা, নুমলীগড়, ২৫ ছেপ্টেম্বৰ ঃ ভিজিলেন্স সজাগতা সপ্তাহ, ২০২৬ উপলক্ষে চলি থকা সক্ষমতা বিকাশমূলক কাৰ্যসূচীৰ অংশ হিচাপে অইল ইণ্ডিয়া লিমিটেডৰ (OIL) উদ্যোগত নয়ডাস্থিত কৰ্প'ৰেট কাৰ্যালয়ত এদিনীয়া মাষ্টাৰ চাৰ্কুলাৰসমূহ আৰু নৱীকৃত সতৰ্কতা নিৰীক্ষণ নিয়মাৱলী ২০২৬ সম্পৰ্কীয় পৰিচয় কাৰ্যসূচী অনুষ্ঠিত হয়। OIL আৰু নুমলীগড় শোধনাগাৰৰ ভিজিলেন্স বিষয়াসকলৰ বাবে আয়োজন কৰা এই কাৰ্যসূচীৰ মূল উদ্দেশ্য আছিল ভিজিলেন্স প্ৰশাসনৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ নীতি-নিৰ্দেশনা, Master Circulars আৰু ২০২৬ চনত স্বীকৃত নৱীকৃত সতৰ্কতা নিৰীক্ষণ নিয়মাৱলী সম্পৰ্কে অধিক স্পষ্ট আৰু ব্যৱহাৰিক ধাৰণা প্ৰদান কৰা। দিনজোৱা এই পৰিচিতি কাৰ্যসূচী পৰিচালনা কৰে ভাৰত চৰকাৰৰ কৰ্মচাৰী আৰু প্ৰশিক্ষণ বিভাগৰ অধীনস্থ সচিবালয় প্ৰশিক্ষণ আৰু ব্যৱস্থাপনা প্ৰতিষ্ঠান (ISTM)-ৰ সঞ্চালক আৰু নিয়মীয়া অনুষদ সদস্য সন্দীপ মুখাৰ্জীয়ে। তেওঁৰ প্ৰশাসনিক আৰু ভিজিলেন্স বিষয়ক অভিজ্ঞতাৰ আধাৰত অংশগ্ৰহণকাৰীসকলক সংশ্লিষ্ট নীতি-নিৰ্দেশনাৰ বিভিন্ন দিশ সম্পৰ্কে ব্যাখ্যা আগবঢ়াই। কাৰ্যসূচীটোত ভিজিলেন্স ব্যৱস্থাপনাৰ ক্ষেত্ৰত স্বচ্ছতা, জবাবদিহিতা, সততা, নৈতিকতা আৰু সু-শাসনৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। বিশেষকৈ Master Circulars আৰু Updated Vigilance Manual 2026-ৰ ব্যৱহাৰিক প্ৰয়োগ, ভিজিলেন্স প্ৰশাসনৰ প্ৰাসংগিক দিশ আৰু preventive vigilance-ৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা হয়। উল্লেখযোগ্য যে, সতৰ্কতা সজাগতা সপ্তাহ ২০২৬ সময়ছোৱাত আয়োজিত এনে সক্ষমতা বিকাশমূলক কাৰ্যসূচীয়ে ভিজিলেন্স বিষয়াসকলৰ পেছাদাৰী জ্ঞান অধিক শক্তিশালী কৰাৰ লগতে প্ৰতিষ্ঠানসমূহত সততা আৰু স্বচ্ছতাৰ সংস্কৃতি সুদৃঢ় কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে। OIL আৰু NRL-ৰ ভিজিলেন্স বিষয়াসকলৰ অংশগ্ৰহণে দুয়োটা প্ৰতিষ্ঠানৰ মাজত ভিজিলেন্স প্ৰশাসন আৰু preventive vigilance সম্পৰ্কীয় জ্ঞান আৰু অভিজ্ঞতা বিনিময়ৰ ক্ষেত্ৰতো এক গুৰুত্বপূৰ্ণ সুযোগ সৃষ্টি কৰে। ভিজিলেন্স সজাগতা সপ্তাহৰ মূল লক্ষ্য—সততা, স্বচ্ছতা, জবাবদিহিতা আৰু নৈতিক প্ৰশাসনক অধিক শক্তিশালী কৰাৰ সৈতে সংগতি ৰাখি এই কাৰ্যসূচীয়ে প্ৰতিষ্ঠানিক পৰ্যায়ত ভিজিলেন্স ব্যৱস্থাক অধিক ফলপ্ৰসূ কৰাৰ ক্ষেত্ৰত তাৎপৰ্য বহন কৰিছে।

কচুগাঁৱত মানুহ-হাতী সংঘাত ৰোধৰ বাবে সজাগতা সভা

অসম বাৰ্তা, গোসাঁইগাঁও, ২৫ ছেপ্টেম্বৰ ঃ মানুহ আৰু হাতীৰ সংঘাত হ্ৰাস কৰি সহাৱস্থানৰ পৰিৱেশ গঢ়ি তোলাৰ লক্ষ্যৰে আজি গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত কচুগাঁৱৰ শ্বহীদ সুজিত নাৰ্জাৰী স্মৃতি প্ৰেক্ষাগৃহত এক সজাগতা সভা অনুষ্ঠিত হয়। কচুগাঁও বন সংমণ্ডলৰ উদ্যোগত 'মানুহ আৰু হাতীৰ সংঘাতৰ পৰা সহাৱস্থানলৈ' শ্ল'গানেৰে অনুষ্ঠিত এই সজাগতা সভাত হাতী-মানুহৰ সংঘাতৰ ফলত সৃষ্টি হোৱা বিভিন্ন সমস্যা আৰু ইয়াৰ প্ৰতিৰোধৰ উপায় সন্দৰ্ভত ৰাইজক সজাগ কৰা হয়। উল্লেখ্য যে ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া কচুগাঁও অঞ্চলত দীৰ্ঘদিন ধৰি হাতী-মানুহৰ সংঘাত এক গুৰুতৰ সমস্যা হিচাপে পৰিগণিত হৈ আহিছে। হাতীৰ আক্ৰমণত মানুহৰ প্ৰাণহানি হোৱাৰ লগতে বিঘাই বিঘাই কৃষিভূমিৰ ধাননি আৰু অন্যান্য সম্পত্তিৰ ক্ষতিসাধন হৈ আহিছে। সভাত কোকৰাঝাৰ জিলাৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তী আৰু বন বিভাগৰ বিষয়াসকলে হাতী খেদাৰ সময়ত ৰাইজে গ্ৰহণ কৰিবলগীয়া সাৱধানতা আৰু কৰিব নলগীয়া কাম-কাজৰ বিষয়ে বিস্তৃতভাৱে অৱগত কৰে। বিশেষকৈ হাতীৰ সন্মুখীন হ'লে আতংকিত নহৈ কেনেদৰে সুৰক্ষিতভাৱে আঁতৰি যাব লাগে, সেই সন্দৰ্ভতো সজাগ কৰা হয়। ইয়াৰ উপৰিও বন্যজন্তুৰ আক্ৰমণত প্ৰাণহানি অথবা শস্য-সম্পত্তিৰ ক্ষতি হোৱা লোকসকলৰ বাবে চৰকাৰী এককালীন সাহায্য তথা ক্ষতিপূৰণ লাভৰ ক্ষেত্ৰত আবেদন কৰাৰ প্ৰক্ৰিয়াৰ বিষয়েও সভাত বিতংভাৱে ব্যাখ্যা কৰা হয়। কোকৰাঝাৰ জিলাৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে আশা প্ৰকাশ কৰে যে এনে সজাগতা কাৰ্যসূচীৰ জৰিয়তে হাতী-মানুহৰ সংঘাতৰ ঘটনা হ্ৰাস কৰাৰ লগতে ৰাইজ আৰু বন্যপ্ৰাণীৰ মাজত এক সুস্থ আৰু সুৰক্ষিত সহাৱস্থান গঢ়ি তোলাত সহায়ক হ'ব।



লাখ লাখ টকাৰ সোণ-নগদ ধন উদ্ধাৰ, দুজন আটক

গোলকগঞ্জত বজালী-গোলকগঞ্জ আৰক্ষীৰ যৌথ অভিযান

অসম বাৰ্তা, গোলকগঞ্জ, ২৫ ছেপ্টেম্বৰ ঃ ধুবুৰী জিলাৰ গোলকগঞ্জৰ উত্তৰ ৰায়পুৰ প্ৰথম খণ্ডত বজালী আৰু গোলকগঞ্জ আৰক্ষীয়ে চলোৱা যৌথ অভিযানত লাখ লাখ টকাৰ সোণ, নগদ ধন, চুৰিকাণ্ডত ব্যৱহৃত বিভিন্ন সঁজুলি আৰু এখন চাৰি চকীয়া বাহন উদ্ধাৰ কৰাৰ লগতে এজন অভিযুক্তক গোলকগঞ্জত আটক কৰিবলৈ সক্ষম হয় আনহাতে কোকৰাঝাৰ ত এজন অভিযুক্তক আটক। আৰক্ষীৰ সূত্ৰ অনুসৰি, যোৱা ১৪ ছেপ্টেম্বৰত বজালী জিলাৰ পাঠশালাৰ হাউলীৰোডস্থিত নিউ মা মনসা জুৱেলাৰ্ছত সংঘটিত হৈছিল এক চুৰিকাণ্ড। নিশা চোৰে জুৱেলাৰী দোকানখনৰ শ্বাটাৰ ভাঙি ভিতৰত প্ৰৱেশ কৰি সোণৰ গহনা লুটি নিয়াৰ লগতে দোকানখনত সংস্থাপিত CCTV কেমেৰা ভাঙি CCTV ব'টোও লৈ যায়। ঘটনাৰ পিছতে বজালী আৰক্ষীয়ে চুৰিকাণ্ডৰ সৈতে জড়িত লোকৰ সন্ধানত অভিযান তীব্ৰতৰ কৰি তোলে। প্ৰায় দহদিনৰ পিছত লাভ কৰা বিশেষ তথ্যৰ ভিত্তিত বজালী আৰক্ষীয়ে গোলকগঞ্জ আৰক্ষীৰ সহযোগত উত্তৰ ৰায়পুৰ প্ৰথম খণ্ডত অভিযান চলায়। অভিযানত শহৰাব আলী ওৰফে কালু নামৰ এজন আৰু চহৰুদ্দিন শেইখ নামৰ লোকক আটক কৰে আৰক্ষীয়ে। আটকাধীন ব্যক্তিজনৰ সৈতে জড়িত স্থানত তালাচী চলাই আৰক্ষীয়ে লাখ লাখ টকাৰ সোণ, নগদ ধন, চুৰিকাণ্ডত ব্যৱহৃত বিভিন্ন সঁজুলি আৰু এখন চাৰি চকীয়া বাহন উদ্ধাৰ কৰে। ঘটনাক কেন্দ্ৰ কৰি আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। চুৰিকাণ্ডৰ সৈতে আন কোনো লোক জড়িত আছে নেকি, সেই সন্দৰ্ভতো বজালী আৰক্ষীয়ে তদন্ত চলাই আছে। বজালী আৰু গোলকগঞ্জ আৰক্ষীৰ এই যৌথ অভিযানক লৈ অঞ্চলটোত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে।

কামৰূপ জিলা প্ৰশাসনৰ সেৱা সেঁতু অভিযানৰ ব্যাপক প্ৰস্তুতি

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ ছেপ্টেম্বৰ ঃ চৰকাৰী সেৱা জনসাধাৰণৰ ওচৰলৈ লৈ যোৱা লগতে অন্তিম পৰ্যায়ত ফলপ্ৰসূভাৱে সেৱা প্ৰদান নিশ্চিত কৰাৰ লক্ষ্যৰে শুক্ৰবাৰে কামৰূপ জিলাৰ আমিনগাঁৱস্থিত সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত সেৱা সেতু অভিযান উপলক্ষে এক প্ৰস্তুতি সভা অনুষ্ঠিত হৈ যায়। সভাত অহা ১ অক্টোবৰৰ পৰা ১০ অক্টোবৰ, ২০২৬ লৈ অনুষ্ঠিত হ'বলগীয়া এই অভিযানৰ জৰিয়তে উন্নয়ন খণ্ড পৰ্যায়ত বিভিন্ন চৰকাৰী বিভাগ একত্ৰিত হৈ গুৰুত্বপূৰ্ণ কল্যাণমূলক আঁচনি আৰু সেৱাসমূহ জনসাধাৰণৰ ওচৰলৈ লৈ যোৱাৰ লগতে নাগৰিকসকলৰ অভাৱ-অভিযোগসমূহ গ্ৰহণ আৰু নিষ্পত্তিৰ ব্যৱস্থা কৰিব আৰু যোগ্য হিতাধিকাৰীয়ে যাতে কোনো বাধাৰ সন্মুখীন নোহোৱাকৈ চৰকাৰী সুবিধা লাভ কৰিব পাৰে সেয়া নিশ্চিত কৰিব। "Government at the Doorstep- Sarkar Janata Ke Dwar" এই মূল মন্ত্ৰৰে জিলাখনৰ প্ৰতিটো উন্নয়ন খণ্ডত শিবিৰ অনুষ্ঠিত কৰা হ'ব বুলি আয়ুক্ত গৰাকীয়ে জানিবলৈ দিয়ে। সভাত শিবিৰ পৰিকল্পনা, স্থান নিৰ্বাচন, আন্তঃগাথনি, অন্যান্য ব্যৱস্থা, বিভাগসমূহৰ মাজত আন্তবিভাগীয় সমন্বয়, হিতাধিকাৰীসকল সংগঠিত কৰা আৰু অভিযোগ নিষ্পত্তি ব্যৱস্থা সন্দৰ্ভত বিস্তৃত আলোচনা কৰা হয়। কাৰ্যপৰিকল্পনা অনুসৰি প্ৰতিটো উন্নয়ন খণ্ডত এখনকৈ শিবিৰ অনুষ্ঠিত হ'ব আৰু তাত অসংক্ৰামক ৰোগসমূহৰ পৰীক্ষা-নিৰীক্ষাৰ বাবে বিশেষ স্বাস্থ্যসেৱাৰ ব্যৱস্থাও থাকিব। সকলো সংশ্লিষ্ট বিভাগৰ সক্ৰিয় অংশগ্ৰহণেৰে অগ্ৰাধিকাৰপ্ৰাপ্ত চৰকাৰী আঁচনি আৰু সেৱাসমূহ জনসাধাৰণক প্ৰদান কৰা হ'ব। সভাত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিৰ সৈতে জড়িত অভিযোগসমূহৰ নিষ্পত্তিৰ ব্যৱস্থাও পৰ্যালোচনা কৰা হয়। শিবিৰত লাভ কৰা আবেদনসমূহ যথাযথভাৱে পঞ্জীয়ন কৰি নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত অনুসৰণমূলক ব্যৱস্থা গ্ৰহণৰ বাবে বিষয়াসকলক নিৰ্দেশ দিয়া হয়। সেৱা সংকল্প প'ৰ্টেলৰ জৰিয়তে আবেদনসমূহৰ পঞ্জীয়ন আৰু নিৰীক্ষণৰ ব্যৱস্থা কৰা হ'ব, যাৰ ফলত সেৱা প্ৰদানৰ অগ্ৰগতি সুসংগঠিতভাৱে অনুসৰণ কৰিব পৰা যাব। সভাত অহা ৭ অক্টোবৰত অনুষ্ঠিত হ'বলগীয়া "সেৱা জ্যোতি কলহ যাত্ৰা — বিকশিত ভাৰতৰ সংকল্প" শীৰ্ষক কাৰ্যসূচীৰ প্ৰস্তুতিৰ বিষয়েও আলোচনা কৰা হয়। এই কাৰ্যসূচীৰ অন্তত "বিকশিত ভাৰত ২০৪৭" গঢ়াৰ লক্ষ্যত এক সামূহিক সংকল্প গ্ৰহণ কৰা হ'ব। সভাত জিলা আয়ুক্তগৰাকীয়ে উল্লেখ কৰে যে এই শিবিৰসমূহ কেৱল আনুষ্ঠানিক কাৰ্যসূচী হৈনাথাকি বাস্তৱিকভাৱে জনসাধাৰণক প্ৰকৃত সেৱা প্ৰদান আৰু সমস্যাৰ সমাধান নিশ্চিত কৰিব লাগিব। তেওঁ সকলো সংশ্লিষ্ট বিষয়াক বিভাগসমূহৰ মাজত যথাযত সমন্বয়, পৰ্যাপ্ত মানৱ সম্পদ আৰু প্ৰয়োজনীয় ব্যৱস্থা নিশ্চিত কৰাৰ লগতে শিবিৰসমূহৰ তথ্য সময়মতে দাখিল কৰাৰ লগতে লাভ কৰা আবেদন তথা অভিযোগসমূহৰ ফলপ্ৰসূ অনুসৰণ নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। সভাত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, জিলা উন্নয়ন আয়ুক্ত গৰ্গ মোহন দাস, অতিৰিক্ত জিলা আয়ুক্ত বিশ্বজিৎ শইকীয়া আৰু মনিকা বৰগোঁহাই, বকো-ছয়গাঁও সম-জিলা আয়ুক্ত প্ৰিয়াংশু ভৰদ্বাজ, চক্ৰ বিষয়া, সহকাৰী আয়ুক্ত, খণ্ড উন্নয়ন বিষয়া, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া আৰু অন্যান্য সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে।

শিৱসাগৰ জিলাত সমাগত দুৰ্গা পূজা উদ্‌যাপনৰ প্ৰস্তুতি সন্দৰ্ভত বৈঠক সম্পন্ন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ২৫ ছেপ্টেম্বৰ ঃ শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত মৃদুল য়াদৱৰ অধ্যক্ষতাত যোৱা কালি জিলা আয়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত সমাগত দুৰ্গা পূজা উদযাপনৰ প্ৰস্তুতি সন্দৰ্ভত জিলাখনৰ সকলো দুৰ্গা পূজা সমিতিৰ বিষয়ববীয়া আৰু সংশ্লিষ্ট বিভাগীয় বিষয়াসকলৰ সৈতে এখনি বৈঠক অনুষ্ঠিত হয়। বৈঠকত পূজা উদযাপনৰ সময়ত সৰ্বসাধাৰণ ৰাইজৰ সুৰক্ষা, যান-বাহনৰ নিয়মাৱলী, পাৰ্কিং, পূজা মণ্ডপ সমূহৰ নিৰাপত্তা, পোহৰৰ ব্যৱস্থা, দুৰ্যোগ প্ৰতিৰোধী ব্যৱস্থাপনা, প্ৰতিমা বিসৰ্জনৰ প্ৰক্ৰিয়া আদি বিভিন্ন বিষয়ৰ ওপৰত বিস্তৃত আলোচনা কৰা হয়। প্ৰতিটো বৰ্ষৰ দৰে এই বছৰো দুৰ্গা পূজা উদযাপনৰ ক্ষেত্ৰত জিলা প্ৰশাসনে কিছু নিয়মাৱলী জাৰি কৰিছে। সেই অনুসৰি পূজা সমিতিসমূহে আগতীয়াকৈ অনলাইন যোগে অসম আৰক্ষীৰ "সেৱা সেতু" পৰ্টেলৰ পৰা তথা সংশ্লিষ্ট বিভাগসমূহৰ প্ৰয়োজনীয় অনুমতি সংগ্ৰহ কৰিব লাগিব। আনহাতে, প্ৰতিটো পূজা মণ্ডপত চিচি টিভি লগোৱাটো বাধ্যতামূলক কৰা হৈছে। লগতে, পূজা মণ্ডপ আৰু ইয়াৰ চৌপাশে পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা কৰিব লাগিব। অগ্নি নিৰ্বাপনৰ সামগ্ৰী পূজা মণ্ডপসমূহত মজুত ৰখাৰ সুব্যৱস্থা কৰিব লাগিব। পূজা মণ্ডপসমূহত পুৰুষ আৰু মহিলাৰ বাবে প্ৰৱেশ আৰু প্ৰস্থানৰ পৃথক-পৃথক ব্যৱস্থা কৰাৰ লগতে বয়োজ্যেষ্ঠ বা বিশেষভাৱে সক্ষম দৰ্শনাৰ্থীৰ সহায়ৰ বাবে স্বেচ্ছাসেৱকক নিয়োজিত কৰিব লাগিব। পূজা মণ্ডপসমূহ আৰু দেৱীৰ প্ৰতিমাসমূহ পৰ্য্যমানে পৰিৱেশ অনুকূল আৰু অগ্নি প্ৰতিৰোধী সামগ্ৰীৰে নিৰ্মিত হ'ব লাগিব। পূজা মণ্ডপসমূহত প্ৰয়োজনীয় ডাষ্টবিনৰ ব্যৱস্থা কৰাৰ লগতে দৈনিক নিয়মিতভাৱে আৱৰ্জনা নিষ্কাশনৰ ব্যৱস্থা কৰিব লাগিব। নিশা ১০ বজাৰ পৰা পুৱা ৬ বজালৈ উচ্চ প্ৰাবল্যৰ শব্দযন্ত্ৰৰ ব্যৱহাৰ কৰিব নোৱাৰিব। উল্লেখ্য যে, যান-বাহনৰ ভিৰ নিয়ন্ত্ৰণৰ বাবে শিৱসাগৰ নগৰৰ অসম ৰাজ্যিক পৰিবহণ নিগমৰ বাছ আস্থান, মুক্তিনাথ চাৰিআলি, বাবুপট্টি, পানীটেংকী, গায়েন গাঁও, ৰেড ক্ৰছ ৰোড আৰু নাট্য মন্দিৰৰ সন্মুখ আদি স্থানত ন' এণ্ট্ৰিৰ বোৰ্ড লগোৱা হ'ব। লগতে জিলা পৰিবহণ বিভাগে পথ সুৰক্ষাৰ নিয়মাৱলী সম্পৰ্কে জন-সচেতনতা বৃদ্ধিৰ লক্ষ্যৰে ৰাইজৰ চকুত পৰাকৈ ছপাই আঁৰি থোৱাৰ ব্যৱস্থা কৰাৰ লগতে পথ দুৰ্ঘটনা ৰোধ কৰাৰ বাবে পথ-সুৰক্ষাৰ নিৰ্দেশনা উলংঘা কৰা সকলৰ বিৰুদ্ধে আৰক্ষী, পৰিবহণ আৰু আবকাৰী বিভাগৰ অভিযান তীব্ৰতৰ কৰা হ'ব। তদুপৰি, আবকাৰী বিভাগে পূজা মণ্ডপসমূহৰ ওচৰে-পাজৰে সুৰাৰ বিক্ৰী আৰু ব্যৱহাৰৰ বিৰুদ্ধে চোকা দৃষ্টি ৰাখিব। জৰুৰীকালীন সেৱা যেনে: আৰক্ষী, অগ্নি নিৰ্বাপক বাহিনী, জিলা দুৰ্যোগ ব্যৱস্থাপনাৰ নিয়ন্ত্ৰণ কক্ষ, এপিডিচিএল, অসামৰিক প্ৰতিৰক্ষা, অসামৰিক চিকিৎসালয় আদিৰ যোগাযোগ নম্বৰসমূহ সকলোৰে দৃষ্টিগোচৰ হোৱাকৈ ছপাই আঁৰি থোৱাৰ ব্যৱস্থা কৰিব লাগিব। আনহাতে, পৰিত্যক্ত/গৰাকীবিহীন বেগ, সন্দেহজনক লোক বা গতি-বিধি পৰিলক্ষিত হ'লে তাৎক্ষণিকভাৱে আৰক্ষী বিভাগক অৱগত কৰিবলৈও বৈঠকত আহ্বান জনোৱা হয়। পূজা সমিতিসমূহে পৰ্যাপ্ত স্বেচ্ছাসেৱক নিয়োগ কৰিব লাগিব আৰু স্বেচ্ছাসেৱক সকলৰ নাম, ঠিকনা, যোগাযোগৰ নম্বৰ আদি বিৱৰণসমূহ পঞ্জীয়ন বহীত লিপিবদ্ধ কৰাৰ লগতে পৰিচয় পত্ৰ প্ৰদানৰ ব্যৱস্থা কৰি আগতীয়াকৈ ফটো তথা অন্যান্য বিৱৰণ সংশ্লিষ্ট আৰক্ষী চকী বা থানাত জমা দিয়াৰ উপৰিও স্বেচ্ছাসেৱক সকলক নিজ-নিজ দায়িত্ব সম্পৰ্কে আগতীয়াকৈ অৱগত কৰিব লাগিব। পূজা সমিতিসমূহে নিশা পূজা মণ্ডপত সুৰক্ষাৰ যাৱতীয় ব্যৱস্থা কৰিব লাগিব। জিলা আয়ুক্ত গৰাকীয়ে প্ৰতিমা বিসৰ্জনৰ সময়ত প্ৰয়োজনীয় সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনোৱাৰ লগতে প্ৰতিমাসমূহ নিৰ্ধাৰিত সময়ৰ ভিতৰত ঘাট পোৱাটো সুনিশ্চিত কৰি দিনৰ পোহৰতে বিসৰ্জনৰ প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ কয়। জিলা আয়ুক্ত গৰাকীয়ে পৌৰসভাৰ কাৰ্যবাহী বিষয়াসকলক পূজা সমিতিসমূহৰ মাজত স্বচ্ছ, পৰিৱেশ অনুকূল তথা প্লাষ্টিকমুক্ত পূজা আয়োজনৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ কয়। তেওঁ লগতে সমূহ সংশ্লিষ্ট বিভাগকে সমাগত দুৰ্গা পূজাৰ পৰিপ্ৰেক্ষিতত গ্ৰহণ কৰিবলগীয়া কাৰ্যপন্থা প্ৰস্তুত কৰি অহা ৭ দিনৰ ভিতৰত জিলা প্ৰশাসনৰ ওচৰত দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ জিলাখনত শান্তি-শৃংখলা বজাই ৰাখি তথা সকলো নীতি-নিৰ্দেশনা সঠিকভাৱে পালন কৰি আগন্তুক দুৰ্গা পূজা সফল আৰু সুন্দৰভাৱে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়াবলৈ সংশ্লিষ্ট সকলোকে আহ্বান জনায়। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত গৌৰীপ্ৰিয়া দেউৰীয়ে বিগত বৰ্ষৰ দুৰ্গা পূজা উদ্‌যাপন সম্পৰ্কীয় বৈঠকৰ কাৰ্যবিৱৰণী পাঠ কৰে। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত মীনাক্ষী পেৰ্মে, অতিৰিক্ত আৰক্ষী অধীক্ষকদ্বয় মইদুল ইছলাম আৰু ঋষভ হান্স, নিৰ্বাচনী বিষয়া গণেশ চন্দ্ৰ বড়ো, শিৱসাগৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মিত্ৰাবৃন্দা গগৈ, শিৱসাগৰ আৰু আমগুৰি পৌৰসভাৰ কাৰ্যবাহী বিষয়াদ্বয়, আৰক্ষী বিভাগৰ লগতে বিভিন্ন সংশ্লিষ্ট বিভাগৰ বিষয়াসকল আৰু পূজা সমিতিৰসমূহৰ বিষয়-ববীয়াসকল উপস্থিত থাকে।

বেচৰকাৰী বিশ্ববিদ্যালয় ব্যৱসায়ৰ কেন্দ্ৰ হ'ব নোৱাৰিব; কঠোৰ স্থিতি উচ্চতম ন্যায়ালয়ৰ

পাঁচ বছৰৰ হিচাপ-নিকাচ, নামভৰ্তিৰ মাচুল, পুঁজি ব্যৱহাৰ, চৰকাৰী সুবিধা, শিক্ষক-কৰ্মচাৰীৰ নিযুক্তি, সকলো তথ্য বিচাৰিলে সৰ্বোচ্চ ন্যায়ালয়ে

অসম বাৰ্তা, নুমলীগড়, ২৫ ছেপ্টেম্বৰ ঃ দেশৰ বেচৰকাৰী বিশ্ববিদ্যালয়সমূহৰ বিত্তীয় আৰু প্ৰশাসনিক কাম-কাজক লৈ এক গুৰুত্বপূৰ্ণ নিৰ্দেশ জাৰি কৰিছে ভাৰতৰ উচ্চতম ন্যায়ালয়ে। ১৭ ছেপ্টেম্বৰ ২০২৬ত ন্যায়াধীশ আহছানুদ্দিন আমানুল্লাহ আৰু এন. ভি. অঞ্জাৰিয়াৰ খণ্ড বিচাৰপীঠে Ayesha Jain বনাম Amity University, Noida গোচৰত বেচৰকাৰী বিশ্ববিদ্যালয় সমূহে কেনেদৰে ধন সংগ্ৰহ কৰে, কেনেদৰে ব্যয় কৰে আৰু শিক্ষাৰ মূল উদ্দেশ্যৰ বাহিৰত ধনৰ ব্যৱহাৰ হয় নেকি, সেই বিষয়ে দেশজুৰি বিস্তৃত তথ্য সংগ্ৰহৰ নিৰ্দেশ দিয়ে। কেৱল আৰ্থিক লাভা লাভৰ বাবে বিশ্ববিদ্যালয় চলিব নোৱাৰিব। উচ্চতম ন্যায়ালয়ে স্পষ্ট কৰি দিছে যে কোনো বেচৰকাৰী বিশ্ববিদ্যালয়ক কেৱলমাত্ৰ আৰ্থিক লাভ অৰ্জনৰ প্ৰতিষ্ঠান হিচাপে চলাব নোৱাৰিব। অৱশ্যে বিশ্ববিদ্যালয়ৰ স্বাভাৱিক আৰু সুস্থ পৰিচালনাৰ বাবে যুক্তিসংগত পৰিমাণৰ আৰ্থিক সংৰক্ষণ বা financial cushion থাকিব পাৰে। সেই ধন প্ৰতিষ্ঠানখনৰ সুষ্ঠু পৰিচালনা আৰু শিক্ষক-শিক্ষয়িত্ৰী তথা অশিক্ষক কৰ্মচাৰীক উপযুক্ত পাৰিশ্ৰমিক দিয়াৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পাৰিব। কিন্তু বিশ্ববিদ্যালয়ৰ ধন শিক্ষাৰ সৈতে সম্পৰ্ক নথকা কামত বা পৰিচালনা সমিতিৰ সদস্যসকলক সুবিধা দিয়াৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা সন্দৰ্ভত আদালতে কঠোৰ স্থিতি গ্ৰহণ কৰিছে। বিশেষকৈ Governing Board বা Board of Directors-ৰ সদস্যসকলক দৰমহা বা অন্যান্য সুবিধা দিয়াৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ ধনৰ অপব্যৱহাৰ হৈছে নেকি, সেয়াও পৰীক্ষাৰ আওতালৈ আহিব। দেশৰ বেচৰকাৰী বিশ্ববিদ্যালয়সমূহৰ পৰা যোৱা পাঁচ বছৰৰ audited financial records সংগ্ৰহ কৰিবলৈ ৰাজ্যসমূহক নিৰ্দেশ দিছে আদালতে। ইয়াৰ ভিতৰত থাকিব বিশ্ববিদ্যালয়ে কিমান ধন সংগ্ৰহ কৰিছে, ক'ৰ পৰা ধন আহিছে, হসংগৃহীত ধন কোন কোন ক্ষেত্ৰত ব্যৱহাৰ কৰা হৈছে; শিক্ষাৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত নোহোৱা ব্যক্তিক কিমান ধন দিয়া হৈছে, উদ্বৃত্ত ধনৰ পৰিমাণ, উদ্বৃত্ত ধন কেনেদৰে বিনিয়োগ কৰা হৈছে; বিনিয়োগৰ পৰা লাভ বা আয় কেনেদৰে ব্যৱহাৰ কৰা হৈছে, বিশ্ববিদ্যালয়খনৰ বিত্তীয় সম্পদৰ সামগ্ৰিক ব্যৱস্থাপনা ইত্যাদিৰ বিষয়ে আদালতে স্পষ্ট কৰি দিছে যে তথ্য সম্পূৰ্ণ ৰূপত দাখিল কৰিব লাগিব। ইয়াৰোপৰি উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ এটা গুৰুত্বপূৰ্ণ অংশ হৈছে fee structure। বিশ্ববিদ্যালয়সমূহে জনাব লাগিব নামভৰ্তিৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ পৰা কিমান মাচুল লোৱা হয়, পাঠ্যক্ৰম চলি থকা সময়ত কিমান মাচুল লোৱা হয় আৰু মাচুলৰ বাহিৰে আন কোনো বিষয়ে ধন সংগ্ৰহ কৰা হয় নেকি। বিশেষকৈ development fund, special event fund আদি বিভিন্ন শিতানত সংগ্ৰহ কৰা ধনৰো সম্পূৰ্ণ তথ্য দিব লাগিব। অৰ্থাৎ কেৱল মূল tuition fee নহয়, ছাত্ৰ-ছাত্ৰীৰ পৰা সংগ্ৰহ কৰা প্ৰতিটো অতিৰিক্ত মাচুলৰ উৎস আৰু ব্যৱহাৰো পৰীক্ষাৰ আওতালৈ আহিছে। নামভৰ্তিৰ পদ্ধতিও আদালতৰ নজৰত ৰখাৰ বাবে কেৱল টকা পইচাৰ হিচাপেই নহয়, বিশ্ববিদ্যালয়সমূহৰ admission process-ও পৰীক্ষা কৰা হ'ব। প্ৰতিটো পাঠ্যক্ৰমত ছাত্ৰ-ছাত্ৰীক কেনেদৰে নামভৰ্তি কৰা হয়, তাৰ সম্পূৰ্ণ পদ্ধতি প্ৰকাশ কৰিব লাগিব। ইয়াৰ লগতে জনাব লাগিব নামভৰ্তি প্ৰক্ৰিয়াৰ দায়িত্বত কোন থাকে, পৰীক্ষাৰ প্ৰশ্নকাকত কোনে প্ৰস্তুত কৰে, পৰীক্ষা কোনে পৰিচালনা কৰে, answer sheet কোনে মূল্যায়ন কৰে, বিশ্ববিদ্যালয়ৰ ধন কোনে পৰিচালনা কৰে, এই সকলো প্ৰক্ৰিয়াত management-ৰ ভূমিকা কি। অৰ্থাৎ নামভৰ্তিৰ পৰা পৰীক্ষা আৰু ফলাফললৈকে প্ৰক্ৰিয়াটো কিমান স্বচ্ছ, সকলো বিষয়ৰে চলিব পৰ্যবেক্ষণ। সমান্তৰাল ভাৱে চৰকাৰৰ পৰা পোৱা সুবিধাৰো হিচাপ দিব লাগিব বিশ্ববিদ্যালয় সমূহে। বেচৰকাৰী বিশ্ববিদ্যালয়সমূহে কেন্দ্ৰ বা ৰাজ্য চৰকাৰৰ পৰা লাভ কৰা সুবিধাৰ দিব লাগিয়া তথ্যৰ ভিতৰত চৰকাৰীভাৱে আবণ্টন কৰা মাটি, ভূমি সম্পৰ্কীয় সুবিধা, আইন-কানুনত দিয়া কোনো বিশেষ ৰেহাই, অন্যান্য চৰকাৰী সুবিধাৰ বিশেষ অনুমতি আদি অন্তৰ্ভুক্ত হ'ব। অৰ্থাৎ এখন বেচৰকাৰী বিশ্ববিদ্যালয়ে চৰকাৰৰ পৰা কোনো সুবিধা লাভ কৰি থাকিলে, সেই সুবিধাৰ উৎস আৰু পৰিমাণ তথা প্ৰকৃতিও এতিয়া পৰীক্ষাৰ আওতালৈ আহিব। বিশ্ববিদ্যালয়ে আয়-ব্যয় কৰাৰ পিছত যদি surplus fund থাকে, সেই ধন কেনেদৰে ব্যৱহাৰ কৰা হয় সেয়াও স্পষ্ট কৰিব লাগিব। উদ্বৃত্ত ধন বিনিয়োগ কৰা হৈছে নেকি, কৰিলে ক'ত বিনিয়োগ কৰা হৈছে, সেই বিনিয়োগৰ উদ্দেশ্য কি, সেই সকলো তথ্য দাখিল কৰিব লাগিব। শিক্ষক-কৰ্মচাৰীৰ নিযুক্তি আৰু দৰমহাৰ তথ্যও দিব লাগিব আদালতক। শিক্ষা ব্যৱস্থাৰ মানদণ্ডৰ সৈতে পোনপটীয়াকৈ জড়িত শিক্ষক আৰু অশিক্ষক কৰ্মচাৰীৰ বিষয়টোও নিৰ্দেশৰ অন্তৰ্ভুক্ত। বিশ্ববিদ্যালয়সমূহে জনাব লাগিব, শিক্ষক আৰু অন্যান্য কৰ্মচাৰী কেনেদৰে নিযুক্তি দিয়া হয়, তেওঁলোকৰ দৰমহা আৰু অন্যান্য সুবিধা কিমান, দৰমহা কেনেদৰে প্ৰদান কৰা হয়, চাকৰিৰ সেৱা-চৰ্ত বিশ্ববিদ্যালয়ে আনুষ্ঠানিকভাৱে নিৰ্ধাৰণ কৰিছে নেকি, শিক্ষকসকলক কোন কৰ্তৃপক্ষই শ্ৰেণী আৱণ্টন কৰে, কোন শিক্ষকক কিমানটা শ্ৰেণী আৱণ্টন কৰা হৈছে, বাস্তৱত তেওঁলোকে কিমানটা শ্ৰেণী ল'বলৈ সক্ষম, কোনো শিক্ষক উপস্থিত নথকাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ ক্ষতি নোহোৱাকৈ কি বিকল্প ব্যৱস্থা গ্ৰহণ কৰা হয়। শ্ৰেণী আৱণ্টন আৰু বাস্তৱত গ্ৰহণ কৰা শ্ৰেণীৰ তথ্য জানুৱাৰী ২০২৫ৰ পৰা দাখিল কৰিবলৈ কোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰ, সংশ্লিষ্ট ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে নিজ নিজ অধীনস্থ বিশ্ববিদ্যালয় আৰু কলেজৰ পৰা এই তথ্য সংগ্ৰহ কৰি ছয় সপ্তাহৰ ভিতৰত উচ্চতম ন্যায়ালয়ত affidavit দাখিল কৰিব লাগিব। এই affidavit সংশ্লিষ্ট Chief Secretaryএ ব্যক্তিগতভাৱে নিশ্চিত কৰি দাখিল কৰিব লাগিব বুলি আদালতে নিৰ্দেশ দিছে। আদালতে ৰাজ্য চৰকাৰসমূহক এই ক্ষেত্ৰত বিশেষ সতৰ্ক কৰি দিছে। বিশ্ববিদ্যালয়ে তথ্য নিদিলে সেই তথ্য দাখিল কৰিব নোৱাৰাৰ অজুহাত ৰাজ্য চৰকাৰে গ্ৰহণ কৰিব নোৱাৰিব। প্ৰয়োজন হ'লে তথ্য সংগ্ৰহৰ বাবে আইনগত বা প্ৰশাসনিক ব্যৱস্থা গ্ৰহণ কৰাৰ ক্ষমতা ৰাজ্য চৰকাৰৰ আছে বুলি আদালতে উল্লেখ কৰিছে। কেৱল বিশ্ববিদ্যালয় নহয়, নিয়ামক সংস্থাৰ ভূমিকাও পৰীক্ষা কৰা হ'ব। মেডিকেল, ডেণ্টেল, নাৰ্ছিং, ফাৰ্মাচী, আইন, আদি ক্ষেত্ৰৰ নিয়ামক সংস্থাসমূহৰ পৰাও সংশ্লিষ্ট প্ৰতিষ্ঠানসমূহৰ শেষ পৰিদৰ্শনত কি কি ত্ৰুটি ধৰা পৰিছিল আৰু সেই ত্ৰুটিসমূহ দূৰ কৰা হৈছে নে নাই, তাৰ তথ্য বিচৰা হৈছে। ইয়াৰ ফলত বিশ্ববিদ্যালয়সমূহৰ ওপৰত কেৱল বিত্তীয় স্বচ্ছতাৰ নহয়, শৈক্ষিক মান, নিয়ামক পৰিদৰ্শন আৰু ত্ৰুটি সংশোধনৰ ক্ষেত্ৰতো অধিক জবাবদিহিতা আহিব পাৰে। সামগ্ৰিক বিষয়টো এটা গোচৰৰ ৰায় দান প্ৰক্ৰীয়াৰ পৰা উৎপত্তি হ'ল। গোচৰটো মূলত Ayesha Jain বনাম Amity University, Noida নামৰ গোচৰ। ইয়াৰ জৰিয়তে উত্থাপিত বিষয়সমূহ পৰৱৰ্তী সময়ত বহল কৰি দেশৰ বেচৰকাৰী বিশ্ববিদ্যালয়সমূহৰ বৃহত্তৰ কাৰ্যপ্ৰণালী পৰীক্ষাৰ দিশে আগবঢ়াই নিয়া হয়। ১৭ ছেপ্টেম্বৰত সৰ্বোচ্চ ন্যায়ালয়ে দিয়া নিৰ্দেশটো এই গোচৰৰে এক গুৰুত্বপূৰ্ণ পৰ্যায়। আদালতে ইতিমধ্যে পৰৱৰ্তী শুনানিৰ তাৰিখ ১৯ নৱেম্বৰ ২০২৬ নিৰ্ধাৰণ কৰিছে। উচ্চতম ন্যায়ালয়ৰ এই নিৰ্দেশৰ অৰ্থ এইটো নহয় যে দেশৰ সকলো বেচৰকাৰী বিশ্ববিদ্যালয়েই অনিয়ম কৰিছে। বৰং আদালতে দেশজুৰি তথ্য সংগ্ৰহ আৰু পৰীক্ষাৰ এক বিস্তৃত প্ৰক্ৰিয়া আৰম্ভ কৰিছে, যাতে বেচৰকাৰী বশ্ববিদ্যালয়সমূহৰ বিত্তীয় সম্পদ আৰু প্ৰশাসনিক ব্যৱস্থা শিক্ষাৰ মূল উদ্দেশ্যৰ সৈতে সামঞ্জস্যপূৰ্ণ হৈ আছে নে নাই সেয়া পৰীক্ষা কৰিব পৰা যায়।

জৰাজীৰ্ণ ৩৭ আৰু ৩৮ নং ৰাষ্ট্ৰীয় ঘাইপথ মেৰামতিৰ দাবীত মাকুমত বিক্ষোভ কাৰ্যসূচী



অসম বাৰ্তা, মাকুম, ২৫ ছেপ্টেম্বৰ ঃ দীৰ্ঘদিন ধৰি জৰাজীৰ্ণ অৱস্থাত থকা মাকুম সংযোগী ৩৭ আৰু ৩৮ নং ৰাষ্ট্ৰীয় ঘাইপথ শীঘ্ৰে মেৰামতি কৰাৰ দাবীত আজি মাকুম আঞ্চলিক ছাত্ৰ সন্থাই বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। ৰাষ্ট্ৰীয় ঘাইপথ দুটাৰ বিভিন্ন স্থানত বৃহৎ বৃহৎ গাঁতৰ সৃষ্টি হোৱাৰ লগতে পথৰ বহু অংশ বিধ্বস্ত হৈ পৰাত দৈনন্দিন যাতায়াত ব্যৱস্থা ব্যাহত হৈ পৰা বুলি সংগঠনটোৱে অভিযোগ কৰে। বিশেষকৈ পথৰ জৰাজীৰ্ণ অৱস্থাৰ বাবে যান-বাহন চলাচলত চালকসকলে সমস্যাৰ সন্মুখীন হোৱাৰ লগতে পথ দুৰ্ঘটনাৰ আশংকাও বৃদ্ধি পাইছে বুলি ছাত্ৰ সন্থাই উল্লেখ কৰে। বিক্ষোভ কাৰ্যসূচীত নেতৃত্ব বহন কৰি মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকলে জনসাধাৰণৰ জীৱন আৰু যাতায়াতৰ সৈতে জড়িত এই গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় ঘাইপথ দুটাৰ মেৰামতিৰ ক্ষেত্ৰত আৰু পলম কৰা উচিত নহয়। জৰাজীৰ্ণ অংশসমূহ শীঘ্ৰে মেৰামতি কৰাৰ লগতে অধিক বিধ্বস্ত স্থানসমূহ পুনৰ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ তেওঁ সংশ্লিষ্ট কৰ্তৃপক্ষক দাবী জনায়। ইফালে, সংগঠনটোৱে পথ দুটাৰ শীঘ্ৰে মেৰামতি আৰু যাতায়াত ব্যৱস্থা সুচল কৰাৰ দাবীত মাকুমৰ সমজিলা অতিৰিক্ত আয়ুক্তৰ হাতত এখন স্মাৰক-পত্ৰও প্ৰদান কৰে। আজিৰ বিক্ষোভ কাৰ্যসূচীত মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ কৰ্মীসকলৰ লগতে স্থানীয় ৰাইজে অংশগ্ৰহণ কৰি জৰাজীৰ্ণ ৰাষ্ট্ৰীয় ঘাইপথ দুটাৰ মেৰামতিৰ দাবী উত্থাপন কৰে। পথ দুটাৰ মেৰামতিৰ ক্ষেত্ৰত সংশি-ষ্ট বিভাগে শীঘ্ৰে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ নকৰিলে পৰৱৰ্তী সময়ত অধিক গণতান্ত্ৰিক কাৰ্যসূচী গ্ৰহণ কৰাৰ সংবাদ মাধ্যমৰ জৰিয়তে মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি শিৱা দাসে।

গোৱালপাৰা জিলা প্ৰশাসনৰ সহযোগিতাত ২৮ চেপ্তেম্বৰত ১৩ সংখ্যক প্ৰাগজ্যোতি আন্তঃৰাষ্ট্ৰীয় নৃত্যৰ অনুষ্ঠান

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ২৫ ছেপ্টেম্বৰ ঃ সাহিত্য, কলা, সংস্কৃতি আৰু সামাজিক সম্প্ৰীতি প্ৰসাৰৰ বাবে গঠিত " কল্প" নামৰ সংস্থাটোৱে গোৱালপাৰা জিলা প্ৰশাসনৰ সহযোগত ২৮ চেপ্তেম্বৰ ২০২৬ তাৰিখে এখনি গাম্ভীৰ্যপূৰ্ণ নৃত্যানুষ্ঠানৰ আয়োজন কৰিছে। সংস্থাটোৰ বিশিষ্ট শিল্পী আৰু কলা-সাধকসকলে আয়োজন কৰা "১৩ সংখ্যক প্ৰাগজ্যোতি আন্তঃৰাষ্ট্ৰীয় নৃত্য মহোৎসৱ"ত শাস্ত্ৰীয় নৃত্যৰ ঐতিহ্য, সংৰক্ষণ, শৈক্ষিক আলোচনা আৰু সাংস্কৃতিক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ইয়াৰে অংশ হিচাপে গোৱালপাৰা জিলা প্ৰশাসনৰ সহযোগত আৰু ভাৰত চৰকাৰৰ সংস্কৃতি মন্ত্ৰালয় তথা শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সহায়ত ২৮ চেপ্তেম্বৰ ২০২৬ তাৰিখে গোৱালপাৰাৰ নটসূৰ্য ফণী শৰ্মা প্ৰেক্ষাগৃহত আয়োজন কৰা অনুষ্ঠানটো বিয়লি ৫: ৩০ বজাৰ পৰা আৰম্ভ হ'ব। মহোৎসৱৰ আন এক গুৰুত্বপূৰ্ণ অংশ হৈছে শৈক্ষিক অধিৱেশন। গোৱালপাৰা জিলা প্ৰশাসনৰ সহযোগত সংস্থাটোৱে ২৭ চেপ্তেম্বৰ ২০২৬ তাৰিখে বিয়লি স্থানীয় জেটিএছ খেলপথাৰৰ শালনিত স্থানীয় শিল্পী আৰু ধ্ৰুপদী নৃত্য শিল্পীসকলৰ মাজত শীৰ্ষক এক মত বিনিময় অনুষ্ঠান অনুষ্ঠিত কৰিব। সেইদৰে, ২৮ চেপ্তেম্বৰ ২০২৬ তাৰিখে পুৱা গোৱালপাৰা মহাবিদ্যালয়ত "Lecture - demonstration by master performers and an expert presentation exploring dance heritage"- শীৰ্ষক এক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই ১৩ সংখ্যক প্ৰাগজ্যোতি আন্তঃৰাষ্ট্ৰীয় নৃত্য মহোৎসৱত বিশিষ্ট শিল্পী, ৰাষ্ট্ৰীয় বঁটাপ্ৰাপক ব্যক্তি, শৈক্ষিক বিশেষজ্ঞ আৰু উদীয়মান শাস্ত্ৰীয় নৃত্যশিল্পীসকল একত্ৰিত হ'ব। নৃত্য পৰিৱেশনৰ লগতে, বক্তৃতা অনুষ্ঠান, নৃত্য বিষয়ক চলচ্চিত্ৰ প্ৰদৰ্শন আৰু সাংস্কৃতিক ভ্ৰমণ আদি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। বিশিষ্ট নৃত্যশিল্পী ৰোহিণী বেনাৰ্জী, সংগীতা বিক্ৰম দস্তিদাৰ, কল্পবৃক্ষ ডান্স এনচেম্বল, অভিষেক দাস আদি শিল্পীসকলে এই অনুষ্ঠানত নিজৰ শিল্পকলা পৰিৱেশন কৰিব। গোৱালপাৰাৰ জিলা আয়ুক্ত প্ৰদীপ টিমুং মহোদয়ে উল্লেখ কৰিছে যেনেকৈ - "গোৱালপাৰা জিলা অতীজৰে পৰা ইতিহাস, সংস্কৃতি আৰু সমন্বয়ৰ এক মিলনভূমি। ১৩ সংখ্যক প্ৰাগজ্যোতি আন্তঃৰাষ্ট্ৰীয় নৃত্য মহোৎসৱ গোৱালপাৰাত আয়োজন কৰি আমাৰ ঐতিহ্যমণ্ডিত পৰম্পৰাক উদ্‌যাপন কৰাৰ লগতে বিশ্বমানৰ শিল্পকলাক আমাৰ জিলালৈ আদৰণি জনোৱাৰ এক সুযোগ। এই অনুষ্ঠানটোৰ নৃত্য ক'লাৰ গতি আৰু ছন্দই বিভিন্ন সংস্কৃতিক সংযোগ কৰাৰ লগতে আমাৰ স্থানীয় শিল্প কলাকো সমৃদ্ধ কৰিব বুলি আমি আশা ৰাখিছো।"

অসমীয়া, ইংৰাজী, বড়ো, নেপালী কবিতা পাঠেৰে অনুষ্ঠিত হ'ল বহুভাষিক কবি সন্মিলন

সৰুপথাৰত মহাবিদ্যালয়ত সাহিত্য অকাডেমীৰ বহুভাষিক কবি সন্মিলন অনুষ্ঠিত

অসম বাৰ্তা, সৰুপথাৰ, ২৫ ছেপ্টেম্বৰ ঃ ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ অধীনস্থ সাহিত্য অকাডেমীৰ উদ্যোগত তথা ধনশিৰি বড়ো ওৱেলফেয়াৰ এছ'চিয়েছন আৰু সৰুপথাৰ মহাবিদ্যালয়ৰ যৌথ সহযোগত মহাবিদ্যালয়খনৰ ৰাজেন ফুকন সোঁৱৰণি সভাগৃহত এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত এখনি মনোজ্ঞ বহুভাষিক কবি সন্মিলন সফলতাৰে অনুষ্ঠিত হৈ যায়। বিভিন্ন ভাষা-ভাষী লোকৰ মাজত কাব্য সাহিত্যৰ জৰিয়তে সম্প্ৰীতিৰ এনাজৰী সুদৃঢ় কৰাৰ লক্ষ্যৰে আয়োজিত এই সন্মিলনখনত বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক সত্যব্ৰত দত্তই আদৰণি ভাষণ প্ৰদান কৰে আৰু অনুষ্ঠানটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বড়ো-কছাৰী কল্যাণ স্বায়ত্ত শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰদীপ স্বৰ্গীয়াৰীয়ে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মহাবিদ্যালয়খনৰ সহযোগী অধ্যাপক ড° প্ৰণৱ ঢেকিয়াল ফুকনে সুচাৰুৰূপে সঞ্চালনা কৰা এই মনোগ্ৰাহী সন্মিলনখনৰ মূল কাৰ্যসূচীত উপস্থিত দৰ্শকক মন্ত্ৰমুগ্ধ কৰি স্পনানী গগৈ চেতিয়াই অসমীয়া কবিতা, দিলীপ কুমাৰ শৰ্মাই ইংৰাজী কবিতা, বিলাইশ্ৰী দৈমাৰীয়ে বড়ো ভাষাৰ কবিতা আৰু মহেশ্বৰ বসুমতাৰীয়ে অসমীয়াৰ লগতে বড়ো ভাষাত কবিতা পাঠ কৰে। ইয়াৰ লগতে ড° ববিতা দত্ত, স্মিতা চেতিয়া, চিৰঞ্জিত বড়া, লিজা গগৈ, ৰঞ্জন গোস্বামীয়ে স্বৰচিত অসমীয়া কবিতা পাঠত অংশগ্ৰহণ কৰি অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সৰুপথাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ জয়ন্ত বৰাকে ধৰি কেইবাগৰাকী বিশিষ্ট সাহিত্যপ্ৰেমী ব্যক্তি, আমন্ত্ৰিত কবি আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। অনুষ্ঠানৰ শেষৰ ফালে সঞ্চালক ড° প্ৰণৱ ঢেকিয়াল ফুকনে বৰ্তমান সময়ত কবিতাৰ গতি-প্ৰকৃতি, সমাজত ইয়াৰ প্ৰভাৱ আৰু সাহিত্যৰ নান্দনিক দিশসমূহৰ সম্পৰ্কে এক তত্ত্বগধুৰ তথা চিন্তোদ্দীপক বক্তৃতা প্ৰদান কৰাৰ লগতে স্বৰচিত কবিতা পাঠ কৰে। সদৌ শেষত কবি মহেশ্বৰ বসুমতাৰীয়ে এই সাহিত্যিক প্ৰয়াসক সফল কৰি তোলাৰ বাবে উপস্থিত সকলোলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। এইদৰে সাহিত্য-চৰ্চাৰ এক অনন্য নিদৰ্শন দাঙি ধৰি এই বহুভাষিক কবি সন্মিলনখন সুকলমে সামৰণি পৰে।

স্বচ্ছতা হি সেৱা অভিযান-২০২৬ৰ অধীনত ২৪ নং বাহিনী এছ এছ বিৰ দ্বাৰা ৰঙিয়া ৰে'লৱে ষ্টেচনত বিশেষ চাফাই অভিযান

অসম বাৰ্তা, মঙলদৈ, ২৫ ছেপ্টেম্বৰ ঃ শ্ৰী এইচ. কে. গুপ্তা, কমাণ্ডেণ্ট, ২৪ নং বাহিনী, সশস্ত্ৰ সীমা বলৰ দক্ষ নিৰ্দেশনা আৰু মাৰ্গদৰ্শনত স্বচ্ছতা হি সেৱা অভিযান-২০২৬ৰ অধীনত স্বচ্ছতা লক্ষ্য একক (CTUs)ৰ অন্তৰ্গত ২৫ তাৰিখ শুকুৰবাৰে ৰে'লৱে সুৰক্ষা বাহিনীৰ সমন্বয়ত ৰঙিয়া ৰে'লৱে ষ্টেচনত এক বিশেষ স্বচ্ছতা অভিযান অনুষ্ঠিত কৰা হয়। উক্ত স্বচ্ছতা অভিযানৰ নেতৃত্ব ২৪ নং বাহিনীৰ দ্বিতীয় কমাণ্ড বিষয়া প্ৰকাশ চন্দ্ৰ বসবালে কৰে। অভিযানত ২৪ নং বাহিনীৰ বিষয়া আৰু জোৱানসহ মুঠ ৫৭ গৰাকী কাৰ্মিক আৰু ৰে'লৱে সুৰক্ষা



বাহিনীৰ ১০ গৰাকী জোৱানে উৎসাহেৰে অংশগ্ৰহণ কৰে। এই সময়ছোৱাত ৰে'লৱে ষ্টেচনৰ চৌহদ আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলসমূহত ব্যাপকভাৱে পৰিষ্কাৰ-পৰিচ্ছন্নতা অভিযান চলাই স্বচ্ছতা আৰু পৰিষ্কাৰ পৰিৱেশ বজাই ৰখাৰ বাৰ্তা প্ৰদান কৰা হয়। এই উপলক্ষে উপস্থিত সংবাদ মাধ্যমৰ প্ৰতিনিধিসকলক সম্বোধন কৰি প্ৰকাশ চন্দ্ৰ বসবালে সশস্ত্ৰ সীমা বলে স্বচ্ছতা হি সেৱা অভিযান-২০২৬ৰ অধীনত ভাৰত-ভূটান সীমান্ত অঞ্চলত অনুষ্ঠিত কৰি থকা বিভিন্ন স্বচ্ছতা আৰু জনসজাগতা কাৰ্যসূচীসমূহৰ বিষয়ে অৱগত কৰে। তেওঁ সাধাৰণ ৰাইজক স্বচ্ছতাক দৈনন্দিন জীৱনৰ এক অবিচ্ছেদ্য অংগ হিচাপে গ্ৰহণ কৰাৰ লগতে স্বচ্ছ আৰু স্বাস্থ্যকৰ পৰিৱেশ গঢ়ি তোলাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। স্বচ্ছতা অভিযানৰ সময়ত উপস্থিত লোকসকলে সশস্ত্ৰ সীমা বলৰ এই পদক্ষেপৰ শলাগ লোৱাৰ লগতে ভৱিষ্যতেও এনে ধৰণৰ জনহিতকৰ কাৰ্যসূচী নিয়মীয়াকৈ আয়োজন কৰাৰ আশা প্ৰকাশ কৰে।

সম্পাদকীয়

গণতান্ত্ৰিক আস্থাৰ স্বাৰ্থত স্বচ্ছতাৰ প্ৰয়োজনীয়তা

ভাৰতীয় গণতন্ত্ৰৰ মূল ভেটিটো হৈছে মুক্ত, নিৰপেক্ষ আৰু স্বচ্ছ নিৰ্বাচনী ব্যৱস্থা। এই সমগ্ৰ ব্যৱস্থাটো সুচাৰুৰূপে পৰিচালনা কৰাৰ সাংবিধানিক দায়িত্ব ভাৰতীয় নিৰ্বাচন আয়োগৰ (ECI) ওপৰত ন্যস্ত। কিন্তু শেহতীয়া সময়ছোৱাত নিৰ্বাচন আয়োগক লৈ দেশজুৰি যি তীব্ৰ বিতৰ্ক আৰু আলোচনাৰ সৃষ্টি হৈছে, সি কেৱল ৰাজনৈতিক বাকযুদ্ধতে সীমাবদ্ধ হৈ থকা নাই; বৰঞ্চ ই আমাৰ গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহৰ নিৰপেক্ষতা আৰু স্বতন্ত্ৰতাক লৈ এক ডাঙৰ প্ৰশ্নবোধক চিন থিয় কৰাইছে।

শেহতীয়াকৈ ভোটাৰ তালিকাৰ বিশেষ পৰিশোধন প্ৰক্ৰিয়া (Special Intensive Revision - SIR) আৰু আয়োগৰ অভ্যন্তৰীণ সিদ্ধান্ত গ্ৰহণৰ পদ্ধতিসমূহক লৈ সৃষ্টি হোৱা অনাস্থাই বাতৰিশিৰোনাম দখল কৰিছে। বিৰোধী দলসমূহে আয়োগৰ কাৰ্যপদ্ধতি, বিশেষকৈ ভোটাৰ তালিকাৰ পৰা কোটি কোটি নাম কৰ্তন কৰা আৰু কেন্দ্ৰীভূত ডিজিটেল ব্যৱস্থাৰ অপব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন কৰি মুখ্য নিৰ্বাচনী আয়ুক্তৰ পদত্যাগৰ দাবী জনাইছে। ইফালে, আয়োগৰ ভিতৰচ'ৰাত মতবিৰোধ ঘটাৰ খবৰে ৰাইজৰ মনত সংশয় আৰু অধিক বৃদ্ধি কৰিছে, য'ত অভিযোগ উঠিছে যে মূল নীতিগত সিদ্ধান্তসমূহ লোৱাৰ সময়ত সকলো আয়ুক্তৰ সমভাগিতা সুনিশ্চিত কৰা হোৱা নাই।

নিৰ্বাচন আয়োগৰ পক্ষৰ পৰা স্পষ্ট কৰা হৈছে যে ভোটাৰ তালিকা নিকা কৰা, ভুৱা ভোটাৰ আঁতৰোৱা আৰু সমগ্ৰ প্ৰক্ৰিয়াটো তথ্য-প্ৰযুক্তিৰ জৰিয়তে স্বচ্ছ কৰি তোলাৰ বাবেই নতুন পদক্ষেপসমূহ গ্ৰহণ কৰা হৈছে। ভুৱা নাম অন্তৰ্ভুক্তিকৰণ ৰোধ কৰিবলৈ কেন্দ্ৰীয় ব্যৱস্থাৰ প্ৰয়োজন আৰু আয়োগৰ ভিতৰত সুস্থ আলোচনা আৰু বিভিন্ন মত থকাটো এক স্বাভাৱিক প্ৰশাসনিক প্ৰক্ৰিয়া। আয়োগৰ মতে, সকলো চূড়ান্ত সিদ্ধান্ত অৱশেষত বিধিসন্মতভাৱে আৰু সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হয়।

আনফালে, বিৰোধী দল আৰু বহু সচেতন নাগৰিকে অভিযোগ কৰিছে যে ভোটাৰ তালিকা পৰিশোধনৰ নামত প্ৰকৃত ভোটাৰৰ অধিকাৰ খৰ্ব কৰা হৈছে। জিলা পৰ্যায়ৰ নিৰ্বাচনী বিষয়াৰ (ERO) স্বায়ত্তশাসন হ্ৰাস কৰি সকলো কেৱল ডিজিটেলভাৱে কেন্দ্ৰীভূত কৰাৰ ফলত স্থানচ্যুতি বা প্ৰযুক্তিগত ত্ৰুটিৰ বাবে সাধাৰণ মানুহে ভোটদানৰ অধিকাৰ হেৰুৱাবলগীয়া হৈছে। নিৰ্বাচন আয়োগৰ দৰে এক সাংবিধানিক সংস্থাৰ সৰ্বোচ্চ পৰ্যায়ত স্বচ্ছতাৰ অভাৱ ঘটিলে ই জনসাধাৰণৰ আস্থাৰ ওপৰত আঘাত হানে।

ভাৰতীয় সংবিধানৰ ৩২৪ নম্বৰ অনুচ্ছেদে নিৰ্বাচন আয়োগক যি স্বায়ত্তশাসন আৰু নিৰপেক্ষতাৰ অধিকাৰ দিছে, তাক অক্ষুণ্ণ ৰখাটো প্ৰতিটো চৰকাৰ আৰু দলৰ দায়িত্ব। নিৰ্বাচন আয়োগ কেৱল এক প্ৰশাসনিক অনুষ্ঠান নহয়, ই হৈছে ভাৰতীয় গণতন্ত্ৰৰ সততাৰ ৰক্ষক। আয়োগৰ ভিতৰত হওক বা বাহিৰত, যিকোনো মতবিৰোধ বা অভিযোগক গালগালিৰে উৰুৱাই দিয়াতকৈ সংসদ আৰু ন্যায়পালিকাৰ নিয়ম অনুসৰি সংবিধান সন্মতভাৱে সমাধান কৰা উচিত। ভোটাৰ তালিকা সংস্কাৰ কৰাৰ সময়ত যাতে এজনো যোগ্য দেশবাসীৰ নাম বাদ ন পৰে, সেয়া সুনিশ্চিত কৰাটো আয়োগৰ প্ৰথম দায়িত্ব।

নিৰ্বাচন আয়োগৰ প্ৰতি ৰাইজৰ বিশ্বাস পুনৰ ঘূৰাই অনাৰ বাবে আয়োগে নিজৰ সিদ্ধান্তসমূহ সম্পূৰ্ণ স্বচ্ছ আৰু অংশগ্ৰহণমূলক কৰিব লাগিব। গণতন্ত্ৰ সংৰক্ষণ কৰিবলৈ হ'লে আয়োগ কেৱল নিৰপেক্ষ হ'লেই নহ'ব, ই যে সম্পূৰ্ণ নিৰপেক্ষভাৱে কাম কৰি আছে, সেয়া সমগ্ৰ দেশবাসীৰ চকুত দৃশ্যমানো হ'ব লাগিব।



অংকীয়া ভাওনা

আধ্যাত্মিক উত্তৰণ, সমাজ সংস্কাৰৰ কালজয়ী যাত্ৰা

গায়ন-বায়ন অংকীয়া ভাওনাৰ আন এক গুৰুত্বপূৰ্ণ অংগ। গায়নে গীত পৰিৱেশন কৰে আৰু বায়নে খোল বজায়। ভাওনা আৰম্ভ হোৱাৰ পূৰ্বে গায়ন-বায়নে মঞ্চত সাত পাক ঘূৰে- এই আচাৰ-অনুষ্ঠানক পৱিত্ৰতাৰ প্ৰতীক হিচাপে গণ্য কৰা হয়। সংগীত, তাল, লয় আৰু পদসঞ্চালনৰ সুষম সমন্বয়ৰ দ্বাৰা গায়ন-বায়নে অনুষ্ঠানটোক আধ্যাত্মিক উচ্চতালৈ উন্নীত কৰে। সৰু ধেমালি, বৰ ধেমালি, ঘোষা ধেমালি আদি বিভিন্ন পৰিৱেশনে ভাওনাৰ নান্দনিকতা বৃদ্ধি কৰে। পৰম্পৰাগত সাজ-পোছাক, মথুৰা পাগ, চন্দনৰ ফোঁট আৰু শৃংখলাবদ্ধ উপস্থাপনে ভাওনাৰ গাম্ভীৰ্য অধিক উজ্জ্বল কৰি তোলে। গায়ন-বায়ন কেৱল সংগীতানুষ্ঠান নহয়, ই আধ্যাত্মিক পৰিৱেশ সৃষ্টিৰ এক প্ৰাথমিক ঢাপ। শংকৰদেৱে অংকীয়া নাট সমূহৰ জৰিয়তে সমাজ সংস্কাৰৰ শক্তিশালী বাৰ্তা আগবঢ়াইছিল। 'ৰুক্মিণী হৰণ' নাটখন তাৰ এক উল্লেখযোগ্য উদাহৰণ। এই নাট ভাগত- ভাগৱত পুৰাণৰ 'কৃষ্ণ-ৰুক্মিণী'ৰ কাহিনীক আধাৰ হিচাপে লৈ গুৰুজনাই যি ভক্তি ৰসৰ অমৃত ধাৰা বোৱাই দিছিল, সেয়া কেৱল আধ্যাত্মিক জগততে সীমাবদ্ধ নাথাকি সামাজিক শৃংখলা ৰক্ষাৰ ক্ষেত্ৰতো সুদূৰপ্ৰসাৰী হৈ পৰিছিল।

অসমীয়া সমাজ-সংস্কৃতিৰ মহীৰুহ, যুগদ্ৰষ্টা, একশৰণ হৰিনাম ধৰ্মৰ প্ৰৱৰ্তক, সাহিত্য-সংগীত-নাট্যৰ স্ৰষ্টা আৰু মহান সমাজ সংস্কাৰক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আছিল এজন কালজয়ী ব্যক্তিত্ব সম্পন্ন অৱতাৰী পুৰুষ। অসমীয়া তথা ভাৰতীয় সাংস্কৃতিক আৰু আধ্যাত্মিক জীৱনলৈ আগবঢ়োৱা তেওঁৰ অনন্য অৱদানৰ বাবেই তেওঁ 'মহাপুৰুষ' আখ্যাৰে সন্মানিত। ধৰ্মীয় জাগৰণ, সাহিত্য সৃষ্টিৰ নৱ দিশ, সংগীত আৰু নাট্যকলাৰ সৃজনশীল বিকাশ- এই সকলো ক্ষেত্ৰত তেওঁ একে সময়তে নিত্য নতুন সৃষ্টিও কৰিছিল আৰু সমাজ-ধৰ্মৰ সংস্কাৰো সাধন কৰিছিল। তেওঁৰ বহুমুখী প্ৰতিভাৰ অন্যতম উজ্জ্বল নিদৰ্শন হ'ল 'অংকীয়া নাট' আৰু তাৰ মঞ্চায়িত ৰূপ- 'ভাওনা'।

অংকীয়া ভাওনা কেৱল ধৰ্মীয় উপস্থাপনেই নহয়, ই আছিল এক সুদূৰপ্ৰসাৰী সামাজিক আন্দোলনৰ সাংস্কৃতিক ৰূপ। পোন্ধৰশ শতিকাত অসমৰ সমাজ জীৱন ধৰ্মীয় গোড়ামি, অন্ধবিশ্বাস, কুসংস্কাৰ আৰু কঠোৰ জাতিভেদ প্ৰথাৰ কবলত পৰিছিল। ধৰ্মীয় জ্ঞানৰ অধিকাৰ বিশেষ শ্ৰেণীৰ মাজত সীমিত আছিল। সাধাৰণ ৰাইজৰ বাবে শাস্ত্ৰৰ সাৰমৰ্ম অনুধাৱন কৰাটো দুৰূহ আছিল। এনে এক জটিল সময়ত শংকৰদেৱে উপলব্ধি কৰিছিল যে, সমাজক একত্ৰিত কৰিবলৈ হ'লে এনে এক মাধ্যমৰ প্ৰয়োজন, যিয়ে একেলগে ধৰ্মীয় জ্ঞান, নৈতিক শিক্ষা আৰু নান্দনিক আনন্দ প্ৰদান কৰিব পাৰে। এই উপলব্ধিৰ ফলশ্ৰুতিতেই অংকীয়া নাট আৰু ভাওনাৰ জন্ম। অসমীয়া নাট্য পৰম্পৰাৰ বীজ অংকুৰিত হৈছিল মহাপুৰুষজনাৰ কালজয়ী সৃষ্টি 'চিহ্নযাত্ৰা'ৰ জৰিয়তে। শঙ্কৰদেৱে পূৰ্ণাঙ্গ নাট ৰচনা কৰাৰ আগতে এই 'চিহ্নযাত্ৰা' নাটভাগ ৰচি তাৰ ভাওনা কৰাইছিল বৰদোৱাত। ডঃ মহেশ্বৰ নেওগে তেখেতৰ শ্ৰীশ্ৰীশঙ্কৰদেৱ গ্ৰন্থত উল্লেখ কৰিছে- 'এই চিহ্নযাত্ৰাই অসমীয়া সঙ্গীত আৰু নাট্যকলাৰ এক অভূতপূৰ্ব অভিনৱ অধ্যায় আৰু ভাৰতীয় সঙ্গীত আৰু নাট্যসাহিত্যৰ বুৰঞ্জীৰ এটি নতুন পাত মুকলি কৰি দিয়ে।' মহাপুৰুষজনাই ডেকা কালতে 'চিহ্নযাত্ৰা'ৰ বাবে সাত বৈকুণ্ঠৰ পট অংকন কৰি গীত-বাদ্য আৰু নৃত্যৰ যি অপূৰ্ব সমন্বয় ঘটাইছিল, সেয়াই পৰৱৰ্তী সময়ৰ পূৰ্ণাংগ অংকীয়া নাট আৰু ভাওনাৰ মজবুত ভেটি স্থাপন কৰিছিল। চিহ্নযাত্ৰাই কেৱল এক নাট্য ধাৰাৰ সূচনা কৰাই নাছিল, বৰঞ্চ ই আছিল অসমীয়া সমাজক দৃশ্য-শ্ৰব্য মাধ্যমৰ সহায়ত আধ্যাত্মিকতাৰ এক নৱ দিগন্তৰ সৈতে পৰিচয় কৰাই দিয়াৰ প্ৰথমটো বলিষ্ঠ পদক্ষেপ।

শংকৰদেৱৰ পূৰ্বে ধৰ্মীয় গ্ৰন্থ সমূহ মূলতঃ সংস্কৃত ভাষাত সীমাবদ্ধ আছিল। সংস্কৃত ভাষা সাধাৰণ মানুহৰ বাবে দুৰ্বোধ্য হোৱাত ধৰ্মীয় জ্ঞান একচেটিয়া ৰূপে উচ্চবৰ্ণৰ মাজতেই আবদ্ধ থাকিছিল। এই বাধা আঁতৰাবলৈ গুৰুজনাই নাট্যশৈলী গ্ৰহণ কৰি শাস্ত্ৰ সমূহৰ জটিল তত্ত্ব সহজ, সৰল আৰু হৃদয়গ্ৰাহী ৰূপত উপস্থাপন কৰিলে। গীত, সংলাপ, অভিনয় আৰু সংগীতৰ সমন্বয়ে তেওঁ ধৰ্মীয় আখ্যান সমূহক জনমুখী কৰি তুলিলে। তদুপৰি 'ব্ৰজাৱলী' নামৰ সাহিত্যিক ভাষাৰ সৃষ্টিৰে তেওঁ এক সৰ্বজনীন বোধগম্যতা নিশ্চিত কৰিলে। অসমীয়া, মৈথেলী আৰু ব্ৰজভাষাৰ সংমিশ্ৰণেৰে গঠিত এই ভাষাই বিভিন্ন অঞ্চলৰ মানুহক একে সূত্ৰত আবদ্ধ কৰিলে। ফলস্বৰূপে ধৰ্মীয় শিক্ষা, লিখা-পঢ়া কৰা লোকৰ মাজতেই সীমাবদ্ধ নাথাকি অশিক্ষিত লোকেও চকুৰে দেখি আৰু কাণেৰে শুনি আধ্যাত্মিক জ্ঞান লাভ কৰিব পাৰিলে। এইদৰে অংকীয়া ভাওনা এক সজীৱ আধ্যাত্মিক পাঠশালা হিচাপে প্ৰতিষ্ঠিত হয় আৰু ধৰ্মীয় অধিকাৰ সকলোৰে বাবে উন্মুক্ত হয়।

অংকীয়া ভাওনাৰ গাঁথনিত 'সূত্ৰধাৰ'ৰ ভূমিকা বিশেষ তাৎপৰ্যপূৰ্ণ। নাটৰ আৰম্ভণিতে সূত্ৰধাৰে মঞ্চত উপস্থিত হৈ কাহিনীৰ পটভূমি দৰ্শকৰ আগত উন্মোচন কৰে। তেওঁ দৰ্শক আৰু নাট্যঘটনাৰ মাজত এক সজীৱ সংযোগ স্থাপন কৰে। সূত্ৰধাৰ কেৱল পৰিচালক নহয়, তেওঁ একাধাৰে বৰ্ণনাকাৰ, উপদেশক আৰু আধ্যাত্মিক পথপ্ৰদৰ্শক। নান্দী শ্লোক, ভটিমা আৰু গীতৰ জৰিয়তে তেওঁ নাটকৰ অন্তৰ্নিহিত তাৎপৰ্য ব্যাখ্যা কৰে। তেওঁৰ কণ্ঠস্বৰ, ভংগী আৰু উপস্থিতিত ভাওনাৰ মঞ্চ পৱিত্ৰতা আৰু গাম্ভীৰ্যৰে পৰিপূৰ্ণ হয়। সূত্ৰধাৰৰ মাধ্যমেৰে নাট্যপ্ৰদৰ্শন এক আধ্যাত্মিক অভিজ্ঞতালৈ ৰূপান্তৰিত হয়, য'ত দৰ্শকে নিজকে সমৱেত সাধনাৰ অংশ বুলি অনুভৱ কৰে।



নলিনী ৰঞ্জন ভূঞা

গায়ন-বায়ন অংকীয়া ভাওনাৰ আন এক গুৰুত্বপূৰ্ণ অংগ। গায়নে গীত পৰিৱেশন কৰে আৰু বায়নে খোল বজায়। ভাওনা আৰম্ভ হোৱাৰ পূৰ্বে গায়ন-বায়নে মঞ্চত সাত পাক ঘূৰে- এই আচাৰ-অনুষ্ঠানক পৱিত্ৰতাৰ প্ৰতীক হিচাপে গণ্য কৰা হয়। সংগীত, তাল, লয় আৰু পদসঞ্চালনৰ সুষম সমন্বয়ৰ দ্বাৰা গায়ন-বায়নে অনুষ্ঠানটোক আধ্যাত্মিক উচ্চতালৈ উন্নীত কৰে। সৰু ধেমালি, বৰ ধেমালি, ঘোষা ধেমালি আদি বিভিন্ন পৰিৱেশনে ভাওনাৰ নান্দনিকতা বৃদ্ধি কৰে। পৰম্পৰাগত সাজ-পোছাক, মথুৰা পাগ, চন্দনৰ ফোঁট আৰু শৃংখলাবদ্ধ উপস্থাপনে ভাওনাৰ গাম্ভীৰ্য অধিক উজ্জ্বল কৰি তোলে। গায়ন-বায়ন কেৱল সংগীতানুষ্ঠান নহয়, ই আধ্যাত্মিক পৰিৱেশ সৃষ্টিৰ এক প্ৰাথমিক ঢাপ।

শংকৰদেৱে অংকীয়া নাট সমূহৰ জৰিয়তে সমাজ সংস্কাৰৰ শক্তিশালী বাৰ্তা আগবঢ়াইছিল। 'ৰুক্মিণী হৰণ' নাটখন তাৰ এক উল্লেখযোগ্য উদাহৰণ। এই নাট ভাগত- ভাগৱত পুৰাণৰ 'কৃষ্ণ-ৰুক্মিণী'ৰ কাহিনীক আধাৰ হিচাপে লৈ গুৰুজনাই যি ভক্তিৰসৰ অমৃত ধাৰা বোৱাই দিছিল, সেয়া কেৱল আধ্যাত্মিক জগততে সীমাবদ্ধ নাথাকি সামাজিক শৃংখলা ৰক্ষাৰ ক্ষেত্ৰতো সুদূৰপ্ৰসাৰী হৈ পৰিছিল। এই নাটখনিৰ জৰিয়তে 'একশৰণ নাম ধৰ্ম'ৰ প্ৰসাৰ ঘটাই শ্ৰীকৃষ্ণক সৰ্বোচ্চ ঈশ্বৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ লগতে সেই সময়ৰ সমাজত শিপাই থকা জাতি-ভেদ আৰু ধৰ্মীয় গোড়ামিৰ বিৰুদ্ধেও এক শক্তিশালী প্ৰত্যাহ্বান জনোৱা হৈছিল। এই নাটখনৰ অন্যতম বিশেষত্ব হ'ল নাৰীৰ মৰ্যাদা আৰু স্বাধীনতাৰ বলিষ্ঠ উপস্থাপন। শংকৰদেৱে ৰুক্মিণীৰ চৰিত্ৰটোক কেৱল এগৰাকী শান্ত ৰাজকন্যা হিচাপে নহয়, বৰঞ্চ নিজৰ অধিকাৰ আৰু পছন্দৰ বাবে সাহসী সিদ্ধান্ত ল'ব পৰা এক প্ৰগতিশীল নাৰীৰ ৰূপত গঢ় দিছিল। ৰুক্মিণীৰ জৰিয়তে তেওঁ এইটোৱে প্ৰতিষ্ঠা কৰিছিল যে- এগৰাকী নাৰীৰ নিজৰ জীৱনৰ সিদ্ধান্ত লোৱাৰ পূৰ্ণ অধিকাৰ আছে। সেই যুগৰ সমাজ ব্যৱস্থাত নিজৰ জীৱনসংগী নিৰ্বাচনৰ ক্ষেত্ৰত ৰুক্মিণীয়ে দেখুওৱা দৃঢ়তা আছিল গুৰুজনাৰ এক অত্যন্ত উন্নত আৰু আধুনিক চিন্তাৰ পৰিচায়ক। একেদৰে, শিশুপাল আৰু জৰাসন্ধৰ দৰে অহংকাৰী তথা অন্যায়ী শক্তিক পৰাস্ত কৰি তেওঁ সমাজৰ দুৰ্বল আৰু নিপীড়িত শ্ৰেণীক সাহস আৰু আশ্বাস প্ৰদান কৰিছিল। সৰ্বোপৰি, ধৰ্মীয় বিশ্বাস আৰু সংস্কৃতিৰ মাজেৰে সমাজৰ প্ৰতিটো স্তৰৰ মানুহক একত্ৰিত কৰি এক সুস্থ আৰু সবল অসমীয়া জাতীয় সত্তা গঠনত 'ৰুক্মিণী হৰণ' নাটখনি আজিও এক অপৰিহাৰ্য মাইলৰ খুঁটি হিচাপে বিবেচিত হৈ আহিছে।

একেদৰে গুৰুজনাৰ দ্বাৰা বিৰচিত 'কালিয় দমন' নাটখনো কেৱল ধৰ্মীয় কাহিনীৰ মাজতে সীমাবদ্ধ নহৈ সমাজ সংস্কাৰ আৰু নৈতিক মূল্যবোধ প্ৰতিষ্ঠাৰ বলিষ্ঠ দলিল হিচাপে পৰিগণিত হৈছে। এই নাটখনৰ জৰিয়তে গুৰুজনাই শ্ৰীকৃষ্ণৰ মাহাত্ম্য প্ৰদৰ্শন কৰি বৈষ্ণৱ ধৰ্মৰ প্ৰসাৰ ঘটোৱাৰ লগতে সমাজৰ পৰা উচ্চ-নীচৰ ভেদভাৱ আঁতৰাই এক সাম্যবাদী সমাজ গঢ়াৰ প্ৰয়াস কৰিছিল। কালিনাগৰ দৰ্প চূৰ্ণ কৰি শ্ৰীকৃষ্ণই যিদৰে সত্য আৰু ধৰ্মৰ জয় ঘোষণা কৰিছে, সিয়ে সমাজৰ অন্যায়, হিংসা আৰু অশুভ শক্তিক প্ৰতিহত কৰাৰ এক শক্তিশালী নৈতিক শিক্ষা প্ৰদান কৰে। একেদৰে যশোদা আৰু নাগপত্নী সকলৰ চৰিত্ৰৰ জৰিয়তে সমাজত নাৰীৰ মৰ্যাদা আৰু আধ্যাত্মিক শক্তিক স্বীকৃতি দিয়া হৈছে। নাটখনত যমুনাৰ পানী দুষিত কৰাৰ যি প্ৰসংগ আছে, সি সমাজৰ কু-সংস্কাৰ আৰু অশুভ আচৰণক প্ৰতীকি ৰূপ প্ৰদান কৰিছে যাক শুদ্ধ কৰাৰ আহ্বানো নাটখনত নিহিত আছে। সৰ্বোপৰি, ভাওনাৰ মাধ্যমেৰে এই নাটখনে নিৰক্ষৰ লোকসকলৰ মাজতো ধৰ্মীয় আৰু নৈতিক চেতনাৰ সঞ্চাৰ কৰি এক বিৰাট সাংস্কৃতিক জাগৰণৰ সূচনা কৰিছিল, যিয়ে ঐক্যবদ্ধ আৰু সুস্থ সমাজ গঢ়াত আজিও অৰিহণা যোগাই আহিছে।

ভাওনাৰ এক অনন্য আকৰ্ষণ আৰু নান্দনিক দিশ হ'ল 'মুখাশিল্প'। গুৰুজনাই গম্ভীৰ আৰু অলৌকিক চৰিত্ৰসমূহ (যেনে— গৰুড়, নৰসিংহ, বকাসুৰ আদি) জীৱন্ত কৰি তুলিবলৈ মুখাৰ ব্যৱহাৰ কৰিছিল। বাঁহ, বেত, মাটি আৰু কাপোৰেৰে নিৰ্মিত এই মুখা সমূহে চৰিত্ৰৰ ভাৱ আৰু ৰূপক দৰ্শকৰ মানসপটত স্পষ্টকৈ ফুটাই তোলে। এই শিল্পই কেৱল ভাওনাক বৈচিত্ৰ্যময় কৰাই নহয়, বৰঞ্চ ই অসমীয়া লোককলাক এক সুকীয়া পৰিচয় আৰু মৰ্যাদা প্ৰদান কৰিছে।

অংকীয়া ভাওনাৰ অন্যতম বৈপ্লৱিক দিশ আছিল জাতিভেদ প্ৰথাৰ বিৰোধিতা। নামঘৰ সকলোৰে বাবে উন্মুক্ত আছিল আৰু তথাকথিত নিম্নবৰ্ণৰ লোকেও ভাওনাত দেৱতা বা ঋষিৰ চৰিত্ৰত অভিনয় কৰিব পাৰিছিল। এই ব্যৱস্থাই অস্পৃশ্যতাৰ ভাৱ লাঘৱ কৰি সমতাৰ চেতনাক সুদৃঢ় কৰিলে। ধৰ্মীয় আখ্যান সমূহৰ মাধ্যমেৰে ৰামায়ণ-মহাভাৰতৰ নৈতিক শিক্ষা সমাজত প্ৰচাৰিত হৈছিল। অধৰ্মৰ বিৰুদ্ধে ধৰ্মৰ জয়, অহংকাৰৰ পতন আৰু সত্যৰ বিজয়- এই মূল্যবোধ সমূহ ভাওনাৰ জৰিয়তে দৰ্শকৰ হৃদয়ত গভীৰভাৱে প্ৰতিষ্ঠিত হৈছিল। নাৰী চৰিত্ৰ সমূহেও শংকৰদেৱৰ নাট সমূহত যথোচিত মৰ্যাদা পাইছে। সীতাৰ ধৈৰ্য, ৰুক্মিণীৰ দৃঢ়তা, ব্ৰাহ্মণ পত্নী সকলৰ কৃষ্ণ ভক্তি, যশোদাৰ পুত্ৰস্নেহ আৰু নাগপত্নী সকলৰ ক্ষমাশীল আৰু ভক্তিমূলক ৰূপটো সমাজৰ নাৰীসকলৰ বাবে অনুপ্ৰেৰণাৰ উৎস হৈ পৰিছিল। ভাওনা চোৱাৰ পৰম্পৰাই পাৰিবাৰিক বন্ধন দৃঢ় কৰিছিল আৰু ধৰ্মীয় জ্ঞান পৰিয়ালৰ সকলো সদস্যৰ মাজত বিস্তাৰ কৰিছিল। এইদৰে ভাওনা সামাজিক ঐক্য, নৈতিক শৃংখলা আৰু আধ্যাত্মিক উন্নতিৰ এক সামগ্ৰিক মাধ্যম হিচাপে পৰিগণিত হয়।

আজিৰ বিশ্বায়নৰ যুগত পশ্চিমীয়া সংস্কৃতিৰ প্ৰবল ঢৌৰ মাজতো অসমীয়া যুৱপ্ৰজন্মৰ মাজত ভাওনাৰ জনপ্ৰিয়তা বৃদ্ধি পোৱাটো এক আশাব্যঞ্জক দিশ। বৰ্তমান সময়ত কেৱল গাঁৱৰ নামঘৰতেই নহয়, চহৰৰ আধুনিক মঞ্চতো ভাওনা প্ৰদৰ্শন হ'বলৈ ধৰিছে। বিভিন্ন প্ৰান্তত অনুষ্ঠিত হোৱা 'ভাওনা সমাৰোহ' বা গাঁৱে গাঁৱে থকা নামঘৰ সমূহত হোৱা ভাওনাত যুৱক-যুৱতীৰ স্বতঃস্ফূৰ্ত অংশ গ্ৰহণে প্ৰমাণ কৰে যে, এই সংস্কৃতিৰ শিপা আমাৰ অন্তৰত কিমান গভীৰ। আধুনিক প্ৰযুক্তি আৰু পোহৰৰ ব্যৱহাৰে ভাওনাক বৰ্তমানৰ দৰ্শকৰ বাবে অধিক আকৰ্ষণীয় কৰি তুলিছে, যাৰ ফলত এই প্ৰাচীন নাট্যধাৰা আজিও প্ৰাণৱন্ত হৈ আছে।

পৰিশেষত ক'ব পাৰি যে- অংকীয়া ভাওনা কেৱল সাংস্কৃতিক অনুষ্ঠান নহয়, ই অসমীয়া সমাজৰ আধ্যাত্মিক আৰু সামাজিক চেতনাৰ আধাৰ। গায়ন-বায়নৰ খোলৰ তাল, সূত্ৰধাৰৰ তত্ত্বগধুৰ বচন আৰু নাট্যঘটনাৰ নৈতিক শিক্ষা- এই সকলো উপাদান মিলি ভাওনাক এক জীৱন্ত সাধনা ক্ষেত্ৰত পৰিণত কৰিছে। সাম্প্ৰতিক সময়ত সমাজ নানা বিভাজন আৰু নৈতিক স্খলনৰ সন্মুখীন হোৱা অৱস্থাত শংকৰদেৱৰ এই মহান সৃষ্টিৰ প্ৰাসংগিকতা অধিক অনুভূত হয়। অংকীয়া ভাওনাৰ অন্তৰ্নিহিত সাম্য, ভ্ৰাতৃত্ব আৰু আধ্যাত্মিকতাৰ বাণী হৃদয়ংগম কৰিব পাৰিলে এখন বৈষম্যহীন, নৈতিক আৰু সুশৃংখল সমাজ গঢ়ি তোলা সম্ভৱ। সেয়েহে ভাওনা অসমীয়া জাতীয় জীৱনৰ এক চিৰন্তন সম্পদ আৰু সমাজ সংস্কাৰ তথা আধ্যাত্মিক উত্তৰণৰ এক শক্তিশালী বাহক হিচাপে আজিও সমানভাৱে প্ৰাসংগিক।

দায়িত্বশীল পৰ্যটনৰ প্ৰয়োজনীয়তা

পদ্ম মৰাণ

প্ৰকৃতিৰ অপৰূপ মহিমা আৰু বৈচিত্ৰ্যময় সম্ভাৰেৰে উপচি থকা আমাৰ এই জন্মভূমি কেৱল অনবিল সৌন্দৰ্যৰ এক আধাৰেই নহয়, ই আমাৰ স্বাভিমান, কৃষ্টি আৰু অস্তিত্বৰো মূল শিপা। উত্তৰে নীলাচলৰ সপোনময় পৰিৱেশ, বিশাল ব্ৰহ্মপুত্ৰৰ লুইতৰ বুকুত উপঙি থকা সুচল চৰ-চাপৰি, কাজিৰঙা, মানস, ডিব্ৰু-ছৈখোৱা আৰু অৰুণাচলৰ পাদদেশৰ সঘন অৰণ্য তথা তাৰ অপূৰ্ব জৈৱ-বৈচিত্ৰ্যই বিশ্বৰ মানচিত্ৰত অসমক এক সুকীয়া চিনাকি প্ৰদান কৰিছে। এই প্ৰাকৃতিক ঐশ্বৰ্যই যুগে-যুগে আমাৰ লোকসংস্কৃতি, সাহিত্য আৰু জীৱনবোধক সঞ্জীৱিত কৰি আহিছে। কিন্তু দুৰ্ভাগ্যজনকভাৱে, আধুনিকতাৰ অগ্ৰগতি আৰু বাণিজ্যৰ প্ৰসাৰৰ নামত আজি যি অনিয়ন্ত্ৰিত তথা পৰিকল্পনাহীন পৰ্যটনৰ আৱাহন ঘটিছে, সি আমাৰ এই অমূল্য পৰিৱেশীয় ভাৰসাম্যৰ প্ৰতি এক অভূতপূৰ্ব ভাবুকি কঢ়িয়াই আনিছে। এনে এক সংকটজনক ক্ষণত 'দায়িত্বশীল পৰ্যটন' কেৱল এক সাময়িক ধাৰণাই হৈ থকা নাই, ই আমাৰ পৰিৱেশ সংৰক্ষণ আৰু ঐতিহ্য ৰক্ষাৰ বাবে সময়ৰ এক অতিকৈ জৰুৰী আহ্বানত পৰিণত হৈছে।

পৰ্যটন উদ্যোগটোৱে ৰাজ্যখনৰ অৰ্থনীতিৰ চকাটো ঘূৰোৱাৰ লগতে সহস্ৰাধিক স্থানীয় লোকলৈ সংস্থানৰ নতুন পথ প্ৰশস্ত কৰিছে— এই কথা নিশ্চিত। কিন্তু ক্ষণিকৰ ব্যৱসায়িক লাভৰ অংকত যদি আমাৰ সুৰক্ষিত অৰণ্য আৰু সংবেদনশীল পৰিস্থিতিক তন্ত্ৰ চৰমভাৱে বিনষ্ট হয়, তেন্তে সেয়া হ'ব আমাৰ আগন্তুক ভৱিষ্যতৰ বাবে এক অপূৰণীয় ক্ষতি। প্ৰত্যেক অভয়াৰণ্য বা পৰ্যটন স্থলীৰে নিজস্ব এক বহনক্ষম ক্ষমতা বা 'কেৰিং কেপাচিটি' থাকে। তাৰ সীমা উলংঘা কৰি অনিয়ন্ত্ৰিতভাৱে লোকসমাগম হ'বলৈ দিলে বন্যপ্ৰাণীৰ স্বাভাৱিক জীৱন প্ৰণালী, খাদ্যৰ সন্ধান, সুৰক্ষিত বিচৰণ আৰু প্ৰজনন প্ৰক্ৰিয়াত গভীৰ ব্যাঘাত জন্মে। আমি পাহৰি যোৱা উচিত নহয় যে প্ৰকৃতিক জীৱন্ত আৰু সংৰক্ষিত কৰি ৰাখিহে এটা উদ্যোগ হিচাপে পৰ্যটনক চিৰস্থায়ী ৰূপত আগবঢ়াই নিব পাৰি; প্ৰকৃতিক ধ্বংস কৰি ব্যৱসায়ৰ প্ৰসাৰ ঘটালে অৱশেষত নিজৰ পবিত্ৰ ভিটিতেই ভেজা হেৰুৱাব লাগিব।

ইফালে, আমাৰ অভয়াৰণ্যৰ দাঁতি-কাষৰীয়া এলেকা, শান্ত নদীৰ পাৰ আৰু পাহাৰীয়া নিৰ্জন পৰিৱেশবোৰত পৰ্যটকসকলে দায়িত্বজ্ঞানহীনভাৱে এৰি থৈ অহা প্লাষ্টিকৰ বোতল, পেকেট, থাৰ্মকল আৰু অজস্ৰ আৱৰ্জনাই এই সেউজ সৌন্দৰ্যক দিনক-দিনে গ্ৰাস কৰি আনিছে। প্লাষ্টিক প্ৰদূষণ কেৱল দৃশ্যগত কুৎসিততাহে নহয়, ই বৰষুণৰ পানীৰ সৈতে ধুই গৈ নদী-বিলৰ জলজ পৰিস্থিতিক তন্ত্ৰ বিষাক্ত কৰাৰ লগতে বন্যপ্ৰাণীৰ খাদ্য শৃংখলতো ভয়ংকৰ আঘাত হানিবলৈ ধৰিছে। প্লাষ্টিকৰ জাবৰে আমাৰ জলজ সম্পদ আৰু অৰণ্যৰ উশাহ বন্ধ কৰি পেলাইছে। সেয়েহে সংৰক্ষিত পৰ্যটন স্থানসমূহত কঠোৰ বৰ্জ্য ব্যৱস্থাপনা ব্যৱস্থা প্ৰয়োগ কৰাৰ লগতে 'জিৰ' প্লাষ্টিক নীতি' বা প্লাষ্টিক বৰ্জন সিদ্ধান্ত নিষ্ঠাৰে পালন কৰাটো অতি সাম্প্ৰতিক প্ৰয়োজন হৈ পৰিছে।

দায়িত্বশীল পৰ্যটনৰ অন্যতম মূল দৰ্শন হ'ল স্থানীয় থলুৱা জনসাধাৰণক এই সমগ্ৰ ব্যৱস্থাটোৰ মূল অংশীদাৰ কৰি তোলা। অৰণ্য আৰু প্ৰাকৃতিক সম্পদ সুৰক্ষিত কৰি ৰখাৰ দায়িত্বত যুগ যুগ ধৰি যিসকল লোক প্ৰত্যক্ষভাৱে জড়িত হৈ আহিছে, তেওঁলোক যেতিয়া পৰ্যটনৰ পৰা সোশৰীৰে অৰ্থনৈতিকভাৱে উপকৃত হ'ব, তেতিয়াহে পৰিৱেশ সংৰক্ষণৰ আন্দোলনে এক সঁচা অৰ্থ লাভ কৰিব। থলুৱা কৃষ্টি-সংস্কৃতি, পৰম্পৰাগত নিৰ্মাণশৈলী, থলুৱা আতিথ্য আৰু থলুৱা খাদ্য-হস্তশিল্পক পৰ্যটনৰ মুখ্য আকৰ্ষণ কৰি তুলিলে গাঁৱৰ সম্ভাৱনাপূৰ্ণ ডেকা-গাভৰুৱে নিজৰ ঘৰতেই সংস্থাপনৰ মুখ দেখিব। ইয়াৰ ফলত প্ৰকৃতিৰ সংৰক্ষণ আৰু সুৰক্ষাৰ প্ৰতি তেওঁলোকৰ সজাগতা আৰু সামাজিক দায়বদ্ধতা দ্বিগুণে বৃদ্ধি পাব। থলুৱা লোকসকলৰ অভিজ্ঞতা আৰু প্ৰাকৃতিক জ্ঞানক পৰ্যটনৰ সহায়ক হিচাপে ব্যৱহাৰ কৰিলে পৰ্যটকসকলেও স্থানীয় কৃষ্টিৰ প্ৰকৃত সোৱাদ পাব।

একেদৰে, পৰ্যটনৰ বিকাশৰ নামত বনাঞ্চলৰ সমীপত কংক্ৰিটৰ অৰণ্য গঢ়ি তোলাৰ অনিয়ন্ত্ৰিত ব্যৱসায়িক মানসিকতাত প্ৰশাসনে তৎকালীনভাৱে লাগাম লগোৱা দৰকাৰ। নিশাৰ ভাগত অভয়াৰণ্যৰ সংবেদনশীল সীমাতে উচ্চ শব্দৰ মাইক বজোৱা, শব্দ প্ৰদূষণ কৰা, ৰং-ৰূপৰ পোহৰেৰে প্ৰাকৃতিক নিৰ্জনতা ভঙ্গ কৰা আৰু নিৰ্ধাৰিত নিয়ম উলংঘা কৰা ৰিজৰ্ট বা অনুষ্ঠিত বিলাসী ব্যৱস্থাৰ বিৰুদ্ধে চৰকাৰে তীক্ষ্ণ দৃষ্টি ৰখা প্ৰয়োজন। কংক্ৰিটৰ আধুনিক ভৱন নিৰ্মাণ কৰাৰ সলনি পৰিৱেশ-অনুকূল কাঠ, বাঁহ, টিন আৰু থলুৱা সঁজুলিৰে নিৰ্মিত ইক'-ৰিযৰ্টসমূহক উৎসাহিত কৰিব লাগে, যাতে পৰ্যটকে প্ৰকৃতিৰ আচল সংস্পৰ্শলৈ আহিও ইয়াৰ কোনো অনিষ্ট সাধন নকৰে। পৰিস্থিতি-অনুকূল স্থাপত্যই পৰ্যটনক এক সুকীয়া নান্দনিক মাত্ৰা প্ৰদান কৰিব। পৰ্যটন খণ্ডক শৃংখলাবদ্ধ আৰু সুসংগঠিত কৰাৰ ক্ষেত্ৰত চৰকাৰী বিভাগসমূহৰ লগতে স্থানীয় সামাজিক অনুষ্ঠান আৰু সংবাদ মাধ্যমৰো গুৰুত্বপূৰ্ণ দায়িত্ব আছে। পৰ্যটন স্থানসমূহত দায়িত্বশীল ভ্ৰমণ সম্পৰ্কে সচেতনতামূলক ফলক লগোৱা, নিৰ্দিষ্ট নিয়ম-কানুনসমূহ পঢ়ি শুনোৱা আৰু পৰিৱেশ মিত্ৰ গাইড নিয়োগ কৰাটো প্ৰশাসনিক দায়িত্ব হ'ব লাগে। সংবাদ মাধ্যমে নিয়মিতভাৱে দায়িত্বশীল পৰ্যটনৰ শুভ ফল আৰু অনিয়ন্ত্ৰিত ভ্ৰমণৰ ভয়াৱহতাৰ ওপৰত সজাগতামূলক আলোচনা আৰু বাতৰি পৰিৱেশন কৰিলে জনসাধাৰণৰ মনত ইয়াৰ গভীৰ প্ৰভাৱ পৰিব।

সকলোতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল, কেৱল চৰকাৰী আইনী ব্যৱস্থা বা প্ৰশাসনৰ পহৰাই এখন অভয়াৰণ্য বা এখন নদীক চিৰদিনলৈ ৰক্ষা কৰিব নোৱাৰিব; ইয়াৰ বাবে প্ৰতিজন ভ্ৰমণকাৰী আৰু পৰ্যটকৰ বিবেক তথা মানসিকতাত এক গভীৰ নৈতিক দায়বদ্ধতা সাৰ পাই উঠিব লাগিব। কোনো স্থান ভ্ৰমণ কৰিবলৈ যোৱাৰ অৰ্থ কেৱল কেইখনমান সুন্দৰ ছবি তোলা বা উপভোগ কৰাই নহয়, সেই স্থানডোখৰৰ পৰিৱেশিক ভাৰসাম্য, প্ৰাকৃতিক নিৰ্জনতা আৰু মূল স্বকীয়তা অক্ষুণ্ণ ৰখাটো আমাৰ সকলোৰে পৰম নাগৰিক দায়িত্ব। প্ৰকৃতি কোনো উপভোগৰ বস্তু নহয়, ই আমাৰ প্ৰাণৰো প্ৰাণ। আমাক এনে এক পৰ্যটন পৰিকাঠামো লাগে, যিয়ে প্ৰকৃতি আৰু জীৱ-জগতক মোহাৰি নেপেলাই আমাৰ অৰ্থনীতিক এক মানৱীয় আৰু শক্তিশালী ভেটি প্ৰদান কৰিব পাৰে। প্ৰকৃতি আমাক কেৱল উপযোগ আৰু ধ্বংস কৰিবলৈ দিয়া আমাৰ পূৰ্বপুৰুষৰ এক একচ্ছত্ৰী সম্পত্তি নহয়, ই হ'ল আমাৰ উত্তৰপুৰুষৰ পৰা ঋণ ধাৰে লোৱা এক পবিত্ৰ আমানত।

এম.আৰ.পি.ৰ ওপৰত অতিৰিক্ত মূল্য

বজাৰলৈ গ'লে বৰ্তমান এক অতি অস্বস্তিকৰ অভিজ্ঞতাৰ সন্মুখীন হ'বলগীয়া হয়। গ্ৰীষ্মৰ প্ৰচণ্ড ৰ'দত ডিঙি তিয়াবলৈ যেতিয়া আমি দোকানৰ পৰা এটা পানীৰ বটল, কেম্পা (Campa), স্প্ৰাইট (Sprite) বা আন কোনো শীতল পানীয় কিনিবলৈ যাওঁ, তেতিয়া দোকানীজনে এক অদ্ভুত নিয়মৰ কথা কয়। বটলটো ফ্ৰিজৰ পৰা আনি হাতত দিলেই তেওঁ কয় যে ৩০ টকীয়া বটলটোৰ দাম ৩৫ টকা হ'ব, কাৰণ বটলটো ফ্ৰিজত ঠাণ্ডা কৰি ৰখা হৈছিল।

প্ৰতিটো পেকেটজাত সামগ্ৰী বা শীতল পানীয়ৰ বটলৰ গাত স্পষ্টকৈ MRP (Maximum Retail Price) বা সৰ্বোচ্চ খুচুৰা মূল্য ছপা হৈ থাকে। এই নিৰ্ধাৰিত মূল্যৰ ভিতৰতে উৎপাদক কোম্পানীয়ে পৰিবহণ খৰচ, বিক্ৰেতাৰ লাভাংশ আৰু আনুষঙ্গিক সকলো ব্যয় সাঙুৰি ধৰা হয় বুলি ধৰা হয়। আইনগতভাৱে কোনো দোকানীয়ে গ্ৰাহকৰ পৰা এই নিৰ্ধাৰিত সৰ্বোচ্চ মূল্যতকৈ এটা পইছাও বেছি ল'ব নোৱাৰে। কিন্তু বৰ্তমান বহু দোকানতে কেম্পা, স্প্ৰাইট বা পানীৰ বটল ফ্ৰিজত ৰখাৰ অজুহাতত এম.আৰ.পি.তকৈ ৫ বা ১০ টকা অতিৰিক্ত লোৱাৰ এক অসংগত প্ৰথা গঢ় লৈ উঠিছে।

এই প্ৰৱণতাই আমাৰ বজাৰ ব্যৱস্থাৰ এক কু-ৰূপ উন্মোচন কৰে। যিসকল সাধাৰণ বা মধ্যবিত্ত গ্ৰাহক দৈনিক বজাৰৰ খৰচ হিচাপ কৰি চলিবলগীয়া হয়, তেওঁলোকৰ বাবে প্ৰতিটো বটলতে এনেদৰে অতিৰিক্ত টকা আদায় কৰাটো এক ধৰণৰ বিত্তীয় আঘাত। দোকানখনে যেতিয়া বজাৰত শীতল পানীয় বিক্ৰী কৰিবলৈ বহে, তেতিয়া গ্ৰাহকক সেৱা দিয়াটো তেওঁলোকৰ ব্যৱসায়ৰ অংশ। ফ্ৰিজত ঠাণ্ডা কৰা বটলৰ বিনিময়ত এম.আৰ.পি.তকৈ অধিক মূল্য দাবী কৰাটো পোনপটীয়াভাৱে গ্ৰাহকৰ সৈতে হোৱা এক প্ৰকাৰৰ প্ৰৱঞ্চনা।



অৱশ্যে বৰ্তমান বিদ্যুৎ মাচুল যি হাৰত বৃদ্ধি পাইছে, তাৰ বাবে সৰু দোকানীসকলৰ খৰচ বৃদ্ধি পাইছে বুলি তেওঁলোকে যুক্তি দেখুৱাব পাৰে। কিন্তু তাৰ সমাধান গ্ৰাহকৰ ওপৰত জোৰকৈ অতিৰিক্ত বিত্তীয় হেঁচা প্ৰয়োগ কৰাটো হ'ব নোৱাৰে। সামগ্ৰিক লাভাংশৰ পৰা যদি এই ব্যয়সমূহ বহন কৰা নহয়, তেন্তে গ্ৰাহকে কিয় প্ৰতিটো বটলৰ বিপৰীতে নিয়ম ভঙা অতিৰিক্ত মূল্য দিব লাগিব?

যি দেশত গ্ৰাহক সুৰক্ষা আইন আছে, তাত এনেধৰণৰ মুকলি লুণ্ঠন দীৰ্ঘদিন চলি থাকিব নোৱাৰে। এই ক্ষেত্ৰত আমাৰ নিজৰো সজাগতাৰ অভাৱ আছে। সামান্য টকাৰ বাবে বা বিবাদত নপৰাৰ বাবে আমি প্ৰতিবাদ নকৰি মৌন হৈ থাকোঁ, আৰু সেইবাবেই এই প্ৰৱণতা দিনক দিনে বৃদ্ধি পাইছে। ফ্ৰিজৰ ঠাণ্ডা পানী বা কেম্পা-স্প্ৰাইটৰ বটলৰ নামত চলি থকা এই অতিৰিক্ত মূল্য সংগ্ৰহৰ অসৎ প্ৰথা শীঘ্ৰেই বন্ধ হোৱা উচিত। গ্ৰাহকে উচিত মূল্য দি সঠিক সেৱা পোৱাটো তেওঁলোকৰ ন্যায্য অধিকাৰ, আৰু দোকানীয়েও নীতিগতভাৱে ব্যৱসায় পৰিচালনা কৰি সমাজত এক সুস্থ পৰিৱেশ গঢ়ি তোলাটো বাঞ্ছনীয়।

কুণ্ডিল হাজৰিকা
যোৰহাট, ভগামুখ

ডিব্ৰুগড়ত প্ৰসূতি মৃত্যু, নৱজাতক মৃত্যু আৰু সংক্ৰমণ প্ৰতিৰোধ তথা নিয়ন্ত্ৰণ ব্যৱস্থা সন্দৰ্ভত গুৰুত্বপূৰ্ণ সন্মিলনত স্বাস্থ্যমন্ত্ৰী অশোক সিংঘাল



অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৫ ছেপ্টেম্বৰ ঃ প্ৰসূতিৰ মৃত্যু আৰু নৱজাতকৰ মৃত্যুৰ হাৰ অধিক হ্ৰাস কৰাৰ লগতে ৰাজ্যৰ স্বাস্থ্য প্ৰতিষ্ঠানসমূহত সংক্ৰমণ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ ব্যৱস্থা অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে আজি ডিব্ৰুগড়ৰ মনোহৰী টি ৰিজৰ্টৰ সন্মিলন কক্ষত 'মাতৃমৃত্যু, শিশুমৃত্যু আৰু সংক্ৰমণ প্ৰতিৰোধ তথা নিয়ন্ত্ৰণ ব্যৱস্থা' শীৰ্ষক এখন গুৰুত্বপূৰ্ণ সন্মিলন অনুষ্ঠিত হয়। অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ তথা চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী অশোক সিংহলৰ উপস্থিতিত অনুষ্ঠিত এই সন্মিলনত স্বাস্থ্য বিভাগৰ জ্যেষ্ঠ বিষয়া, চিকিৎসা মহাবিদ্যালয় সমূহৰ প্ৰতিনিধি, চিকিৎসক, জিলা স্বাস্থ্য প্ৰশাসনৰ বিষয়া আৰু সংশ্লিষ্ট অংশীদাৰসকলে অংশগ্ৰহণ কৰে। সন্মিলনখনত মাতৃ আৰু শিশুৰ স্বাস্থ্যসেৱাৰ মান উন্নত কৰাৰ লগতে সংক্ৰমণ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণৰ ক্ষেত্ৰত এক সমন্বিত আৰু ফলপ্ৰসূ ব্যৱস্থা গঢ়ি তোলাৰ বিভিন্ন দিশত বিস্তৃত আলোচনা কৰা হয়। এই গুৰুত্বপূৰ্ণ সন্মিলনখনত অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ আয়ুক্ত সচিব ডাঃ পি. অশোক বাবু, চিকিৎসা শিক্ষা সঞ্চালক ডাঃ মনোজ কুমাৰ চৌধুৰী, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, কাৰ্যবাহী সঞ্চালক ডাঃ অভিজিৎ শৰ্মা আৰু অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতিৰ লগতে ৰাজ্যৰ বিভিন্ন চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক, মুৰব্বী অধ্যাপক আৰু জিলাসমূহৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকসকল উপস্থিত থাকে। সংশ্লিষ্ট বিষয়াৰ উপস্থিতিয়ে মাতৃ আৰু শিশুৰ স্বাস্থ্যসেৱা উন্নত কৰা আৰু সংক্ৰমণ প্ৰতিৰোধ তথা নিয়ন্ত্ৰণ ব্যৱস্থা অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত ৰাজ্যৰ বিভিন্ন স্তৰৰ স্বাস্থ্য ব্যৱস্থাৰ মাজত সমন্বয়ৰ গুৰুত্বকে প্ৰতিফলিত কৰে। সন্মিলনৰ আৰম্ভণিতে ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে আদৰণী ভাষণ প্ৰদান কৰে। ইয়াৰ পিছতে চিকিৎসা শিক্ষা সঞ্চালক অধ্যাপক ডাঃ মনোজ কুমাৰ চৌধুৰীয়ে সন্মিলনখনৰ উদ্দেশ্য আৰু প্ৰাসংগিকতা সম্পৰ্কে বক্তব্য আগবঢ়ায়। তেওঁ মাতৃ আৰু শিশুৰ স্বাস্থ্য সুৰক্ষাৰ ক্ষেত্ৰত বিভিন্ন স্তৰৰ স্বাস্থ্য প্ৰতিষ্ঠানৰ মাজত সমন্বয়, সময়মতে চিকিৎসা প্ৰদান আৰু গুণগত স্বাস্থ্যসেৱা নিশ্চিত কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সন্মিলনৰ এক উল্লেখযোগ্য কাৰ্যসূচী হিচাপে সংক্ৰমণ নিয়ন্ত্ৰণৰ মানসম্পন্ন কাৰ্যপদ্ধতি(এচ অ পি) আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। তদুপৰি এই বিষয় সন্দৰ্ভত এটা পৰ্টেলো উন্মোচন কৰা হয়। স্বাস্থ্য প্ৰতিষ্ঠানসমূহত সংক্ৰমণ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণৰ ক্ষেত্ৰত একে ধৰণৰ মানদণ্ড, নিৰ্দিষ্ট কৰ্মপদ্ধতি আৰু সুশৃংখল ব্যৱস্থা নিশ্চিত কৰাত এই কাৰ্যপদ্ধতিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। সন্মিলনত মুখ্য ভাষণ প্ৰদান কৰি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ তথা চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী অশোক সিংহালে মাতৃ আৰু শিশুৰ জীৱনৰ সুৰক্ষাৰ ক্ষেত্ৰত গুণগত স্বাস্থ্যসেৱাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁ সুৰক্ষিত প্ৰসূতি সেৱা, সময়মতে চিকিৎসা, জটিল অৱস্থাৰ ক্ষিপ্ৰ চিনাক্তকৰণ আৰু উপযুক্ত চিকিৎসা ব্যৱস্থা গ্ৰহণৰ লগতে স্বাস্থ্য প্ৰতিষ্ঠানসমূহত সংক্ৰমণ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ ব্যৱস্থা শক্তিশালী কৰাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। সন্মিলনত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ আয়ুক্ত তথা সচিব ডাঃ পি. অশোক বাবুৱে সংক্ৰমণ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ ব্যৱস্থা সন্দৰ্ভত এক গুৰুত্বপূৰ্ণ উপস্থাপন আগবঢ়ায়। মাতৃ আৰু শিশুৰ স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত সঠিক নিৰীক্ষণ, সময়োপযোগী হস্তক্ষেপ আৰু উন্নত চিকিৎসা ব্যৱস্থাৰ প্ৰয়োজনীয়তাৰ ওপৰতো সংশ্লিষ্ট বিশেষজ্ঞসকলে মত বিনিময় কৰে। সন্মিলনৰ অন্যতম গুৰুত্বপূৰ্ণ বিষয় আছিল ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়সমূহৰ জৰিয়তে জিলাসমূহক পৰামৰ্শ আৰু কাৰিকৰী সহায় প্ৰদান কৰা। মাতৃমৃত্যু আৰু শিশুমৃত্যুৰ হাৰ অধিক হ্ৰাস কৰাৰ ক্ষেত্ৰত চিকিৎসা মহাবিদ্যালয়সমূহে জিলা স্বাস্থ্য ব্যৱস্থাক কাৰিকৰী সহায়, বিশেষজ্ঞ পৰামৰ্শ আৰু প্ৰয়োজনীয় দিশ-নিৰ্দেশনা প্ৰদান কৰাৰ বিভিন্ন দিশত আলোচনা কৰা হয়। বিশেষকৈ মাতৃমৃত্যুৰ অনুপাত আৰু শিশুমৃত্যুৰ হাৰ অধিক হ্ৰাস কৰাৰ বাবে জিলাভিত্তিক কৌশল, স্বাস্থ্য সেৱাৰ বিভিন্ন স্তৰৰ মাজত সমন্বয় আৰু উচ্চ বিপদাপন্ন মাতৃ তথা শিশুৰ সময়মতে চিনাক্তকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। বিভিন্ন চিকিৎসা মহাবিদ্যালয়ৰ প্ৰতিনিধিসকলে নিজ নিজ জিলাৰ বাবে ইতিমধ্যে গ্ৰহণ কৰা পদক্ষেপ আৰু আগন্তুক সময়ত গ্ৰহণ কৰিবলগীয়া পৰিকল্পনাৰ বিষয়ে উপস্থাপন কৰে। সন্মিলন খনত চিকিৎসা মহাবিদ্যালয়সমূহৰ জৰিয়তে জিলাসমূহৰ স্বাস্থ্যসেৱাৰ মান উন্নত কৰা আৰু মাতৃমৃত্যু তথা শিশু মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ বাবে গ্ৰহণ কৰিবলগীয়া কৌশল সন্দৰ্ভত বিস্তৃত আলোচনা কৰা হয়। ইয়াৰ উপৰি সন্মিলনত মস্তিষ্কজনিত পক্ষাঘাতৰ ঘটনাসমূহ সন্দৰ্ভত এক বিশেষ চিন্তন অধিৱেশন অনুষ্ঠিত হয়। এই আলোচনাত প্ৰাথমিক পৰ্যায়ত চিনাক্তকৰণ, সময়মতে চিকিৎসা, পুনৰ্বাসন আৰু পৰিচৰ্যাৰ লগতে পৰিয়াল আৰু স্বাস্থ্য ব্যৱস্থাৰ ভূমিকা সম্পৰ্কে বিভিন্ন দিশ আলোচনা কৰা হয়। দিনটোৰ অন্তিম পৰ্যায়ত ৰাজ্যৰ মাতৃমৃত্যু আৰু শিশুমৃত্যুৰ হাৰ অধিক হ্ৰাস কৰাৰ বাবে এক ভৱিষ্যৎ কৰ্মপন্থা প্ৰস্তুত কৰাৰ উদ্দেশ্যে বিশেষ আলোচনা অনুষ্ঠিত হয়। এই আলোচনাত ৰাজ্য, জিলা আৰু স্বাস্থ্য প্ৰতিষ্ঠানৰ বিভিন্ন স্তৰত গ্ৰহণ কৰিবলগীয়া পদক্ষেপ, সেৱা প্ৰদানৰ ক্ষেত্ৰত সমন্বয়, তথ্যভিত্তিক পৰিকল্পনা আৰু ফলপ্ৰসূ ৰূপায়ণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। সন্মিলনৰ সামৰণি পৰ্যায়ত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ তথা চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী অশোক সিংহলে সামৰণি বক্তব্য প্ৰদান কৰে। তেওঁ মাতৃ আৰু শিশুৰ জীৱন সুৰক্ষিত কৰাৰ বাবে স্বাস্থ্যসেৱাৰ গুণগত মান উন্নত কৰাৰ লগতে প্ৰতিটো স্তৰতে দায়িত্বশীল আৰু সমন্বিত ব্যৱস্থা নিশ্চিত কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সন্মিলনখনৰ জৰিয়তে ৰাজ্যত মাতৃ আৰু শিশুৰ স্বাস্থ্যসেৱা অধিক শক্তিশালী কৰাৰ লগতে স্বাস্থ্য প্ৰতিষ্ঠানসমূহত সংক্ৰমণ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণৰ বাবে এক অধিক সুসংগঠিত ব্যৱস্থা গঢ়ি তোলাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হয়। চিকিৎসা মহাবিদ্যালয়, জিলা স্বাস্থ্য ব্যৱস্থা আৰু সংশ্লিষ্ট অংশীদাৰসকলৰ মাজত অধিক সমন্বয় আৰু অভিজ্ঞতা বিনিময়ৰ জৰিয়তে ৰাজ্যৰ স্বাস্থ্যসেৱাৰ মান অধিক উন্নত কৰাৰ ক্ষেত্ৰত সন্মিলনখনে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

'নমামি ভাৰতম'ৰ মঞ্চত সমবেত কণ্ঠত বন্দে মাতৰম্; ১৫০ বছৰ পূৰ্তিত দেশজুৰি উদযাপন

'বন্দে মাতৰম্' সমগ্ৰ ৰাষ্ট্ৰৰ চেতনা, ঐক্য আৰু গৌৰৱৰ স্বৰ; জেনেৰেল উপেন্দ্ৰ দ্বিবেদী



ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ ছেপ্টেম্বৰ ঃ ৰাষ্ট্ৰীয় গীত 'বন্দে মাতৰম্'ৰ ১৫০ বছৰ পূৰ্তি উপলক্ষে শুকুৰবাৰে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত 'নমামি ভাৰতম' শীৰ্ষক এক বিশেষ অনুষ্ঠান অনুষ্ঠিত হয়। বিদ্যা ভাৰতী অখিল ভাৰতীয় শিক্ষা সংস্থানৰ সংবদ্ধ শিশু শিক্ষা সমিতি, অসমৰ উদ্যোগত অনুষ্ঠিত অনুষ্ঠানটোত দেশপ্ৰেম, ৰাষ্ট্ৰীয় চেতনা আৰু স্বাধীনতা সংগ্ৰামীসকলৰ ত্যাগক স্মৰণ কৰা হয়। উদ্যোগত আয়োজিত অনুষ্ঠানত পুৱা ১১ বজাত সমগ্ৰ দেশৰ সৈতে একেলগে সমবেত কণ্ঠত গোৱা হয় 'বন্দে মাতৰম্'। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ভাৰতীয় সেনাৰ প্ৰাক্তন সেনাপ্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদী। ইয়াৰ লগতে উপস্থিত থাকে অৱসৰপ্ৰাপ্ত এয়াৰ ভাইচ মাৰ্শাল সঞ্জীৱ বৰদলৈ, বিদ্যাভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ সংগঠন মন্ত্ৰী ড° পৱন তিৱাৰী, সম্পাদক ড° জগদিন্দ্ৰ ৰায় চৌধুৰী, শিশু শিক্ষা সমিতি, অসমৰ সভাপতি কুলেন্দ্ৰ কুমাৰ ভগৱতী, নামামি ভাৰতমৰ সংযোজক গৌৰৱ কলিতা আৰু অসম গৌৰৱ মীনাক্ষী দাস সহ বিদ্যা ভাৰতীৰ বিভিন্ন বিষয়ববীয়া, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, নাগৰিক সমাজৰ প্ৰতিনিধি, মাতৃ-ভগ্নী আৰু বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰী। অনুষ্ঠানত ভাষণ প্ৰদান কৰি ড° পৱন তিৱাৰীয়ে কয় যে 'বন্দে মাতৰম্' কেৱল এটা গীত নহয়, ই ভাৰতৰ ৰাষ্ট্ৰীয় চেতনা, সাংস্কৃতিক একাত্মতা আৰু গৌৰৱৰ স্বৰ। 'বন্দে মাতৰম্'ৰ ১৫০ বছৰ পূৰ্তি সমগ্ৰ দেশৰ বাবেই এক গৌৰৱৰ মুহূৰ্ত বুলি তেওঁ উল্লেখ কৰে। পূৰ্বোত্তৰ ভাৰতৰ সাংস্কৃতিক আৰু আধ্যাত্মিক ঐতিহ্যৰ কথা উল্লেখ কৰি তেওঁ কয় যে মা কামাখ্যাৰ পবিত্ৰ ভূমি, শ্ৰীমন্ত শংকৰদেৱৰ আধ্যাত্মিক চেতনা আৰু বীৰ লাচিত বৰফুকনৰ বীৰত্বৰ পৰা অনুপ্ৰাণিত হৈ পূৰ্বোত্তৰৰ পৰা উচ্চাৰিত 'বন্দে মাতৰম্'ৰ ধ্বনি সমগ্ৰ ভাৰতৰ ৰাষ্ট্ৰীয় একাত্মতাৰেই স্বৰ। মুখ্য অতিথি জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে কয় যে তেওঁ এই অনুষ্ঠানত প্ৰাক্তন সেনাপ্ৰধান হিচাপে নহয়, বৰং সৰস্বতী শিশু মন্দিৰৰ এজন প্ৰাক্তন ছাত্ৰ হিচাপেহে উপস্থিত হৈছে। তেওঁ কয়, "পূৰ্বোত্তৰ এনে ঠাই নহয় য'ত ভাৰত শেষ হয়; বৰং ইয়াৰ পৰাই ভাৰতৰ আৰম্ভণি হয়। পূৰ্বোত্তৰ ভাৰতৰ প্ৰকৃত প্ৰৱেশদ্বাৰ।" যুৱ সমাজক ৰাষ্ট্ৰ নিৰ্মাণত সক্ৰিয় ভূমিকা গ্ৰহণৰ আহ্বান জনাই জেনেৰেল দ্বিবেদীয়ে কয় যে 'বন্দে মাতৰম্' সমগ্ৰ ৰাষ্ট্ৰৰ এক যুদ্ধঘোষৰ দৰে, যাৰ পৰিচয় ভাৰত আৰু যাৰ লক্ষ্য ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰত নিৰ্মাণ। তেওঁ যুৱ প্ৰজন্মক Attitude, Adaptability আৰু Ability—অৰ্থাৎ ইতিবাচক মানসিকতা, পৰিস্থিতিৰ সৈতে খাপ খুৱাই লোৱাৰ সামৰ্থ্য আৰু যোগ্যতা—জীৱনত গ্ৰহণ কৰিবলৈ আহ্বান জনায়। জেনেৰেল দ্বিবেদীয়ে কয় যে আজিৰ যুৱক-যুৱতী কেৱল Problem Finder নহয়, Problem Fixer হ'ব লাগিব। ইয়াৰ বাবে ইতিবাচক চিন্তা, দায়িত্ববোধ, সাহস আৰু প্ৰতিকূল পৰিস্থিতিৰ সৈতে যুঁজ দিয়াৰ মানসিকতা প্ৰয়োজন। ইয়াৰলগতে তেওঁ Learn, Unlearn and Relearn-ৰ নীতি গ্ৰহণ কৰাৰ আহ্বান জনাই ভাৰতীয় সংস্কাৰ, মূল্যবোধ আৰু চিন্তাধাৰা অটুট ৰাখি আধুনিক প্ৰযুক্তিকো আত্মসাৎ কৰাৰ পৰামৰ্শ দিয়ে। পূৰ্বোত্তৰৰ বীৰ আৰু ৰাষ্ট্ৰীয় নায়কসকলক স্মৰণ কৰি জেনেৰেল দ্বিবেদীয়ে বীৰ লাচিত বৰফুকন আৰু কনকলতা বৰুৱাৰ অৱদানৰ কথাও উল্লেখ কৰে। তেওঁৰ মতে, পূৰ্বোত্তৰ কেৱল ভাৰতৰ ভৌগোলিক সীমান্ত নহয়; ই দেশৰ শক্তি, নেতৃত্ব আৰু ৰাষ্ট্ৰীয় একতাৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ। ভাৰতীয় সেনা, এন চি চি আৰু বিদ্যা ভাৰতীয়ে দেশৰ বৈচিত্ৰ্যক শক্তিলৈ ৰূপান্তৰিত কৰাৰ কাম কৰি আহিছে বুলি উল্লেখ কৰি তেওঁ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক নতুন প্ৰজন্মক পথ প্ৰদৰ্শন কৰিবলৈ আৰু সমাজৰ নাগৰিকসকলক যুৱ প্ৰজন্মৰ বাবে নতুন সুযোগৰ দুৱাৰ মুকলি কৰিবলৈ আহ্বান জনায়। যুৱ সমাজক প্ৰতিদিনে 'শূন্য-দহ'ৰ অভ্যাস গঢ়ি তুলিবলৈ পৰামৰ্শ দি তেওঁ কয়- প্ৰতিদিনে পুৱা ১০ মিনিট মোবাইলৰ পৰা আঁতৰত থাকি নিজৰ লক্ষ্য, কৃতজ্ঞতা আৰু দিনটোৰ সংকল্পৰ বিষয়ে চিন্তা কৰা উচিত। তেওঁ যুৱ প্ৰজন্মক যি ক্ষেত্ৰতেই কাম নকৰক কিয়, নিজৰ প্ৰতিভা আৰু সামৰ্থ্যৰ জৰিয়তে ভাৰতক অধিক শক্তিশালী কৰাৰ সংকল্প গ্ৰহণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানৰ শেষত শংকৰদেৱ শিশু নিকেতন, বিৰুবাৰীৰ প্ৰধানাচাৰ্য অৰূপ বুজৰবৰুৱাই শলাগৰ শৰাই আগবঢ়ায়। ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি পৰে।

বাঘজান গাঁৱক বাঘজান আৰক্ষী থানাত বাহাল ৰখাৰ দাবীৰে সংবাদমেল সম্বোধন

বাঘজান আৰক্ষী থানাৰ অধীনৰ পৰা বাঘজান গাঁৱক কৰ্তন কৰি বাৰেকুৰি থানাত অন্তৰ্ভুক্ত কৰাক লৈ উদ্বিগ্ন বাঘজানবাসী



অসম বাৰ্তা, তিনিচুকীয়া বিশেষ, ২৫ ছেপ্টেম্বৰ ঃ অসমৰ বিধানসভা সমষ্টিৰ পুনৰ সীমা নিৰ্ধাৰণৰ পিছতে শেহতীয়াকৈ আৰক্ষী থানাৰ সীমা নিৰ্ধাৰণ প্ৰক্ৰিয়া সম্পন্ন কৰি চলিত বৰ্ষৰ যোৱা ১ ছেপ্টেম্বৰৰ পৰা সমগ্ৰ অসমতে কাৰ্যকৰী হোৱাকৈ অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰী, অতিৰিক্ত সচিব ধীৰাজ চৌদৰ স্বাক্ষৰিতত ইতিমধ্যে নিৰ্দেশনা জাৰি কৰিছে। উল্লেখ্য, নিৰ্দেশনা অনুসৰি তিনিচুকীয়া জিলাৰ ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত বাঘজান আৰক্ষী থানাৰ অধীনত থকা বাঘজান গাঁও আৰু বাঘজান চাহ বাগিচা প্ৰায়ে ১৬-২০ কিলোমিটাৰ দূৰত্বত অৱস্থিত বাৰেকুৰি আৰক্ষী থানাত অন্তৰ্ভুক্ত কৰিছে। ইয়াৰ পিছতে বাঘজানবাসীৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বাঘজান আৰক্ষী থানা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বাঘজান গাঁৱৰ লগতে চাহ বাগিচাৰ ৰাইজৰ যথেষ্ট অৱদান তথা অৰিহণা আছে। কিন্তু সেই ৰাইজৰ অৱদানক ধূলিসাৎ কৰি সম্প্ৰতি দূৰৈত অৱস্থিত অন্য এখন থানাত অন্তৰ্ভুক্ত কৰা বিষয়টো বাঘজানবাসীয়ে সহজভাৱে মানি লোৱা নাই। বাঘজান গাঁও মিলনজ্যোতি যুৱ সংঘ, অসম মৰাণ সভা, সদৌ মৰাণ ছাত্ৰ সন্থা, বাঘজান শাখা সমিতি, অসম চাহ মজদুৰ সংঘ, বাঘজান প্ৰাথমিক গোট, অসম চাহ জনজাতি ছাত্ৰ সন্থা, বাঘজান (উত্তৰ) প্ৰাথমিক গোটৰ উদ্যোগত ইতিমধ্যে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, স্থানীয় বিধায়ক সঞ্জয় কিষাণ, জিলা আয়ুক্ত, জিলা আৰক্ষী অধীক্ষকসহ বহুকেইগৰাকী বিষয়ালৈ বাঘজান গাঁও আৰু বাঘজান চাহ বাগিচা দুইটা অঞ্চল বাঘজান আৰক্ষী থানাত বাহাল ৰখাৰ দাবীৰে আবেদন জনাইছে। যদিও, আবেদনৰ কোনো সঁহাৰি নোপোৱাত আজি বাঘজান চাহ বাগিচাৰ চাৰিআলি খেলপথাৰৰ সভাগৃহত সংবাদমেল সম্বোধন কৰি বাঘজান আৰক্ষী থানাত অন্তৰ্ভুক্ত বাঘজান গাঁৱক বাৰেকুৰি থানাত অন্তৰ্ভুক্ত কৰাক লৈ উদ্বিগ্ন প্ৰকাশ কৰে। লগতে আগন্তুক ২৮ ছেপ্টেম্বৰত গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰে। সমান্তৰালকৈ সমগ্ৰ বাঘজান অঞ্চলত সকলো চাহ ফেক্টৰী, অইল ইণ্ডিয়াৰ তৈল খনন, পৰিবহণ সকলোবোৰ বন্ধ কৰাৰ হুংকাৰ প্ৰদান কৰে। সংবাদমেলত বাঘজান গাঁও মিলনজ্যোতি যুৱ সংঘৰ সভাপতি তিলক নেওগ, সাধাৰণ সম্পাদক জিণ্টু হাজৰিকা, অসম মৰাণ সভাৰ বাঘজান শাখাৰ সভাপতি ৰূপম মৰাণ, সাধাৰণ সম্পাদক অনুপম নেওগ, সদৌ মৰাণ ছাত্ৰ সন্থা, বাঘজান শাখা সমিতিৰ সভাপতি বাবুল মৰাণ, সাধাৰণ সম্পাদক বুলবুল মৰাণ, অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা), বাঘজান প্ৰাথমিক গোট, বাঘজান নৰ্থ চাইট বাঘজান প্ৰাথমিক গোট, অসম চাহ মজদুৰ সংঘ, বাঘজান প্ৰাথমিক গোটৰ প্ৰতিনিধিসকলৰ লগতে অৰ্ধশতাধিক ৰাইজ উপস্থিত থাকে।

শুকানগুৰি চাহ বাগিছাত নৱম ৰাষ্ট্ৰীয় পোষণ মাহ উপলক্ষে "আমাৰ অংগনবাড়ী আমাৰ দায়িত্ব" কাৰ্যসূচী



অসম বাৰ্তা, মাকুম, ২৫ ছেপ্টেম্বৰ ঃ তিনিচুকীয়া জিলাৰ হাপজান শিশু উন্নয়ন প্ৰকল্পৰ অধীনত শুকানগুৰি চাহ বাগিছা জগন্নাথ দক্ষতা বিকাশ আৰু সামূহিক কেন্দ্ৰত আজি দিনজোৰা কাৰ্যসূচীৰে নৱম ৰাষ্ট্ৰীয় পোষণ মাহ উপলক্ষে শীৰ্ষক "আমাৰ অংগনবাড়ী আমাৰ দায়িত্ব" কাৰ্যসূচী পালন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্জ্বলন কৰি উপস্থিত থকা অতিথি সকলক একোখনকৈ ফুলাম গামোছা সহ একোটিকৈ গছ পুলি প্ৰদান কৰা হয়। অনুষ্ঠানৰ আঁত ধৰে হাপজান শিশু উন্নয়ন খণ্ডৰ প্ৰকল্প সহায়িকা উষা প্ৰিয়া নেওগে। অনুষ্ঠানৰ জৰিয়তে স্থানীয়ভাৱে সহজলভ্য শাক-পাচলি তথা ঘৰুৱাভাৱে ৰান্ধি খাব পৰা বিভিন্ন খাদ্য সামগ্ৰীৰ জৰিয়তে কেনেদৰে সুস্থ আৰু পুষ্টিকৰ খাদ্য লাভ কৰিব পাৰি, সেই সন্দৰ্ভত হিতাধিকাৰীসকলক সজাগ কৰা হয়। এই বৰ্ষৰ ৰাষ্ট্ৰীয় পোষণ মাহৰ মূল বিষয়বস্তু "আমাৰ অংগনবাড়ী, আমাৰ দায়িত্ব"ৰ আধাৰত অংগনবাড়ী কৰ্মী-সহায়িকাসকলে থলুৱা খাদ্য সামগ্ৰীৰ গুৰুত্বৰ বিষয়ে বিস্তৃতভাৱে অৱগত কৰে। বিশেষকৈ গৰ্ভৱতী মহিলা, প্ৰসূতি আৰু কিশোৰীসকলৰ বাবে আইৰণ আৰু কেলচিয়ামযুক্ত খাদ্য গ্ৰহণৰ প্ৰয়োজনীয়তাৰ বিষয়ে সজাগ কৰা হয়। লগতে দৈনন্দিন খাদ্য তালিকাত প্ৰটিনযুক্ত খাদ্য অন্তৰ্ভুক্ত কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। অনুষ্ঠানত স্থানীয়ভাৱে উপলব্ধ বিভিন্ন শাক-পাচলি আৰু পুষ্টিকৰ খাদ্য সামগ্ৰীৰে প্ৰস্তুত কৰা বিভিন্ন ৰন্ধন সামগ্ৰী প্ৰদৰ্শন কৰি উপস্থিতসকলক পুষ্টিকৰ খাদ্য গ্ৰহণৰ ক্ষেত্ৰত সজাগ কৰাৰ প্ৰয়াস কৰা হয়। সুস্থ শিশু, সুস্থ মাতৃ আৰু পুষ্টিকৰ সমাজ গঢ়াৰ লক্ষ্যৰে আয়োজিত এই সজাগতামূলক কাৰ্যসূচীয়ে অঞ্চলটোৰ ৰাইজৰ মাজত পুষ্টিৰ সন্দৰ্ভত সচেতনতা বৃদ্ধিত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। আজিৰ অনুষ্ঠানত তিনিচুকীয়া জিলাৰ জিলা সহায়ক ব্যৱস্থাপক, আইপি.ই. গ্ল'বেল ভাৰ্গৱ বৰদলৈ, হাপজান বিজেপি মণ্ডল সভানেত্ৰী ৰুক্মিণী পাত্ৰ, স্বাস্থ্য বিভাগৰ লোক সকল, অইল আৰোগ্য প্ৰকল্প বিষয়ববীয়া সকল প্ৰমুখ্যে কৰি স্থানীয় মহিলা সহ কণ-কণ শিশু সকল উপস্থিত থাকে।

চামগুৰিৰ আমনিত পথ দুৰ্ঘটনাত এ পি বি এনৰ জোৱান নিহত

অসম বাৰ্তা, পুৰণিগুদাম, ২৫ ছেপ্টেম্বৰ ঃ নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত আমনি অঞ্চলৰ ৰাষ্টীয় ঘাইপথত যোৱা কালি নিশা সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত এজন এপিবিএনৰ জোৱান নিহত হয়। নিহত আৰক্ষী জোৱানজন ১২ নং এপিবিএনৰ কৰ্মচাৰী সাগৰ হাঞ্চে। নিহত যুৱকজনৰ ঘৰ কলিয়াবৰত বুলি জানিব পৰা গৈছে। প্ৰাপ্ত খবৰ মতে, কালি নিশা আমনি তিনিআলিৰ সাপ্তাহিক বজাৰত বজাৰ কৰিবলৈ অহাৰ সময়তে নগাঁও লোকসভা উপ-নিৰ্বাচনৰ কৰ্তব্যত নিয়োজিত জোৱানজন ৰাষ্ট্ৰীয় ঘাইপথটো পাৰ হ'বলৈ চেষ্টা কৰা সময়ত এ-আৰ-০১-টি-৭৭৫৬নম্বৰৰ মাৰুতি আৰ্টিগা বাহনখনে মহটিয়াই নিয়ে। ফলত ঘটনাস্থলীতে আৰক্ষী জোৱানজন নিহত হয় বুলি জানিব পৰা গৈছে। পৰৱৰ্তী সময়ত চামগুৰি আৰক্ষী থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ যুৱকজনৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ আৰু হস্পিতাললৈ প্ৰেৰণ কৰে। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে আমনিস্থিত এছআইপিআৰডিত স্থাপিত অস্থায়ী শিবিৰত আন ৩০জন জোৱানৰ লগত নিয়োজিত হৈ আছিল বুলি জানিব পৰা গৈছে।

মেৰাপানীত প্ৰাক্তন আলফা কেডাৰৰ ঘৰত আৰক্ষীৰ অভিযান

তিনিটা পিষ্টল, হাতেৰে নিৰ্মিত বন্দুক, সজীৱ গুলী উদ্ধাৰ

অসম বাৰ্তা, মেৰাপানী, ২৫ ছেপ্টেম্বৰ ঃ গোলাঘাট জিলাৰ মেৰাপানীৰ ২ নং চৰাইমাৰীত এগৰাকী আত্মসমৰ্পণকাৰী আলফা কেডাৰৰ বাসগৃহত আৰক্ষীয়ে অভিযান চলাই অস্ত্ৰ-শস্ত্ৰসহ বহু সামগ্ৰী উদ্ধাৰ কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। গোপন তথ্যৰ ভিত্তিত অতিৰিক্ত আৰক্ষী অধীক্ষক (HQ)-ৰ নেতৃত্বত আৰক্ষীৰ এটা দলে ২ নং চৰাইমাৰীৰ পলাশ জ্যোতি বৰুৱাৰ বাসগৃহত তালাচী অভিযান চলায়। আৰক্ষীৰ তথ্য অনুসৰি, বৰুৱা এগৰাকী আত্মসমৰ্পণকাৰী আলফা কেডাৰ আৰু তেওঁ ২০০৯ চনত আত্মসমৰ্পণ কৰিছিল। আৰক্ষীৰ অভিযানত বাসগৃহটোৰ পৰা তিনিটা পিষ্টল, হাতেৰে নিৰ্মিত এটা বন্দুক, কেইবাটাও চোকা অস্ত্ৰ, বেংকৰ কেইবাখনো চেকবুক আৰু সজীৱ গুলী উদ্ধাৰ কৰা হয়। লগতে AS 03 C 6230 নম্বৰৰ এখন ইয়ামাহা মটৰচাইকেল আৰু AS 02 AH 4611 নম্বৰৰ এখন থাৰ বাহনো আৰক্ষীয়ে জব্দ কৰে। বাতৰি লিখাৰ সময়লৈকে বাসগৃহটোত আৰক্ষীৰ তালাচী অভিযান অব্যাহত আছে। আনহাতে, প্ৰাক্তন আলফা কেডাৰ পলাশ জ্যোতি বৰুৱাক আটক কৰাৰ বাবেও আৰক্ষীয়ে অভিযান চলাই থকা বুলি জানিব পৰা গৈছে। অভিযানৰ সময়ত উদ্ধাৰ হোৱা অস্ত্ৰ-শস্ত্ৰ আৰু অন্যান্য সামগ্ৰীৰ উৎস তথা ঘটনাটোৰ সৈতে জড়িত অধিক তথ্য আৰক্ষীৰ তদন্তৰ পাছতহে স্পষ্ট হ'ব।

অসম নাট্য সন্মিলনৰ ৬৫ সংখ্যক কেন্দ্ৰীয় মধ্যকালীন মাইথং অধিৱেশনৰ অভ্যৰ্থনা সমিতি গঠনৰ ৰাজহুৱা সভা আহ্বান

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, সৈনিক শিল্পী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ নেতৃত্বত ১৯৫৬ চনত ডিব্ৰুগড় চহৰত জন্মলাভ কৰা অসম একাংক নাট্য সন্মিলন সময়ৰ সোঁতত ৰূপান্তৰৰ মাজেদি অসম নাট্য সন্মিলন ৰূপে পৰিচিত হৈ অসমৰ অন্যতম জাতীয় সংগঠন হিচাপে প্ৰতিষ্ঠিত হয়। এই অসম নাট্য সন্মিলনৰ ৬৫ সংখ্যক কেন্দ্ৰীয় মধ্যকালীন অধিৱেশনখনি এইবাৰ আগন্তুক জানুৱাৰী মাহত অসম নাট্য সন্মিলন, মাইথং সূত্ৰধাৰ শাখা, ৰূপাই শাখা আৰু ডুমডুমা শাখাৰ যৌথ আতিথ্যত কাকপথাৰ ন-মাইথং গাঁৱত অনুষ্ঠিত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। সেয়ে অসমৰ নাটশিল্পৰ বিকাশ আৰু প্ৰসাৰৰ লগতে অসমৰ সকলো জনগোষ্ঠীয় নৃত্য, কলা, গীত-মাত আদিৰ নিয়মীয়া চৰ্চা, অনুশীলন আৰু প্ৰদৰ্শনৰ জৰিয়তে সংস্কৃতিৰ এক অবিৰত প্ৰবাহ অব্যাহত ৰখাৰ অঙ্গীকাৰত ব্ৰতী অসম নাট্য সন্মিলনৰ ৬৫ সংখ্যক কেন্দ্ৰীয় মধ্যকালীন মাইথং অধিৱেশনখনি সৰ্বতোপ্ৰকাৰে সাফল্যমণ্ডিত কৰি তোলাৰ উদ্দেশ্যেৰে এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰাৰ উদ্দেশ্যে অহা ২৭ ছেপ্টেম্বৰ, দেওবাৰে বিয়লি ৩ বজাত ন-মাইথং গাঁৱস্থিত সূত্ৰধাৰ নাট্যমঞ্চত এখনি ৰাজহুৱা সভা আহ্বান কৰিছে। সেই গতিকে সমূহ নাট্যপ্ৰেমী তথা সাংস্কৃতিকপ্ৰেমী ৰাইজক উক্ত সভাত উপস্থিত থাকি গঠনমূলক দিহা-পৰামৰ্শেৰে এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰাত সহযোগিতা আগবঢ়াবলৈ উদ্যোক্তা সকলে আহ্বান জনাইছে।

আঠদিনীয়া কাৰ্যসূচীৰে ১৩ ডিচেম্বৰৰ পৰা মঙলদৈ গ্ৰন্থমেলা

অসম বাৰ্তা, মঙলদৈ, ২৫ ছেপ্টেম্বৰ ঃ বিগত ২০২১ বৰ্ষৰ পৰা মঙলদৈ প্ৰেছ ক্লাবৰ উদ্যোগত, উত্তৰ পূৰ্বাঞ্চল পুথি প্ৰণয়ন আৰু বিক্ৰেতা সন্থাৰ সহযোগত উলহ-মালহেৰে অনুষ্ঠিত হৈ অহা মঙলদৈ গ্ৰন্থমেলা এইবেলি ষষ্ঠবাৰৰ বাবে অহা ডিচেম্বৰ মাহৰ ১৩ ডিচেম্বৰৰ পৰা ২০ ডিচেম্বৰলৈ ৮ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। এই উপলক্ষ্যে বুধবাৰে স্থানীয় ইয়ুথ ক্লাবত বিগত বৰ্ষৰ আয়োজক সমিতিৰ কাৰ্যকৰী সভাপতি ৰাজেন্দ্ৰ নাথ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা সভাত আগন্তুক গ্ৰন্থমেলাখনি সুচাৰুৰূপে পৰিচালনা কৰাৰ অৰ্থে অসম চৰকাৰৰ পশুপালন পশুচিকিৎসা আৰু মীন বিভাগৰ মন্ত্ৰী তথা মঙলদৈ বিধানসভা সমষ্টিৰ বিধায়িকা নীলিমা দেৱীক মুখ্য পৃষ্ঠপোষক, দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াক সভাপতি, ৰাজীৱ কুমাৰ ডেকা, মুকুটৰাজ শৰ্মাক সাধাৰণ সম্পাদক আৰু লক্ষ্মী নন্দন কলিতাক সম্পাদক হিচাপে লৈ এখন বৃহৎ আৰু শক্তিশালী আয়োজক সমিতি গঠন কৰা হয়। সভাই মূল আয়োজক সমিতিৰ উপৰিও গুৰুত্বপূৰ্ণ কেইবাখনো উপশমিতি গঠন কৰে। মঙলদৈ প্ৰেছ ক্লাবৰ সম্পাদক লক্ষ্মী নন্দন কলিতা আৰু বিগত বৰ্ষৰ আয়োজক সমিতিৰ সম্পাদক মুকুট ৰাজ শৰ্মাই আঁত ধৰা ৰাজহুৱা সভাত আয়োজক সমিতিৰ বিগত বৰ্ষৰ অন্যতম সাধাৰণ সম্পাদক ৰাজীৱ কুমাৰ ডেকা, কেবিনেট মন্ত্ৰী নীলিমা দেৱী, দৰং জিলা সাহিত্য সভাৰ সভাপতি অক্ষয় কুমাৰ নাথ, সম্পাদক মৃণাল কুমাৰ ৰাজবংশী, প্ৰাক্তন সভাপতি চহিৰ ভূঞা, জ্যেষ্ঠ সাংবাদিক শঙ্কৰ কাকতি, মঙলদৈ প্ৰেছক্লাবৰ সভাপতি হোমেন কাকতি, অসম চৰকাৰৰ জলসিঞ্চন বিভাগৰ অৱসৰপ্ৰাপ্ত আয়ুক্ত হৰেণ কাকতি, বিশিষ্ট অধিবক্তা, সমাজকৰ্মী শৈলেন কুমাৰ শৰ্মা বৰুৱা, দৰং জিলা পৰিষদৰ সভানেত্ৰী শেৱালি গোস্বামী কলিতা, প্ৰাক্তন ছাত্ৰ নেতা, সমাজকৰ্মী মকুন্দ ডেকা প্ৰমুখ্যে বিশিষ্ট লোকসকলে নিজ নিজ ভাষণত গ্ৰন্থ মেলাখনি সাফল্যমণ্ডিত কৰাৰ অৰ্থে ভালেমান গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়।

মণিপুৰক ছমাহৰ বাবে অশান্ত

সীমান্তৱৰ্তী অঞ্চলত সংঘটিত এই আক্ৰমণত পিতৃ-পুত্ৰকে ধৰি চাৰি গৰাকী টাংখুল নগা নিহত হয়। আক্ৰমণকাৰী দুৰ্বৃত্তই নিহত লোকসকলক হত্যা কৰাৰ লগতে প্ৰায় ৪০টা বাসগৃহত অগ্নিসংযোগ কৰে। এই ঘটনাই ভাৰত-ম্যানমাৰ সীমান্তত অৱস্থিত পিছপৰা গাঁওসমূহৰ নিৰাপত্তা সম্পৰ্কে নতুন প্ৰশ্নৰ সৃষ্টি কৰিছে। আৰক্ষীয়ে নিহত লোকসকলক ক্ৰমে কংপট খুল্লেনৰ বাসিন্দা ৰেৰিশ্মিম জাজো আৰু তেওঁৰ পুত্ৰ ফামি জাজো, কাংপট খুনৌৰ বেটাৰছন জাজো আৰু জিংছুই গাঁৱৰ নিংথেম কাছাক বুলি চিনাক্ত কৰিছে। নগা পিপলছ অৰ্গেনাইজেশ্যনৰ আইন সম্পাদক তথা মুখপাত্ৰ এনজি চুনথানে জনোৱা মতে, আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ সমীপত কাংপাট অঞ্চলৰ সীমান্ত স্তম্ভ ৯১-৯৩ৰ ওচৰত পুৱতি নিশা প্ৰায় ১.৩০ বজাত এই ঘটনা সংঘটিত হয়। অঞ্চলটো সীমান্তৱৰ্তী দুৰ্গম স্থান হোৱাৰ বাবে নিৰাপত্তাৰক্ষীৰ দল সময়মতে ঘটনাস্থলীত উপস্থিত হ'বলৈ যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। নিৰাপত্তাৰক্ষী উপস্থিত হোৱাৰ আগতেই দুৰ্বৃত্তই অঞ্চলটোৰ প্ৰায় ৪০টা ঘৰত অগ্নিসংযোগ কৰে বুলি অনুমান কৰা হৈছে। পৰৱৰ্তী সময়ত ঘটনাস্থলীৰ পৰা চাৰিটাকৈ মৃতদেহ উদ্ধাৰ কৰা হয়। আনহাতে, খাম লুনফা ফ্ৰেটাৰ্ণেল অৰ্গেনাইজেশ্যন (KLFO)য়ে এই হত্যাকাণ্ডক তীব্ৰ গৰিহণা দিছে। সংগঠনটোৱে কেএনএশ্চবিপ্লয়ে সাধাৰণ লোকসকলক আক্ৰমণ কৰি হত্যা কৰাৰ অভিযোগ তোলে। শুকুৰবাৰে জাৰি কৰা এক বিবৃতিত সংগঠনটোৱে এই ঘটনাত নিহত লোকসকলৰ পৰিয়ালৰ প্ৰতি গভীৰ শোক ব্যক্ত কৰে। কেএলএফঅ'ই এই আক্ৰমণৰ একমাত্ৰ জীৱিত ব্যক্তি আখন কাপিঙৰ আশু আৰোগ্য, সুৰক্ষা আৰু কল্যাণৰ বাবে প্ৰাৰ্থনা জনায়। সংগঠনটোৱে এই আক্ৰমণক সাধাৰণ লোকসকলৰ বিৰুদ্ধে এক গুৰুতৰ হিংসাত্মক কাৰ্য আখ্যা দি সীমান্ত অঞ্চলত বাস কৰা লোকসকলৰ সুৰক্ষা আৰু নিৰাপত্তা নিশ্চিত কৰাৰ দাবী তোলে। কেএলএফঅ'ই ভাৰত চৰকাৰ, মণিপুৰ চৰকাৰ আৰু সংশ্লিষ্ট নিৰাপত্তা সংস্থাসমূহক এই ঘটনাৰ তাৎক্ষণিক, নিৰপেক্ষ আৰু পুংখানুপুংখ তদন্ত কৰিবলৈ দাবী জনায়। লগতে দোষী সাব্যস্ত হোৱা যিকোনো লোকক আইন অনুসৰি শাস্তি দিয়াটো নিশ্চিত কৰিবলৈ কৰ্তৃপক্ষক আহ্বান জনায়। দুৰ্গম সীমান্তৱৰ্তী অঞ্চলত বসবাস কৰা দুৰ্বল জনগোষ্ঠীয় লোকসমূহৰ সুৰক্ষাৰ বাবে অধিক শক্তিশালী নিৰাপত্তা ব্যৱস্থা গ্ৰহণৰ দাবীও সংগঠনটোৱে উত্থাপন কৰে। সকলোকে সংযম ৰক্ষা কৰিবলৈ আহ্বান জনাই কেএলএফঅ'ই সংশ্লিষ্ট সকলো পক্ষকে এনে কোনো পদক্ষেপ গ্ৰহণ নকৰিবলৈ কয়, যিয়ে উত্তেজনা বৃদ্ধি কৰিব পাৰে বা অঞ্চলটোৰ জনগোষ্ঠীসমূহৰ মাজত শান্তিপূৰ্ণ সহাৱস্থান আৰু সামাজিক সম্প্ৰীতি বিঘ্নিত কৰিব পাৰে। ইফালে, মণিপুৰত পুনৰ হিংসাত্মক ঘটনা সংঘটিত হোৱাৰ মাজতে সাধাৰণ লোকসকলৰ নিৰাপত্তাক লৈ নতুনকৈ উদ্বেগ সৃষ্টি হৈছে। বিশেষকৈ মণিপুৰ-ম্যানমাৰ সীমান্তৱৰ্তী পাহাৰীয়া অঞ্চলসমূহত সংঘটিত হত্যাকাণ্ড, অগ্নিসংযোগ আৰু সশস্ত্ৰ আক্ৰমণক লৈ কংগ্ৰেছৰ বিধায়িনী দলৰ নেতা কে. মেঘচন্দ্ৰ সিঙে প্ৰশ্ন উত্থাপন কৰিছে। শেহতীয়াকৈ সংঘটিত আক্ৰমণৰ লগতে অগ্নিসংযোগৰ ঘটনাক গৰিহণা দি তেওঁ সাধাৰণ লোকসকলক সুৰক্ষা প্ৰদানৰ ক্ষেত্ৰত চৰকাৰ আৰু নিৰাপত্তা বাহিনীৰ ভূমিকা সন্দৰ্ভত জবাবদিহিতা দাবী কৰিছে। উল্লেখ্য, মণিপুৰৰ বৰ্তমান সংকটৰ মূল পটভূমি হৈছে ২০২৩ চনৰ ৩ মে'ৰ পৰা ৰাজ্যখনত আৰম্ভ হোৱা জাতিগত হিংসা। এই সংঘাতৰ ফলত সাধাৰণ লোকৰ ঘৰ-দুৱাৰ, ধৰ্মীয় স্থান আৰু অন্যান্য সা-সম্পত্তিৰ বৃহৎ ক্ষতিসাধন হয়। এই সংঘাতৰ মাজতে কেন্দ্ৰীয় চৰকাৰে বিভিন্ন সময়ত ৰাজ্যখনলৈ শান্তি আৰু নিৰাপত্তা ঘূৰাই অনাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ২০২৩ চনৰ মে' মাহৰ শেষত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মণিপুৰ ভ্ৰমণ কৰি বিভিন্ন পক্ষৰ সৈতে আলোচনাত মিলিত হৈছিল। ২৯ মে'ৰ পৰা ৰ জুনলৈ চলা গৃহমন্ত্ৰীগৰাকীৰ ভ্ৰমণৰ সময়ত নিৰাপত্তা পৰিস্থিতি পৰ্যালোচনা, বিভিন্ন সম্প্ৰদায়ৰ লোকৰ সৈতে আলোচনা আৰু শান্তি স্থাপনৰ বাবে ব্যৱস্থাৰ কথা ঘোষণা কৰা হৈছিল। পৰৱৰ্তী সময়ত কেন্দ্ৰই ন্যায়িক তদন্ত আয়োগ গঠনৰ কথাও ঘোষণা কৰে। অৱসৰপ্ৰাপ্ত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ন্যায়াধীশ অজয় লাম্বাৰ অধ্যক্ষতাত এখন আয়োগ গঠন কৰা হৈছিল। হিংসাৰ আঁৰৰ কাৰণ, ইয়াৰ বিস্তাৰ আৰু দায়িত্বশীল কৰ্তৃপক্ষ বা ব্যক্তিৰ কোনো ত্ৰুটি আছিল নেকি, সেই বিষয়সমূহ তদন্তৰ আওতালৈ অনা হৈছিল। দীৰ্ঘদিনীয়া এই সংঘাতৰ মাজতে ২০২৫ চনৰ ১৩ ফেব্ৰুৱাৰীত তদানীন্তন মুখ্যমন্ত্ৰী এন. বীৰেন সিঙৰ পদত্যাগৰ পাছত মণিপুৰত ৰাষ্ট্ৰপতি শাসন জাৰি কৰা হৈছিল। পৰৱৰ্তী সময়ত ৰাষ্ট্ৰপতি শাসন প্ৰত্যাহাৰ কৰি যুমনাম খেমচান্দ সিঙৰ নেতৃত্বত মণিপুৰত নতুন চৰকাৰ গঠন হয়। কিন্তু নতুন চৰকাৰ গঠনৰ পাছতো ৰাজ্যখনত সংঘটিত হিংসাত্মক ঘটনা আৰু সশস্ত্ৰ আক্ৰমণৰ ঘটনাই নিৰাপত্তাজনিত পৰিস্থিতিক লৈ প্ৰশ্ন উত্থাপন কৰি আহিছে। ২০২৩ চনত হিংসা আৰম্ভ হোৱাৰ পাছতে কেন্দ্ৰীয় গৃহ পৰিক্ৰমা ৰাজ্যিক মন্ত্ৰী নিত্যানন্দ ৰায় আৰু বিজেপিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ তথা মণিপুৰৰ দায়িত্বপ্ৰাপ্ত নেতা ড° সম্বিত পাত্ৰই তদানীন্তন ৰাজ্যপাল অনসূয়া উইকেক সাক্ষাৎ কৰি পৰিস্থিতিৰ বুজ লৈছিল। ইয়াৰ পাছত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মণিপুৰত উপস্থিত হৈ বিভিন্ন পক্ষৰ সৈতে আলোচনা কৰে। ২০২৩ চনৰ ১ জুনত ইম্ফলত সংবাদমেল সম্বোধন কৰি তেওঁ শান্তি বজাই ৰখা, আলোচনাৰ জৰিয়তে সমাধান বিচৰাৰ লগতে উৰাবাতৰিত বিশ্বাস নকৰিবলৈ সকলো পক্ষক আহ্বান জনাইছিল। আনহাতে, ন্যায়িক তদন্ত আয়োগ আৰু সকলো পক্ষৰ প্ৰতিনিধিক লৈ শান্তি সমিতি গঠনৰ কথাও ঘোষণা কৰিছিল। ইয়াৰ লগতে কে. মেঘচন্দ্ৰ সিঙে শেহতীয়াকৈ মিজোৰামৰ আইজলত সংযুক্ত কুকি ৰাষ্ট্ৰীয় সেনাবাহিনী (UKNA)ৰ কমাণ্ডাৰ-ইন-চীফ হিচাপে পৰিচিত থাংখোমাং হাওকিপক গ্ৰেপ্তাৰ কৰাৰ বিষয়টোও উল্লেখ কৰে। চচ্ছ্ৰ ছেপ্তেম্বৰত অসম ৰাইফলছ আৰু এনআইএৰ যৌথ অভিযানত আইজলত হাওকিপক আটক কৰা বুলি পোহৰলৈ আহিছে। তেওঁৰ সৈতে তেওঁৰ চালককো আটক কৰা হৈছিল। পৰৱৰ্তী সময়ত এনআইএয়ে আইজলত দুগৰাকী কুকি ছাত্ৰ নেতাকো আটক কৰে বুলি চৰকাৰী সূত্ৰৰ উদ্ধৃতিৰে খবৰ প্ৰকাশ পাইছে। ইউকেএনএ SoO বা Suspension of Operationsচুক্তিৰ স্বাক্ষৰকাৰী নহয় বুলি মন্তব্য কৰি মেঘচন্দ্ৰ সিঙে কয় যে ত্ৰঙ্গথ ব্যৱস্থাৰ অধীনত থকা গোটসমূহ আৰু ইয়াৰ বাহিৰত থকা ভূগৰ্ভস্থ সংগঠনসমূহক একে দৃষ্টিৰে চাব নালাগে। মণিপুৰত সক্ৰিয় সকলো সশস্ত্ৰ সংগঠনৰ কাৰ্য-কলাপৰ ওপৰত কঠোৰ নিৰীক্ষণৰ বাবে তেওঁ দাবী জনায়। মণিপুৰৰ দীৰ্ঘদিনীয়া সংকটৰ স্থায়ী সমাধানৰ বাবে কেৱল নিৰাপত্তা ব্যৱস্থা যথেষ্ট নহয় বুলি মত প্ৰকাশ কৰি কে. মেঘচন্দ্ৰ সিঙে সকলো পক্ষৰ মাজত অৰ্থপূৰ্ণ আলোচনা আৰম্ভ কৰাৰ আহ্বান জনায়। তেওঁ কয়, "শান্তিৰ বাবে এতিয়ালৈকে কোনো পথ-নক্সা নাই। চৰকাৰ এই বিষয়ত গুৰুত্বসহকাৰে আগবাঢ়ি অহা নাই।" তেওঁৰ মতে, মণিপুৰৰ সমস্যাৰ সমাধানৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে সকলো সম্প্ৰদায়, নাগৰিক সমাজ, ৰাজনৈতিক পক্ষ আৰু সংশ্লিষ্ট অংশীদাৰক লৈ আলোচনাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব লাগিব। তেওঁ ৰাজনৈতিক আৰু সাংবিধানিক সমাধানৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে দীৰ্ঘদিনীয়া সংঘাতৰ অন্ত পেলাবলৈ বিশ্বাস পুনৰ গঠন আৰু সকলো পক্ষৰ অংশগ্ৰহণৰ বাদে বিকল্প নাই। ইফালে, মণিপুৰত শেহতীয়াকৈ সংঘটিত হত্যাকাণ্ড, সশস্ত্ৰ আক্ৰমণ, অগ্নিসংযোগ আৰু অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰৰ ঘটনা অব্যাহত আছে। বিশেষকৈ সীমান্তৱৰ্তী আৰু পাহাৰীয়া অঞ্চলসমূহত সাধাৰণ নাগৰিকৰ সুৰক্ষাক লৈ নতুনকৈ উদ্বেগ সৃষ্টি হৈছে। কামজঙত চাৰিগৰাকী টাংখুল নাগা নাগৰিক নিহত হোৱাৰ ঘটনাই মণিপুৰৰ দীৰ্ঘদিনীয়া সংঘাতৰ মাজত সংখ্যালঘু আৰু সীমান্তৱৰ্তী সম্প্ৰদায়সমূহৰ সুৰক্ষাৰ প্ৰশ্নটো পুনৰ সন্মুখলৈ আনিছে। আনহাতে, শেহতীয়া ঘটনাসমূহৰ সম্পূৰ্ণ পৰিস্থিতি, আক্ৰমণৰ আঁৰত কোন আছিল আৰু বাসগৃহ তথা উপাসনাস্থলী জ্বলোৱাৰ অভিযোগৰ সত্যতা-এই সকলো বিষয়ত চৰকাৰী তদন্ত আৰু নিৰপেক্ষ তথ্যৰ ওপৰতেই চূড়ান্ত সিদ্ধান্ত নিৰ্ভৰ কৰিব।

হিমালয়ৰ জলবায়ু সংকট কেৱল

ত্ৰিশূলী নদীৰ শেহতীয়া ভয়াৱহ বানে এই বাস্তৱতা পুনৰ সমগ্ৰ বিশ্বৰ সন্মুখত উন্মোচন কৰিছে। নিউয়ৰ্কত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ ৮১ সংখ্যক সাধাৰণ সভা (UNGA)-ত নেপালৰ প্ৰধানমন্ত্ৰী বলেন্দ্ৰ শ্বাহে এই বিষয়ক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে। বিশ্বনেতাসকলৰ উদ্দেশ্যে আগবঢ়োৱা ভাষণত তেওঁ স্পষ্ট কৰি দিয়ে যে হিমালয় অঞ্চলত সংঘটিত এই বিধ্বংসী ঘটনাবোৰ কেৱল এখন স্থান বা এখন দেশৰ সমস্যা নহয়; ই সমগ্ৰ মানৱজাতিৰ বাবে এক জৰুৰী সতৰ্কবাণী। প্ৰধানমন্ত্ৰী শ্বাহে উল্লেখ কৰে যে জলবায়ু পৰিৱৰ্তন আৰু বিশ্ব উষ্ণায়নৰ অন্তৰালত নেপাল বা আন সৰু হিমালয় দেশসমূহৰ ভূমিকা একেবাৰেই নগণ্য। কাৰ্বন নিৰ্গমন আৰু ঔদ্যোগিক প্ৰদূষণত বিশ্বৰ ধনী তথা উন্নত ৰাষ্ট্ৰসমূহেহে আটাইতকৈ বেছি অৰিহণা যোগাই আহিছে। কিন্তু ইয়াৰ বিপৰীতে, জলবায়ু সংকটৰ আটাইতকৈ ডাঙৰ ভুক্তভোগী হ'বলগীয়া হৈছে এই সৰু বিকাশশীল দেশসমূহেই। এই পৰিস্থিতিয়ে বিশ্বজুৰি 'জলবায়ু ন্যায়' (Climate Justice)-ৰ ওপৰত এক বৃহৎ আন্তঃৰাষ্ট্ৰীয় বিতৰ্কৰ সূচনা কৰিছে। এই সংকট মোকাবিলাৰ বাবে নেপালৰ প্ৰধানমন্ত্ৰীয়ে নেপালৰ নেতৃত্বত ভাৰত আৰু চীনৰ অংশগ্ৰহণেৰে এক 'হিমালয়ান ক্লাইমেট ৰেজিলিয়েন্স মেকানিজম' (Himalayan Climate Resilience Mechanism) গঠন কৰাৰ প্ৰস্তাৱ আগবঢ়ায়। এই ব্যৱস্থাৰ জৰিয়তে কৃত্ৰিম উপগ্ৰহৰ তথ্য আদান-প্ৰদান কৰা, বিপদজনক হিমবাহ হ্ৰদসমূহৰ নিৰন্তৰ নিৰীক্ষণ চলোৱা আৰু আগতীয়া সতৰ্কবাণী প্ৰণালী শক্তিশালী কৰাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। লগতে, দুৰ্যোগৰ সময়ত চুবুৰীয়া দেশ ভাৰত আৰু চীনে আগবঢ়োৱা তাৎক্ষণিক সাহায্যৰ বাবে প্ৰধানমন্ত্ৰী শ্বাহে ধন্যবাদ জ্ঞাপন কৰে। কিন্তু তেওঁ প্ৰশ্ন তোলে যে সংঘাত আৰু যুদ্ধৰ সঁজুলি প্ৰেৰণত বিশ্ব সম্প্ৰদায়ে যি তীব্ৰতা দেখুৱায়, জলবায়ু ক্ষতিগ্ৰস্ত দেশসমূহৰ সাহায্য আৰু বিশ্বব্যাপী খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত সেই একেই ক্ষিপ্ৰতা কেতিয়া দেখুৱাব।

তেওঁ হৰাৰ পিছত জিৰণি ল'ব, মই

কণ্ঠত যদি সুধাকণ্ঠ জুবিন গাৰ্গৰ গান থাকে, তেন্তে তেওঁ সংসদত গান গাবলৈ যাব নেকি বুলি আজমলে প্ৰশ্ন উত্থাপন কৰে। কেৱল গানৰ বিষয়টোৱেই নহয়, হিন্দী-ইংৰাজী জনা-নজনাক লৈও দুয়োপক্ষৰ মাজত বিতৰ্ক চলিছে। এই প্ৰসংগতে বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাক আজমলে পৰামৰ্শ দি কয়, 'তেওঁ হৰাৰ পিছত জিৰণি ল'ব'। ইয়াৰ বিপৰীতে আজমলে নিজৰ অৱস্থান স্পষ্ট কৰি কয়, 'আৰু মই জয়ী হৈহে জিৰণি ল'ম'। ইয়াৰ উপৰি তৰ্ক কৰিবলগীয়া কিবা থাকিলে মুকলি মঞ্চত তৰ্ক কৰিবলৈ আজমলে দেৱাশিস শৰ্মাক প্ৰত্যাহ্বান জনাইছে। এই প্ৰত্যাহ্বানে নগাঁৱৰ উপ-নিৰ্বাচনী পৰিৱেশ অধিক উত্তপ্ত কৰি তুলিছে বুলি স্থানীয় ৰাজনৈতিক মহলত আলোচনা চলিছে।

৮৫ উৰ্ধ্ব আৰু শাৰীৰিকভাৱে

এনে ৮৫ উৰ্ধ্ব ভোটদাতা ৫,৭২২ গৰাকী আৰু শাৰীৰিকভাৱে বাধাগ্ৰস্ত ভোটদাতা ৪, ৬৬০ গৰাকী আছে। কিন্তু নিৰ্ধাৰিত সময়ৰ ভিতৰত এই সুবিধা গ্ৰহণৰ বাবে মুঠ ২, ৪৪২জনেহে আবেদন দাখিল কৰিছে। তেওঁলোকৰ ভিতৰত ২, ০৪২জন জ্যেষ্ঠ নাগৰিক আৰু ৪০০জন দিব্যাংগ। তেওঁলোকৰ নিজ নিজ ঘৰলৈ গৈ ভোটগ্ৰহণ কৰাৰ বাবে জিলা প্ৰশাসনে ইতিমধ্যে ৩১টা দল গঠন কৰিছে। এই দলসমূহে ভোটদাতাৰ ভোটদানৰ সম্পূৰ্ণ গোপনীয়তা ৰক্ষা কৰি বেলটৰ জৰিয়তে ভোটগ্ৰহণ কৰিব আৰু সেই ভোট ডাকযোগে দিয়া ভোট হিচাপে গণনা কৰা হ'ব। ইয়াৰ উপৰি জিলাখনৰ নিৰ্বাচনী কামত জড়িত বিষয়া-কৰ্মচাৰীসকলক আগতীয়াকৈ বেলটৰ জৰিয়তে ভোটদানৰ সুবিধা প্ৰদান কৰা হৈছে। সেই অনুসৰি তেওঁলোকে অহা ৩, ৪ আৰু ৫ অক্টোবৰত ভোটদান কৰিব পাৰিব। এই সুবিধাৰ বাবে নিৰ্বাচনী কৰ্তব্যত নিয়োজিত আগ্ৰহী ব্যক্তিসকলে নিৰ্দিষ্ট প্ৰপত্ৰযোগে আবেদন দাখিল কৰিব লাগিব। জিলাখনৰ বাহিৰত সেনাবাহিনীত কৰ্মৰত ৩, ৫১০জন ভোটদাতাৰ বাবে ডাকযোগে ভোটদানৰ ব্যৱস্থা কৰা হৈছে।

জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত

হৈ থকাৰ সময়তে অসম প্ৰদেশ কংগ্ৰেছ কমিটি আৰু নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ শীৰ্ষ নেতৃত্বই এই বিক্ষোভত সক্ৰিয়ভাৱে অংশ লয়। ৰাজীৱ ভৱনৰ সন্মুখত অনুষ্ঠিত এই প্ৰতিবাদী কাৰ্যসূচীত অসম আৰক্ষীয়ে হস্তক্ষেপ কৰি অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সংসদ সদস্য গৌৰৱ গগৈক আটক কৰি লৈ যায়। কেৱল গগৈক নহয়, অসম প্ৰদেশ কংগ্ৰেছ কমিটি আৰু নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ কেইবাগৰাকীও শীৰ্ষ নেতাক আটক কৰা হয়। এই তথ্য নিশ্চিত কৰিছে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই। বেদব্ৰত বৰাই জনোৱা মতে, আৰক্ষীয়ে বিক্ষোভস্থলীৰ পৰা সংসদ সদস্য গৌৰৱ গগৈৰ লগতে নিখিল ভাৰত কংগ্ৰেছৰ সম্পাদক মনোজ চৌহান, সেৱা দলৰ সভাপতি দ্বীপ বায়ন, প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক উদিত ভানু দাস, প্ৰদেশ কংগ্ৰেছৰ নেত্ৰী বিদিশা নেওগ, মৌচুমী নেওগ, তাজিকা পাৰবিন, মইনাজান বেগম, শান্তনু বৰা, গোলাম মুস্তাক ওছমানি, অংকুৰ ৰাজ গগৈ আৰু আনোৱাৰ হুছেইনক আটক কৰে। তেওঁৰ ভাষ্য অনুসৰি, গৌৰৱ গগৈসহ মুঠ ১৫জন লোকক আটক কৰি কাহিলিপাৰাৰ ১০ এ পি বি এনলৈ লৈ যোৱা হয়। বিক্ষোভৰ সময়ত সংবাদ সংস্থা এ এন আইৰ সৈতে কথা পাতি গৌৰৱ গগৈয়ে জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবী পুনৰ উচ্চাৰণ কৰে। তেওঁ অভিযোগ কৰে যে নিৰ্বাচন আয়োগৰ কাম-কাজত অনিয়ম সংঘটিত হৈছে। মুখ্য নিৰ্বাচন আয়ুক্তৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে তেওঁক গ্ৰেপ্তাৰ কৰাৰ দাবীও জনায় গগৈয়ে। গগৈয়ে কয়, "জ্ঞানেশ কুমাৰে অপৰাধ সংঘটিত কৰিছে আৰু দেশদ্ৰোহী কাৰ্য কৰিছে বুলি আজি ৰাইজে জানিব পাৰিছে। তেওঁ পদত্যাগ কৰিব লাগে; তেওঁৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু তেওঁক গ্ৰেপ্তাৰ কৰিব লাগে।" তেওঁ লগতে কয়, "জ্ঞানেশ কুমাৰৰ লগতে তেওঁৰ পিছফালে বহি থকা লোকসকল-তেওঁলোকৰ মালিক প্ৰধানমন্ত্ৰী মোদী জী আৰু গৃহমন্ত্ৰী অমিত শ্বাহ জী-আজি মনত ৰখা উচিত যে দেশে তেওঁলোকক কেতিয়াও ক্ষমা নকৰে।" নাগৰিকৰ ভোটাধিকাৰৰ মৌলিক অধিকাৰ সম্পৰ্কত গগৈয়ে কয় যে নিৰ্বাচন আয়োগে নিৰ্বাচনী তালিকা সুৰক্ষিত ৰখাত ব্যৰ্থতা প্ৰমাণ কৰিছে। তেওঁ মন্তব্য কৰে, "আজিৰ ভাৰত এখন লোকতন্ত্ৰ, কাৰণ ইয়াত নিকা আৰু নিৰপেক্ষ নিৰ্বাচন অনুষ্ঠিত হয়; মানুহৰ ভোট দিয়াৰ অধিকাৰ সুৰক্ষিত থাকে। কিন্তু আজি তেওঁলোকে লোকতন্ত্ৰৰ ওপৰত প্ৰহাৰ কৰিছে। অনাগত দিনত ভাৰতৰ জনসাধাৰণে তেওঁলোকক কেতিয়াও এৰি নিদিয়ে।" তেওঁ আৰু কয়, "ভাৰত গণতন্ত্ৰ হৈ থাকিব নে নাই, সেই বিষয়ে প্ৰতিজন নাগৰিকে চিন্তা কৰা প্ৰয়োজন। কাৰণ আজি ভাৰতৰ নিৰ্বাচন আয়োগৰ এটাই কাম আছিল-ভোটাৰ তালিকাখন সুৰক্ষিত ৰখা। তেওঁলোকে সেই কামটোও কৰা নাই। তেওঁলোকে গণতন্ত্ৰক আক্ৰমণ কৰিছে।" এই প্ৰতিবাদী কাৰ্যসূচীত কংগ্ৰেছ নেতা ৰিপুণ বৰা, দেৱব্ৰত শইকীয়া, বিৰোধী দলপতি ৰাজেদ আলী চৌধুৰী আৰু নিখিল ভাৰত কংগ্ৰেছৰ সম্পাদক মনোজ চৌহানেও অংশ লয়। তেওঁলোকে কয় যে নিৰ্বাচন আয়োগৰ কাৰ্যপ্ৰণালী পোহৰলৈ অহাৰ পাছতেই কংগ্ৰেছে এই আন্দোলন গঢ়ি তুলিছে। উল্লেখ্য, জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ আনিবলৈ আৰু সংসদৰ বিশেষ অধিৱেশন আহ্বান কৰিবলৈও কংগ্ৰেছ নেতৃত্বই দাবী জনাই আহিছে। নিৰ্বাচন আয়োগৰ ভিতৰত মতানৈক্য সন্দৰ্ভতো কংগ্ৰেছে সৰৱতা প্ৰকাশ কৰি আহিছে।

১২ বছৰত চহৰ-গাঁৱৰ ব্যৱধান

ভাৰতৰ চহৰ আৰু গাঁৱৰ মাজৰ ব্যৱধান যথেষ্ট হ্ৰাস পাইছে। বাৰাণসীৰ পৰা বদনগৰলৈ চলি থকা মটৰ চাইকেল ৰেলী 'সেৱা যাত্ৰা'ত অংশগ্ৰহণ কৰা লোকসকলৰ সৈতে মত বিনিময় কৰি তেওঁ এই কথা প্ৰকাশ কৰে। তেওঁ লগতে কয় যে ২০১৪ চনত তেওঁৰ নেতৃত্বত চৰকাৰ গঠন হোৱাৰ পিছৰে পৰা দেশৰ মহিলাসকলৰ মাজত আত্মনিৰ্ভৰশীলতা বৃদ্ধি পাইছে। মোদীয়ে কয়, "যোৱা ৰচ বছৰত ভাৰতৰ চহৰ আৰু গাঁওসমূহৰ মাজৰ ব্যৱধান যথেষ্ট কমি আহিছে। বৰ্তমান গাঁৱৰ আন্তঃগাঁথনিৰ যথেষ্ট উন্নতি হৈছে।" প্ৰধানমন্ত্ৰীয়ে এয়াও স্পষ্ট কৰে যে ৰাজনীতি কেৱল ভোটবেংকক কেন্দ্ৰ কৰি হোৱা উচিত নহয়; সমাজত অবিৰত সংস্কাৰ আৰু ইতিবাচক পৰিৱৰ্তন আনিবলৈ সকলোৱে কাম কৰা প্ৰয়োজন। উল্লেখ্য, ১৭ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী মোদীৰ ৭৬ সংখ্যক জন্মদিন উপলক্ষে বদনগৰ আৰু বাৰাণসীৰ পৰা দুটা বাইক ৰেলী আৰম্ভ কৰা হয়। এই ৰেলী ৭ অক্টোবৰত সমাপ্ত হ'ব। ৰেলী দুটাৰ এটা বদনগৰৰ পৰা বাৰাণসীলৈ আৰু আনটো বাৰাণসীৰ পৰা বদনগৰলৈ চলিছে। প্ৰধানমন্ত্ৰী মোদীৰ চপ্ত বছৰীয়া জনসেৱাৰ স্মৃতি হিচাপে এই আয়োজন কৰা হৈছে। গুজৰাটৰ বদনগৰ প্ৰধানমন্ত্ৰী মোদীৰ জন্মস্থান, আনহাতে উত্তৰ প্ৰদেশৰ বাৰাণসী ২০১৪ চনৰ পৰা তেওঁৰ লোকসভা সমষ্টি। সেৱাৰ মনোভাৱ তৃণমূল পৰ্যায়লৈকে প্ৰেৰণ কৰাৰ উদ্দেশ্যে এই ৰেলী চহৰ, জিলা আৰু গাঁৱৰ মাজেৰে আগবাঢ়িছে। মোদীয়ে কয় যে বদনগৰে তেওঁক জীৱন গঢ় দিয়া মূল্যবোধসমূহ প্ৰদান কৰিছিল আৰু কাশীয়ে সেই মূল্যবোধৰ লগত সেৱাৰ অসংখ্য ৰং সংযোজন কৰিছে। তেওঁ কয়, "মই আনন্দিত যে আপোনালোক সকলোৱেও এই যাত্ৰাক বহু ৰঙৰ সেৱাৰে সমৃদ্ধ কৰি তুলিছে।"

মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ

বিশেষকৈ কংগ্ৰেছে অসম, জম্মু-কাশ্মীৰ, দিল্লী, উত্তৰ প্ৰদেশ, বিহাৰকে ধৰি কেইবাখনো ৰাজ্যত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছে। এই প্ৰতিবাদৰ মাজতে বিষয়টো এতিয়া আদালতৰ মজিয়াতো উত্থাপন হৈছে। আবেদনত কোৱা হৈছে যে ২৩ ছেপ্তেম্বৰত প্ৰকাশিত তথ্যচিত্ৰখনত জ্ঞানেশ কুমাৰৰ নেতৃত্বত সংঘটিত অভূতপূৰ্ব সাংবিধানিক আৰু বিধিগত কৰ্তব্য উলংঘাৰ বিষয় উন্মোচিত হৈছে। চৰকাৰী ফাইলসমূহৰ পৰা পোহৰলৈ অহা তথ্য অনুসৰি ২০২৫ চনৰ নৱেম্বৰৰ পৰা ২০২৬ চনৰ আগষ্টলৈকে ১০ মাহৰ সময়ছোৱাত নিৰ্বাচন আয়ুক্ত ড° সুখবীৰ সিং সান্ধু আৰু ড° বিবেক যোশীয়ে একপক্ষীয়, অকৰ্তৃত্বশীল আৰু অবৈধ সিদ্ধান্তৰ বিৰুদ্ধে কমেও ১৪টা পৃথক অনুষ্ঠানত লিখিত আপত্তি আৰু ভিন্নমত লিপিবদ্ধ কৰিছিল। এটা দিনতেই চাৰিবাৰকৈ এই ধৰণৰ ভিন্নমত প্ৰকাশ পাইছিল বুলি আবেদনত উল্লেখ কৰা হৈছে। আবেদন অনুসৰি, এই অবৈধ কাৰ্যকলাপসমূহৰ ভিতৰত বিধিগত প্ৰপত্ৰ ছত একপক্ষীয় আৰু অবৈধ পৰিৱৰ্তন অন্যতম। আইনগত কৰ্তৃত্ব অবিহনে প্ৰথমবাৰৰ বাবে যুৱ ভোটাৰৰ বাবে পূৰ্বপুৰুষৰ বাধ্যতামূলক চৰ্ত, অৰ্থাৎ 'শেষ এছআইআৰ সংযোগ' সংযোজন কৰা হৈছিল। এই পৰিৱৰ্তন বিধিগত কৰ্তৃত্বৰ বাহিৰত বুলি অভিযোগ উত্থাপন কৰা হৈছে। আন এক গুৰুত্বপূৰ্ণ অভিযোগত কোৱা হৈছে যে ১৯৫০ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ ১৩বি, ২২ আৰু ২৩ ধাৰাৰ অধীনত বিকেন্দ্ৰীকৃত নিৰ্বাচনী পঞ্জীয়ন বিষয়াসকলক বিধিগত কৰ্তৃত্বৰ পৰা বঞ্চিত কৰি দিল্লীত আইটি সঞ্চালক প্ৰধানৰ অধীনত নিৰ্বাচনী তালিকা ব্যৱস্থাপনা কেন্দ্ৰীভূত কৰা হৈছে। ইয়াৰ জৰিয়তে নিৰ্বাচন আয়োগৰ ক্ষমতা কেন্দ্ৰীকৰণ আৰু দখল কৰাৰ চেষ্টা চলিছে বুলি আবেদনকাৰীয়ে দাবী কৰিছে। আবেদনত উচ্চতম ন্যায়ালয়ত দাবী জনোৱা হৈছে যে জ্ঞানেশ কুমাৰৰ অধীনত সংখ্যাগৰিষ্ঠ নিৰ্বাচন আয়ুক্তৰ মতামতৰ বিপৰীতে বা সম্পূৰ্ণ আয়োগৰ সন্মতি অবিহনে গ্ৰহণ কৰা সিদ্ধান্ত, নিৰ্দেশনা আৰু ছফ্টৱেৰ পৰিৱৰ্তনসমূহ অসাংবিধানিক আৰু আইনবহিৰ্ভূত বুলি ঘোষণা কৰিব লাগে। ইয়াৰ লগতে চৰকাৰী কৰ্তব্য উলংঘাৰ অভিযোগত জ্ঞানেশ কুমাৰ, জ্যেষ্ঠ উপ-নিৰ্বাচন আয়ুক্ত মনীষ গাৰ্গ, সঞ্চালক প্ৰধান (আইটি) সীমা খান্না আৰু আন বিষয়াসকলৰ বিৰুদ্ধে অভিযোগ পঞ্জীয়ন কৰি জনপ্ৰতিনিধিত্ব আইন, ১৯৫০১ ৩২নং ধাৰাত গোচৰ ৰুজু কৰিবলৈ যোগ্য কৰ্তৃপক্ষক নিৰ্দেশনা দিবলৈও উচ্চতম ন্যায়ালয়ত আহ্বান জনোৱা হৈছে। আবেদনত আইআইটিৰ স্বতন্ত্ৰ চাইবাৰ সুৰক্ষা আইটি বিশেষজ্ঞৰ সৈতে উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ নেতৃত্বত এটা স্বতন্ত্ৰ, উচ্চ ক্ষমতাসম্পন্ন ন্যায়িক তদন্ত আয়োগ বা বিশেষ তদন্ত দল (এছআইটি) গঠন কৰিবলৈ দাবী জনোৱা হৈছে। এই এছআইটিয়ে ইচিনেট আৰু ইৰ'নেট ডাটাবেছৰ সকলো কাৰিকৰী, ফৰেনছিক আৰু প্ৰশাসনিক অডিট চলাব পৰা হ'ব। আবেদনত লগতে দাবী কৰা হৈছে যে এছআইআৰৰ অধীনত ৩০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ১৩ কোটি লোকৰ নাম কৰ্তন কৰাৰ প্ৰতিষ্ঠানিক পৰিস্থিতিৰ তদন্ত হোৱা উচিত। সেইদৰে ১৬.১০ লাখ অভিযোগ দাখিলৰ বিষয়টোও তদন্তৰ আওতালৈ আনিব লাগে। ইচিনেট !ইৰ'নেট পৰ্টেলত প্ৰপত্ৰ ছত কৰা অকৰ্তৃত্বশীল পৰিৱৰ্তনসমূহ বাতিল কৰি নিৰ্বাচক পঞ্জীয়ন নিয়ম, ১৯৬০ৰ অধীনত নিৰ্ধাৰিত অনুসৰি বিধিগত প্ৰপত্ৰ ৬ তৎক্ষণাত পুনৰুদ্ধাৰ কৰাৰ নিৰ্দেশনা দিবলৈও আহ্বান জনোৱা হৈছে। লগতে, সকলো যোগ্য প্ৰাপ্তবয়স্কক মূল বিধিগত প্ৰয়োজনীয়তাৰ ভিত্তিত ভোটাৰ হিচাপে পঞ্জীয়ন কৰিবলৈ অনুমতি দিব লাগে বুলি আবেদনত উল্লেখ কৰা হৈছে।

ছিকিমৰ ৰিম্বিত ভয়াৱহ

নামি আহে। ইয়াৰ পৰিণতিত বিদ্যুৎ বিভাগৰ চৰকাৰী আবাসিক কোঠাকে ধৰি কেইবাটাও নিৰ্মাণ ক্ষতিগ্ৰস্ত হয়। কেইবাটাও ঘৰ ক্ষতিগ্ৰস্ত হোৱাৰ লগতে সম্পূৰ্ণৰূপে ধ্বংস হোৱা বুলি জানিব পৰা গৈছে। ঘটনাটোৰ এটা ভিডিঅ' ইতিমধ্যে ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰিছে। ছিকিমত ধাৰাসাৰ বৰষুণ এতিয়াও অব্যাহত থকাৰ বাবে পৰিস্থিতি উদ্বেগজনক হৈ আছে। নেৰানেপেৰা বৰষুণৰ ফলত পুনৰ ভূমিস্খলন, সম্পত্তিৰ ক্ষতি আৰু যাতায়াত ব্যৱস্থা ব্যাহত হোৱাৰ আশংকা বাঢ়িছে। ৰিম্বিৰ এই ঘটনাটোও ৰাজ্যখনত চলি থকা ধাৰাসাৰ বৰষুণৰ মাজতে সংঘটিত হৈছে। বৰষুণৰ বাবে ছিকিমৰ বিভিন্ন অঞ্চলত ভূমিস্খলন, বোকা আৰু ধ্বংসাৱশেষৰ সোঁত আৰু পথ অৱৰোধৰ ঘটনা ঘটিছে। গেংটক জিলাত বৰষুণজনিত বিভিন্ন ঘটনাৰ পিছত জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই ব্যাপক ক্ষয়-ক্ষতিৰ মূল্যায়ন আৰম্ভ কৰিছে। ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাঙে ৰিম্বিৰ পৰিস্থিতিক লৈ উদ্বেগ প্ৰকাশ কৰি কয় যে চৰকাৰে সমগ্ৰ বিষয়টো নিৰীক্ষণ কৰি আছে। তেওঁ কয়, "যোৱা নিশা গ্যালশিং জিলাৰ ৰিম্বিত সংঘটিত ভয়ংকৰ ভূমিস্খলনৰ ঘটনাক লৈ মই গভীৰভাৱে দুখিত আৰু উদ্বিগ্ন।" মুখ্যমন্ত্ৰীয়ে জনোৱা মতে, পৰিস্থিতিৰ ওপৰত তীক্ষ্ণ নজৰ ৰাখিবলৈ, সকলো বিষয়াক সতৰ্ক হৈ থাকিবলৈ আৰু স্থানীয় বাসিন্দাসকলৰ সুৰক্ষা নিশ্চিত কৰিবলৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়া হৈছে।

মেৰাপানীত আৰক্ষীৰ অতৰ্কিত

অভিযানত আৰক্ষীয়ে ঘৰটোৰ পৰা কেইবাটাও পিষ্টল, জীৱন্ত গুলী আৰু আন বহু আপত্তিজনক সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হয়। গোলাঘাটৰ অতিৰিক্ত আৰক্ষী অধীক্ষক শ্চমুখ্যালয়গ্নৰ নেতৃত্বত এই বিশেষ অভিযানটো পৰিচালিত হৈছিল। জানিব পৰা মতে, ৪০ বছৰীয়া পলাশ জ্যোতি বৰুৱা আলফাৰ এজন প্ৰাক্তন সদস্য আছিল। তেওঁ ২০০৯ চনতেই মূল সুঁতিলৈ উভতি আত্মসমৰ্পণ কৰিছিল। আৰক্ষীয়ে তেওঁৰ বাসগৃহত চলোৱা এই অভিযানত মাৰণাস্ত্ৰৰ লগতে এখন চুৰীও উদ্ধাৰ কৰে। ইয়াৰ উপৰি ঘৰটোৰ পৰা কেইবাখনো বেংকৰ চেক বুক আৰু আপত্তিজনক বুলি সন্দেহ কৰা বহুতো গুৰুত্বপূৰ্ণ নথি-পত্ৰ আৰক্ষীৰ হাতত পৰে। অস্ত্ৰ-শস্ত্ৰ আৰু নথি-পত্ৰৰ লগতে আৰক্ষীৰ দলটোৱে দুখন বাহনো জব্দ কৰিছে। ইয়াৰ ভিতৰত এখন হৈছে এ এছ ০৩ চি ৬২৩০ নম্বৰৰ এখন য়ামাহা মটৰচাইকেল আৰু আনখন হৈছে এ এছ ০২ এ এইচ ৪৬১১ নম্বৰৰ এখন থাৰ বাহন। অৱশ্যে আৰক্ষীৰ এই অভিযানৰ সময়ত পলাশ জ্যোতি বৰুৱা ঘৰত উপস্থিত নাছিল আৰু তেওঁ বৰ্তমান পলাতক অৱস্থাত আছে। আৰক্ষীয়ে তেওঁক বিচাৰি তীব্ৰ অভিযান আৰম্ভ কৰিছে। ইপিনে, এই অস্ত্ৰ-শস্ত্ৰ আৰু গুলীবোৰ কিয় আৰু ক'ৰ পৰা অনা হৈছিল, সেই বিষয়েও আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

টকা নহ'লে একো নকৰে, সাংগঠনিক

প্ৰকাশ কৰিছে। তেওঁলোকৰ অভিযোগ, লুৰিণজ্যোতি গগৈয়ে ধন বা টকা অবিহনে কোনো কাম নকৰে। ইয়াৰ লগতে তেওঁৰ সাংগঠনিক দক্ষতাৰো যথেষ্ট অভাৱ বুলি তেওঁলোকে মন্তব্য কৰিছে। নেতা-কৰ্মীসকলৰ মতে, লুৰিণজ্যোতি গগৈৰ নেতৃত্বত নিৰ্বাচন জয় কৰাৰ কোনো সম্ভাৱনা নাই। তেওঁলোকে স্পষ্টভাৱে কয় যে তেওঁ কেৱল আপোচ কৰিবহে জানে; দলীয় সংগঠনক শক্তিশালী কৰি জনসমৰ্থন বৃদ্ধি কৰাৰ ক্ষেত্ৰত তেওঁৰ ভূমিকা অত্যন্ত দুৰ্বল। এই বিস্ফোৰক মন্তব্যৰ প্ৰেক্ষাপটতে হোজাই জিলাৰ সকলো নেতা-কৰ্মীয়ে অসম জাতীয় পৰিষদ ত্যাগ কৰিছে। তেওঁলোকৰ এই সিদ্ধান্তই দলৰ হোজাই জিলা শাখাত এক ৰাজনৈতিক সংকটৰ সৃষ্টি কৰিছে বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে। ইফালে, এই ঘটনাৰ পিছত অসম জাতীয় পৰিষদৰ হোজাই জিলা শাখাৰ ভৱিষ্যত গতিপথ আৰু দলীয় সংগঠনৰ ওপৰত ইয়াৰ প্ৰভাৱ সম্পৰ্কে বিভিন্ন মহলত আলোচনা আৰু জল্পনা-কল্পনা আৰম্ভ হৈছে।

প্ৰতিটো নিৰ্বাচিত ষ্টাৰ্টআপলৈ ১০

খানাপাৰাস্থিত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত এই উপলক্ষে আয়োজিত অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকে। মুখ্যমন্ত্ৰী ড° শৰ্মাই নিজৰ ভাষণত কয় যে যুৱক-যুৱতীসকলে কেৱল প্ৰযুক্তিৰ ব্যৱহাৰকাৰী হৈ নাথাকি নতুন প্ৰযুক্তি আৰু তাৰ সমাধানৰ স্ৰষ্টা হোৱা উচিত। এই লক্ষ্যকে আগত ৰাখি নৰ্থ-ইষ্ট সেৱা ফাৰ্ষ্ট ইন'ভেচন চেলেঞ্জে বাস্তৱ জীৱনৰ ৫০টা মুকলি প্ৰত্যাহ্বান যুৱ অভিভাৱকসকলৰ বাবে নতুন সম্ভাৱনাৰ দুৱাৰ হিচাপে আগবঢ়াইছে বুলি তেওঁ উল্লেখ কৰে। এই কাৰ্যসূচীৰ জৰিয়তে চৰকাৰ আৰু উদ্যোগ ক্ষেত্ৰত দেখা দিয়া প্ৰত্যাহ্বানসমূহৰ সমাধানৰ বাবে আজিৰ পৰা ১০ অক্টোবৰলৈ ৱেবিনাৰ, অৰিয়েণ্টেচন কৰ্মশালা আৰু প্ৰচাৰমূলক কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। আগ্ৰহী ব্যক্তি বা দলে অহা ৮ নৱেম্বৰৰ ভিতৰত পঞ্জীয়ন কৰিব পাৰিব। ১০ নৱেম্বৰ আবেদনৰ বাবে আৰু নৱেম্বৰৰ অন্তিম সপ্তাহ চূড়ান্ত পৰ্যায়ৰ বাবে নিৰ্ধাৰণ কৰা হৈছে। উদ্ভাৱনৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই মুকলি প্ৰত্যাহ্বানৰ বাবে দেশৰ যিকোনো প্ৰান্তৰ ষ্টাৰ্টআপ, উদ্ভাৱক, গৱেষক, পেছাদাৰী ব্যক্তি আৰু শিক্ষাৰ্থীৰ দলে আবেদন কৰিব পাৰিব। প্ৰতিটো নিৰ্বাচিত ষ্টাৰ্টআপলৈ প্ৰাৰম্ভিক ধাৰণা ৰূপায়ণৰ বাবে ১০ লাখ টকা পৰ্যন্ত অনুদান প্ৰদান কৰা হ'ব। ইয়াৰ লগতে ৰপ্তজ্ঞটা ষ্টাৰ্টআপ চূড়ান্ত পৰ্যায়লৈ নিৰ্বাচন কৰা হ'ব। এই পদক্ষেপে উত্তৰ-পূৰ্বাঞ্চলৰ যুৱ প্ৰজন্মক উদ্ভাৱন, উদ্যোগ আৰু প্ৰযুক্তি আধাৰিত সমাধানৰ দিশত আগবাঢ়িবলৈ উৎসাহিত কৰাৰ লগতে ৰাজ্যখনত ষ্টাৰ্টআপ আৰু উদ্ভাৱনী পৰিৱেশ অধিক শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি ৰাজনৈতিক আৰু উদ্যোগিক মহলত আশা প্ৰকাশ কৰা হৈছে।

মিঞা মুছলমানে আগৰে পৰা

আহিছে; ২০২৬ চনত আৰু বেছি ভোট দিছিল। মিঞাই মোদী ডাঙৰীয়া আৰু মোক ভাল পায়। গতিকে এইটো ছিটত কংগ্ৰেছ হাৰিলে কংগ্ৰেছৰ ক্ষতি হ'ব। বিজেপি হাৰিলে ক্ষতি হ'বলগা একো নাই। মই ভাবো, ইয়াত কংগ্ৰেছ হাৰিলে ১০০ বছৰমানলৈ অসমত কংগ্ৰেছ নাহে।" ইয়াৰোপৰি CJP-য়ে জ্ঞানেশ কুমাৰক সময় বান্ধি দিয়া সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয়, "CJP-য়ে আপোনাক-মোক সকলোকে সময় দিব পাৰে। কিন্তু CJP-য়ে ক'লৈই কোনোবাই এৰি দিব নেকি ? মোক মুখ্যমন্ত্ৰী পদ এৰিব ক'লে মই কি এৰি দিম নেকি ?" সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীগৰাকীয়ে দিয়া এই মন্তব্যৰ জৰিয়তে নগাঁও উপ-নিৰ্বাচনৰ ৰাজনৈতিক পৰিস্থিতি অধিক গুৰুত্বপূৰ্ণ হৈ পৰিছে বুলি ৰাজনৈতিক মহলত আলোচনা চলিছে।

আৰ্মেনিয়া, বাৰ্বাডোছ আৰু ইৰাকৰ

সৈতেও তেওঁ সাক্ষাৎ কৰে। জয়শংকৰে এক্সত ধাৰাবাহিকভাৱে পোষ্ট কৰি এই বৈঠকসমূহৰ বিষয়ে অৱগত কৰে। বৈঠকসমূহত দ্বিপাক্ষিক সহযোগিতা, আঞ্চলিক পৰিস্থিতি আৰু বৃহত্তৰ আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহৰ ওপৰত আলোচনা হোৱা বুলি তেওঁ উল্লেখ কৰে। ইয়াৰ উপৰি তেওঁ কুৱেতৰ বৈদেশিক মন্ত্ৰী আব্দুল্লাহ আল-ইয়াহিয়া, ছিংগাপুৰৰ বৈদেশিক মন্ত্ৰী ভিভিয়ান বালাকৃষ্ণন আৰু ইষ্টোনিয়াৰ বৈদেশিক মন্ত্ৰী মাৰ্গুছ ছাখনাৰ সৈতেও বৈঠক কৰে। মালদ্বীপৰ বৈদেশিক মন্ত্ৰীৰ সৈতে হোৱা আলোচনাত দ্বিপাক্ষিক সম্পৰ্ক আৰু বহুপাক্ষিক সহযোগিতাৰ বিষয়সমূহে গুৰুত্ব লাভ কৰে। আনহাতে, ঘানাৰ বৈদেশিক মন্ত্ৰীৰ সৈতে হোৱা বৈঠকত দুয়োখন দেশৰ সম্পৰ্ক অধিক শক্তিশালী কৰাৰ উপায়ৰ লগতে আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় পৰিস্থিতিৰ বিষয়ে আলোচনা কৰা হয়। ইষ্টোনিয়াৰ বৈদেশিক মন্ত্ৰী মাৰ্গুছ ছাখনাৰ সৈতে হোৱা আলোচনাত ইউক্ৰেইন সংঘাত, তাৰ প্ৰভাৱ আৰু বহুপাক্ষিক সহযোগিতাৰ বিভিন্ন দিশ সন্দৰ্ভত মত বিনিময় হয়। ৰাষ্ট্ৰসংঘৰ ৮ৰ সংখ্যক সাধাৰণ অধিৱেশনৰ সময়ত অনুষ্ঠিত এই ধাৰাবাহিক বৈঠকসমূহে বিশ্বৰ বিভিন্ন অঞ্চলৰ দেশসমূহৰ সৈতে ভাৰতৰ ব্যাপক কূটনৈতিক যোগাযোগৰ দিশটো স্পষ্ট কৰি তুলিছে। দ্বিপাক্ষিক সহযোগিতা, অৰ্থনৈতিক আৰু শক্তি খণ্ডৰ সম্পৰ্ক, আঞ্চলিক নিৰাপত্তা, উন্নয়ন সহযোগিতা আৰু গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় প্ৰত্যাহ্বানসমূহ এই আলোচনাসমূহৰ অন্যতম মুখ্য বিষয় হিচাপে পৰিগণিত হৈছে।

শিক্ষানুষ্ঠানৰ ৫০ মিটাৰ পৰিসৰত

বা স্বাস্থ্যৰ বাবে ক্ষতিকাৰক উপাদানযুক্ত খাদ্য বিক্ৰী কৰিব নোৱাৰিব। এনে খাদ্যই শিশু-কিশোৰৰ স্বাস্থ্যৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলোৱাৰ লগতে স্থূলতা, মধুমেহ আদি ৰোগৰ আশংকা বৃদ্ধি কৰে। ইয়াৰ লগতে শিক্ষানুষ্ঠানসমূহত মধ্যাহ্ন ভোজন প্ৰস্তুত কৰা প্ৰতিষ্ঠানসমূহলৈও বিশেষ নিৰ্দেশনা জাৰি কৰা হৈছে। খাদ্য প্ৰস্তুত, সংৰক্ষণ আৰু পৰিৱেশনৰ সময়ত স্বচ্ছতা, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু মানদণ্ড কঠোৰভাৱে পালন কৰাৰ নিৰ্দেশ দিয়া হৈছে। খাদ্যৰ মান আৰু সুৰক্ষা সুনিশ্চিত কৰিবলৈ নিয়মীয়া পৰিদৰ্শন আৰু তদাৰকী চলোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। এই পদক্ষেপে বিদ্যালয় আৰু অন্যান্য শিক্ষানুষ্ঠানত অধ্যয়ন কৰা শিশু-কিশোৰসকলক অস্বাস্থ্যকৰ খাদ্যৰ পৰা সুৰক্ষা দিয়াৰ লগতে সঠিক খাদ্যাভ্যাস গঢ়ি তোলাত সহায় কৰিব বুলি আশা কৰা হৈছে। এফএছএছএআইৰ এই নিৰ্দেশনাই শিক্ষানুষ্ঠানসমূহৰ চাৰিওফালে স্বাস্থ্যসন্মত খাদ্য পৰিৱেশ সৃষ্টি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

ভোটাৰ তালিকা সংশোধন আৰু

সময়সীমাৰ বাহিৰেও ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰাৰ সুবিধা নিৰৱচ্ছিন্নভাৱে চলি থাকে। ইয়াৰ ফলত যিকোনো যোগ্য যুৱক বা নাগৰিকে প্ৰয়োজনীয় আবেদন পত্ৰৰ জৰিয়তে নিজৰ নাম পঞ্জীয়ন কৰিব পাৰে। আয়োগৰ সূত্ৰ অনুসৰি, প্ৰকাশিত এই ২.৭৩ কোটি নতুন পৰিসংখ্যাৰ ভিতৰত ১৮ বছৰ সম্পূৰ্ণ কৰা নতুন ভোটাৰৰ লগতে পূৰ্বতে ভোটাধিকাৰ লাভ কৰিও বিশেষ কাৰণত নাম নথকা বা পৰৱৰ্তী সময়ত সংশোধিত হোৱা অন্যান্য যুৱ ভোটাৰৰ নামো অন্তৰ্ভুক্ত আছে। নিৰ্বাচন আয়োগে লগতে মনত পেলাই দিয়ে যে নতুন ভোটাৰ হিচাপে নাম পঞ্জীয়নৰ বাবে নিৰ্দিষ্ট ফৰ্ম ৬ পূৰণ কৰাৰ সুবিধা গোটেই বছৰজুৰি মুকলি থাকে। আয়োগৰ মতে, SIR চলি থকাৰ সময়তো প্ৰযুক্তিগত আৰু প্ৰশাসনিক ব্যৱস্থাৰ জৰিয়তে যুৱপ্ৰজন্মক এই ব্যৱস্থাৰ আওতালৈ অনাৰ কাম নিৰৱচ্ছিন্নভাৱে চলি আছিল। সাধাৰণতে মে' মাহৰ শেষৰ ফালে নিৰ্বাচন আয়োগে প্ৰতি বছৰৰ এছ এছ আৰ প্ৰক্ৰিয়াৰ দিন ঘোষণা কৰে। এই নিৰ্দিষ্ট বাৰ্ষিক কাৰ্যসূচীৰ জৰিয়তে বছৰৰ চাৰিটা ভিন্ন তাৰিখত অৰ্থাৎ ১ জানুৱাৰী, ১ এপ্ৰিল, ১ জুলাই আৰু ১ অক্টোবৰত ১৮ বছৰ সম্পূৰ্ণ কৰা যুৱক-যুৱতীসকলে পোনপটীয়াভাৱে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰাৰ বাবে আবেদন কৰিব পাৰে।

জাপানত অনুষ্ঠিত বিশ্ব আৰ্ম

হৈছে হেমেন হাজৰিকা আৰু প্ৰতিভা হাজৰিকাৰ কন্যা। তেওঁ গুৰুকুল গ্ৰামাৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰী। বিদ্যালয়ৰ শিক্ষাৰ লগতে ক্ৰীড়া ক্ষেত্ৰত তেওঁ দেখুওৱা একাগ্ৰতা আৰু পৰিশ্ৰমৰ ফলতেই এই আন্তৰ্জাতিক সফলতা সম্ভৱ হৈছে বুলি ক্ৰীড়া মহলত মত প্ৰকাশ কৰা হৈছে। আৰ্ম ৰেষ্টলিংৰ দৰে প্ৰত্যাহ্বানমূলক ক্ৰীড়া ক্ষেত্ৰত অসমৰ ছোৱালীয়ে বিশ্ব মঞ্চত পদক লাভ কৰাটো ৰাজ্যৰ বাবে এক উল্লেখনীয় উপলব্ধি। এই সাফল্যই আগন্তুক দিনত ৰাজ্যৰ যুৱ প্ৰজন্মক, বিশেষকৈ ছোৱালীবোৰক, আন্তৰ্জাতিক ক্ৰীড়া প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ অধিক উৎসাহিত কৰিব বুলি আশা কৰা হৈছে।

প্ৰথম পৰ্যায়ত অসমৰ ৬ জিলাৰ ১৬,৪৯৮টা অংগনৱাড়ী কেন্দ্ৰত বিশেষ কাৰ্যসূচী

ৰাজ্যৰ অংগনবাদী কেন্দ্ৰত অনুষ্ঠিত হ'ব অংগন মিলন সেৱা কাৰ্যসূচী

সেৱা সংকল্প অভিযানৰ অধীনত ২৭ ছেপ্টেম্বৰত 'অংগন মিলন সেৱা'

অসম বাৰ্তা, নুমলীগড়, ২৫ ছেপ্টেম্বৰ ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাজহুৱা সেৱা যাত্ৰাৰ ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে দেশজুৰি আৰম্ভ হোৱা মাহজোৰা 'সেৱা সংকল্প অভিযান, জনসেৱাই নাৰায়ণ সেৱা'ৰ অংশ হিচাপে অসমতো বিভিন্ন জনকল্যাণমূলক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। দেশজুৰি এই অভিযান ১৭ ছেপ্টেম্বৰৰ পৰা ১৭ অক্টোবৰলৈ ৰূপায়ণ কৰা হৈছে। এই অভিযানৰ অধীনত ৰাজ্যৰ মহিলা আৰু শিশু বিকাশ বিভাগে অহা ২৭ ছেপ্টেম্বৰত প্ৰথম পৰ্যায়ত 'অংগন মিলন সেৱা' কাৰ্যসূচী অনুষ্ঠিত কৰাৰ প্ৰস্তুতি গ্ৰহণ কৰিছে। প্ৰথম পৰ্যায়ত কামৰূপ মেট্ৰ', হোজাই, দৰং, গোৱালপাৰা, নলবাৰী আৰু তামোলপুৰ এই ছখন জিলাক সামৰি মুঠ ১৬, ৪৯৮টা অংগনৱাড়ী কেন্দ্ৰত কাৰ্যসূচী অনুষ্ঠিত কৰাৰ কথা সদৰী কৰা হৈছে। এই সম্পৰ্কে ২৫ চেপ্তেম্বৰত মন্ত্ৰীৰ ভাৰ্চুৱেলী পৰ্যালোচনা সভা অনুষ্ঠিত হয়। কাৰ্যসূচী সফলভাৱে ৰূপায়ণৰ বাবে মহিলা আৰু শিশু বিকাশ বিভাগৰ বিষয়া-কৰ্মকৰ্তাসকলৰ সৈতে আজি এখন ভাৰ্চুৱেলী সভা অনুষ্ঠিত হয়। সভাত বিভাগটোৰ সংশ্লিষ্ট বিষয়াসকলৰ সৈতে মন্ত্ৰী নীলিমা দেৱীৰ উপস্থিতিত কাৰ্যসূচীৰ প্ৰস্তুতি, ৰূপায়ণ আৰু জনসম্পৃক্ততাৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰা হয়। 'অংগন মিলন সেৱা'ৰ জৰিয়তে অংগনৱাড়ী কেন্দ্ৰসমূহক কেৱল শিশু আৰু মাতৃৰ বাবে সেৱা প্ৰদানৰ স্থান হিচাপে নহয়, বৰং পুষ্টি, স্বাস্থ্য, শিশু বিকাশ আৰু মহিলা কল্যাণৰ সৈতে সমাজক সংযোগ কৰা এক গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে অধিক সক্ৰিয় কৰি তোলাৰ লক্ষ্য গ্ৰহণ কৰা হৈছে। পুষ্টি, স্বাস্থ্য আৰু জনসম্পৃক্ততাত গুৰুত্ব অংগনৱাড়ী কেন্দ্ৰৰ জৰিয়তে গৰ্ভৱতী মহিলা, স্তন্যপান কৰোৱা মাতৃ, শিশু আৰু অন্যান্য হিতাধিকাৰীলৈ পুষ্টি আৰু স্বাস্থ্য সম্পৰ্কীয় সেৱা আগবঢ়োৱা হয়। কেন্দ্ৰীয় চৰকাৰৰ 'সক্ষম অংগনৱাড়ী আৰু পোষণ ২.০' কাৰ্যসূচীতো অপুষ্টি হ্ৰাস আৰু শিশুৰ প্ৰাথমিক বিকাশৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। 'অংগন মিলন সেৱা'ৰ জৰিয়তে এই সেৱাসমূহৰ বিষয়ে হিতাধিকাৰী আৰু স্থানীয় ৰাইজৰ মাজত অধিক সজাগতা সৃষ্টি কৰাৰ লগতে অংগনৱাড়ী কেন্দ্ৰৰ সৈতে সমাজৰ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। কাৰ্যসূচীত অংগনৱাড়ী কৰ্মী, সহায়িকা, মহিলা হিতাধিকাৰী, মাতৃ, শিশু আৰু স্থানীয় সমাজৰ অংশগ্ৰহণে গুৰুত্ব লাভ কৰিব। লগতে চৰকাৰী আঁচনি আৰু সেৱাৰ সুবিধা লাভৰ ক্ষেত্ৰত হিতাধিকাৰীসকলক প্ৰয়োজনীয় তথ্য প্ৰদান কৰাৰ ব্যৱস্থাও কৰা হ'ব। উল্লেখযোগ্য যে 'সেৱা সংকল্প অভিযান'ৰ অধীনত দেশজুৰি অংগন মিলন সেৱাৰ দৰে কাৰ্যসূচীৰ জৰিয়তে অংগনৱাড়ী কেন্দ্ৰ, মহিলা, শিশু আৰু সমাজৰ মাজত অধিক সম্পৰ্ক স্থাপনৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। অসমতো প্ৰথম পৰ্যায়ত ছখন জিলাৰ ১৬, ৪৯৮টা অংগনৱাড়ী কেন্দ্ৰত অনুষ্ঠিত হ'বলগীয়া এই কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে বিভাগীয় বিষয়া-কৰ্মচাৰীসকলক সক্ৰিয়ভাৱে জড়িত কৰা হৈছে। পৰৱৰ্তী সময়ত ৰাজ্যৰ অন্যান্য জিলাসমূহতো পৰ্যায়ক্ৰমে এনে কাৰ্যসূচী অনুষ্ঠিত কৰাৰ সম্ভাৱনা আছে। ২৭ ছেপ্টেম্বৰৰ 'অংগন মিলন সেৱা'ৰ জৰিয়তে অংগনৱাড়ী কেন্দ্ৰসমূহত মহিলা আৰু শিশুৰ পুষ্টি, স্বাস্থ্য, যত্ন আৰু কল্যাণৰ বিষয়সমূহৰ ওপৰত সজাগতা বৃদ্ধিৰ লগতে জনসম্পৃক্ততা অধিক শক্তিশালী কৰাৰ লক্ষ্য লোৱা হৈছে।

তিনিচুকীয়াত আগন্তুক শাৰদীয় দুৰ্গোৎসৱ উদ্‌যাপনৰ প্ৰস্তুতি আৰু আয়োজন সন্দৰ্ভত আলোচনা সভা

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৫ ছেপ্টেম্বৰ ঃ তিনিচুকীয়া জিলা প্ৰশাসনৰ উদ্যোগত আজি গেলাপুখুৰীস্থিত কনভেঞ্চন চেণ্টাৰৰ সভাকক্ষত আগন্তুক ২০২৬ বৰ্ষৰ দুৰ্গা পূজা উদযাপনৰ প্ৰস্তুতি আৰু আয়োজন সন্দৰ্ভত জিলাখনৰ সকলো দুৰ্গা পূজা কমিটিৰ বিষয়ববীয়াৰ সৈতে এখনি বৈঠক অনুষ্ঠিত হয়। বৈঠকত পূজা উদযাপনৰ সময়ত সৰ্বসাধাৰণ ৰাইজৰ সুৰক্ষা, যানবাহনৰ নিয়মাৱলী, পূজা মণ্ডপ সমূহৰ নিৰাপত্তা, পোহৰৰ পৰ্যাপ্ত ব্যৱস্থা, সুৰক্ষিত তথা নিয়াৰিকৈ প্ৰতিমাৰ বিসৰ্জন আদি বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰা হয়। সভাৰ আৰম্ভণিতে বিগত বৰ্ষৰ কাৰ্যবিৱৰণীখন পাঠ কৰা হয়। দুৰ্গা পূজা উদযাপনৰ ক্ষেত্ৰত জিলা প্ৰশাসনে কিছু নিয়মাৱলী জাৰি কৰিছে। সেই অনুসৰি পূজা কমিটি সমূহে সেৱা সেতু পৰ্টেলৰ জৰিয়তে জিলা প্ৰশাসনৰ পৰা আগতীয়াকৈ প্ৰয়োজনীয় অনুমতি লোৱাৰ লগতে সংশ্লিষ্ট বিভাগৰ পৰাও আপত্তি বিহীন প্ৰমাণ পত্ৰ (NOC) সমূহ সংগ্ৰহ কৰিব লাগিব। প্ৰতিটো পূজা মণ্ডপত CCTV লগোৱাটো বাধ্যতামূলক। অগ্নি নিৰ্বাপনৰ সামগ্ৰী পূজা মণ্ডপত ৰাখিব লাগিব। প্ৰতিটো পূজা মণ্ডপত ৰাইজৰ বাবে বিশুদ্ধ খোৱাপানীৰ সুব্যৱস্থা কৰিব লাগিব। মণ্ডপসমূহত পুৰুষ আৰু মহিলাৰ বাবে প্ৰৱেশ আৰু প্ৰস্থানৰ পৃথক পৃথক ব্যৱস্থা কৰিব লাগিব। পূজা কমিটিসমূহে পৰিষ্কাৰ পৰিচ্ছন্নতাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব আৰু পৰ্যাপ্ত ডাষ্টবিনৰ ব্যৱস্থা কৰিব লাগিব। পূজা মণ্ডপ নিৰ্মাণৰ সময়ত ৰাজহুৱা সম্পত্তিৰ ক্ষয় ক্ষতি কৰিব নোৱাৰিব। পূজা মণ্ডপৰ চাৰিওফালে পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা কৰিব লাগিব। পূজা কমিটিসমূহে পৰ্যাপ্ত পৰিমাণৰ স্বেচ্ছাসেৱক নিয়োগ কৰিব লাগিব আৰু স্বেচ্ছাসেৱক সকলৰ নাম সমূহ পুলিচ ভেৰিফিকেচনৰ বাবে তেওঁলোকৰ নিকটৱৰ্তী আৰক্ষী থানাত আগতীয়াকৈ জমা দিব লাগিব। দেৱীৰ প্ৰতিমাসমূহ প্ৰকৃতিৰ অনুকূল সামগ্ৰীৰে নিৰ্মিত হ'ব লাগিব। নিশাৰ ভাগত দুৰ্গা পূজাস্থলীৰ যাৱতীয় সুৰক্ষাৰ ক্ষেত্ৰত পূজা কমিতিসমূহে ব্যৱস্থা ল'ব লাগিব। পূজা কমিটিসমূহে পূজা মণ্ডপৰ ওচৰে পাজৰে মাদক দ্ৰব্য ব্যৱহাৰৰ ওপৰত চোকা নজৰ ৰাখিব লাগিব। পূজা উপলক্ষে কোনো ধৰ্মীয় সমদল উলিয়াব লগা হ'লে, তাৰ বাবে আগতীয়াকৈ জিলা প্ৰশাসনৰ অনুমতি ল'ব লাগিব। জৰুৰীকালীন ফোন নম্বৰ সমূহ ভক্তগণৰ সুবিধাৰ্থে পূজা মণ্ডপত সকলোৰে দেখাকৈ প্ৰদৰ্শিত কৰি ৰাখিব লাগিব। প্ৰতিমা বিসৰ্জন স্থলীত সীমিত সংখ্যক লোকেহে অংশগ্ৰহণ কৰিব পাৰিব। অতিৰিক্ত জিলা আয়ুক্ত পংকজ কুমাৰ নাগবংশীয়ে জিলাখনত শান্তি - শৃংখলা বজাই ৰাখি আগন্তুক দুৰ্গা পূজা শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাত সকলোৰে সহায় - সহযোগিতা আন্তৰিকতাৰে কামনা কৰে। আজিৰ বৈঠকত সহকাৰী জিলা আয়ুক্ত খুচী ক'ৰৈনীয়া, সহকাৰী আয়ুক্ত মোৱামেনলা আও, সহকাৰী আয়ুক্ত অভিজাত বৰা, অতিৰিক্ত আৰক্ষী অধীক্ষক মৃণ্ময় দাস প্ৰমুখ্যে আৰক্ষী তথা জিলা প্ৰশাসনৰ অন্যান্য বিষয়ববীয়া, আৰক্ষীৰ যান-বাহন শাখা, অগ্নিনিৰ্বাপক বাহিনী, বিদ্যুৎ বিভাগ, লোকনিৰ্মাণ (পথ) আৰু লোকনিৰ্মাণ (গৃহ) বিভাগ, জলসম্পদ বিভাগ, প্ৰদূষণ নিয়ন্ত্ৰণ, পৰিবহণ বিভাগৰ মুৰব্বী বিষয়াসকল, আৰু পূজা কমিটিসমূহৰ সভাপতি, সম্পাদক আৰু সদস্যসকল উপস্থিত থাকে।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত সেৱা সংকল্প অভিযানৰ অধীনত বক্তৃতা প্ৰতিযোগিতা

৪১ গৰাকী শিক্ষাৰ্থীৰ অংশগ্ৰহণ-অঙ্গনা মহন্ত প্ৰথম স্থান

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৫ ছেপ্টেম্বৰ ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ 'ৰংঘৰ প্ৰেক্ষাগৃহ'ত 'সেৱা সংকল্প অভিযান'ৰ অধীনত এখনি বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিশ্ববিদ্যালয় খনৰ বিভিন্ন বিভাগ আৰু অধ্যয়ন কেন্দ্ৰৰ শিক্ষাৰ্থীসকলে প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰে। এই প্ৰতিযোগিতাখন দুটা শাখাত স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীত অনুষ্ঠিত হৈছিল। প্ৰতিযোগিতাখনত মুঠ ৪১ গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে, যাৰ ভিতৰত ২০ গৰাকী স্নাতক শাখাৰ আৰু ২১ গৰাকী স্নাতকোত্তৰ শাখাৰ প্ৰতিযোগী আছিল। অনুষ্ঠানটি উদ্বোধন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ কল্যাণ শাখাৰ প্ৰফেচাৰ সুৰজিৎ বৰকটকীয়ে। তেওঁ অংশগ্ৰহণকাৰী শিক্ষাৰ্থীসকলক উৎসাহিত কৰাৰ লগতে যুৱ প্ৰজন্মক নিজৰ ধাৰণা আৰু দৃষ্টিভংগী প্ৰকাশ কৰাৰ বাবে মঞ্চ প্ৰদান কৰাৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰে। স্নাতক শাখাত প্ৰতিযোগিতাৰ বিষয়বস্তু আছিল "উদ্ভাৱনৰ জৰিয়তে সবলীকৰণ: ভাৰতৰ অৱদান"। 'চেণ্টাৰ ফৰ জুৰিডিকেল প্ৰগ্ৰেম'ৰ বি.এ. এল.এল.বি. (হ'নৰ্ছ)ৰ ছাত্ৰী অংগনা মহন্তই প্ৰথম স্থান অধিকাৰ কৰে। ইফালে ইংৰাজী বিভাগৰ 'এফ.ৱাই.আই.পি.জি.পি.' ৩য় ষাণ্মাসিকৰ গাৰ্গী বৰণীয়াই দ্বিতীয় স্থান আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ এফ.ৱাই.আই. পি.জি.পি.ৰ ষাণ্মাসিকৰ সুস্মৃতা শৰ্মাই তৃতীয় স্থান লাভ কৰে। স্নাতকোত্তৰ শাখাত বিষয়বস্তু আছিল "ভাৰতত কৃত্ৰিম বুদ্ধিমত্তা আৰু ডিপ টেক ষ্টাৰ্টআপ: স্বাৱলম্বী ডিজিটেল পৰিৱেশ তন্ত্ৰৰ নিৰ্মাণ"। 'চেণ্টাৰ ফৰ মেনেজমেণ্ট ষ্টাডিজ'ৰ এম.বি.এ. ৩য় ষাণ্মাসিকৰ ৰুবাইয়া খাতুনে প্ৰথম স্থান অধিকাৰ কৰে। 'চেণ্টাৰ ফৰ ষ্টাডিজ ইন জাৰ্নেলিজম এণ্ড মাছ কম্যুনিকেচন'ৰ এম.এ. ১ম ষাণ্মাসিকৰ কমল নয়ন দত্তই দ্বিতীয় স্থান আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ এম.এ. ৩য় ষাণ্মাসিকৰ অস্মিতা লাহন-এ তৃতীয় স্থান অধিকাৰ কৰে। প্ৰতিযোগীসকলৰ বিচাৰক হিচাপে আছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ 'চেণ্টাৰ ফৰ ষ্টাডিজ ইন জাৰ্নেলিজম এণ্ড মাছ কম্যুনিকেচন'ৰ সহকাৰী অধ্যাপক ড° কাঙা কাবেৰী সোণোৱাল, শিক্ষা বিভাগৰ সহকাৰী অধ্যাপিকা ড° মুনমী বৰা, আৰু 'চেণ্টাৰ ফৰ ছ'চিয়েল ৱৰ্ক ষ্টাডিজ'ৰ সহকাৰী অধ্যাপক ড° আনছাই বাথৌ বসুমতাৰী। এই প্ৰতিযোগিতাখনে শিক্ষাৰ্থীসকলক উদ্ভাৱন, কৃত্ৰিম বুদ্ধিমত্তা আৰু ভাৰতৰ উন্নয়নমূলক লক্ষ্যসমূহৰ সৈতে জড়িত সাম্প্ৰতিক বিষয়সমূহৰ সন্দৰ্ভত নিজৰ জ্ঞান, বিশ্লেষণাত্মক দক্ষতা, মৌলিকতা আৰু ৰাজহুৱা বক্তৃতাৰ দক্ষতা প্ৰদৰ্শন কৰাৰ এক উত্তম সুযোগ প্ৰদান কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত 'সেৱা সংকল্প অভিযান'ৰ বক্তৃতা প্ৰতিযোগিতাখনৰ ন'ডেল বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰা ৰাজনীতি বিজ্ঞান বিভাগৰ ড° বৰুণ দে আৰু শিক্ষা বিভাগৰ ড° প্ৰাঞ্জল বুঢ়াগোহাঁইয়ে অনুষ্ঠানটি পৰিচালনা কৰে। অনুষ্ঠানটিৰ আঁত ধৰে প্ৰীতিশা গগৈ আৰু ডিম্পল দাসে।

অনাথ শিশুৰ মাজত অধ্যয়ন-খেলৰ সামগ্ৰী বিতৰণ

জুবিনৰ মৃত্যুবাৰ্ষিকীত আৰ্তজনৰ কাষত পদ্ম-সৰস্বতী বিদ্যা মন্দিৰ

অসম বাৰ্তা, ২৫ ছেপ্টেম্বৰ ঃ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ জীৱন-দৰ্শনৰ মূলমন্ত্ৰ আছিল আৰ্তজনৰ কাষত থিয় দি সমগ্ৰ মানব জাতিক উদ্বুদ্ধ কৰা। জুবিন গাৰ্গৰ সেই আদৰ্শক সাৱোগত কৰিয়েই যোৱা ১৯ ছেপ্টেম্বৰত শিল্পীজনাৰ প্ৰথম মৃত্যুবাৰ্ষিকীৰ শ্ৰদ্ধাৰ্ঘস্বৰূপে চিলাপথাৰৰ পদ্ম-সৰস্বতী বিদ্যা মন্দিৰে ন 'গানে কি আনে' শীৰ্ষক কাৰ্যসূচীৰ জৰিয়তে উপস্থিত হয় মাছখোৱাৰ অনাথ আশ্ৰমৰ শব শিশুসকলৰ কাষত। নতুন দিনৰ ৰেঙনি ৰি বিচাৰি জীৱনৰ সন্ধান কৰি ফুৰা আশ্ৰমৰ এস সেই ফুলকুমলীয়া শিশু আৰু কিশোৰ-ক্ষণ কিশোৰীসকলৰ ওচৰত থিয় হৈ চিলাপথাৰৰ ভয় শিক্ষানুষ্ঠানখনে গীত, নৃত্য আৰু মত ভব বিনিময়েৰে ৰঙীন কৰি তোলে আহিনৰ ষ্টি প্ৰথমটো আবেলি। "অসহায়জনক সহায়ৰ ত হাত আগবঢ়াই জীয়াই থকাৰ প্ৰেৰণা দিয়াই এৰ আছিল জুবিন গাৰ্গৰ জীৱনৰ মহত্তম দৰ্শন। য়ে যিয়ে জুবিন গাৰ্গক মহাত্মালৈ ৰূপান্তৰিত এক কৰিলে।" এইভাষ্য পদ্ম-সৰস্বতী বিদ্যা মন্দিবৰ সঞ্চালক জোনটি সোণোৱালৰ। ১৯ ছেপ্টেম্বৰত মাছখোৱাৰ সৰ্বোগ্ৰাম সেৱা সংঘ আৰু শিশু গৃহৰ অনাথ শিশুসকলৰ কাষত থিয় হৈ এই মন্তব্য কৰে সঞ্চালকগৰাকীয়ে। কাজেই পদ্ম-সৰস্বতীবিদ্যা মন্দিৰৰ পৰিয়ালে শক্তি অনুযায়ী শিশুসকলক অধ্যয়ন সামগ্ৰী ক্ৰমে স্কুল বেগ, কিতাপ, বহী, কলম, ড্ৰয়িং বুক, জ্যামিতি বক্স, পানী নিয়া বটল আদিৰ লগতে খেলা-ধূলাৰ সামগ্ৰী ক্ৰমে ফুটবল, ভলীবল, কেৰমবৰ্ড, বেডমিণ্টন আদি প্ৰদান কৰে। তদুপৰি পদ্ম-সৰস্বতী বিদ্যা মন্দিৰৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে নিজাববীয়াকৈ সকলোৰে বাবে খাদ্যৰ ব্যৱস্থা কৰে। উল্লেখযোগ্য যে পুৰা একাডেমীৰ চৌহদত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰাৰ পিচত মাল্যাৰ্পণ কৰে অসমীয়া বিভাগৰ প্ৰবক্তা প্ৰণবী সোণোবাল বাইলুঙে। শৈক্ষিক তত্বাৱধায়ক কুইন দেউৰীয়ে আঁত ধৰা অনুষ্ঠানত ছাত্ৰী নিবাসৰ ছাত্ৰীসকলে 'মায়াবিনী' শীৰ্ষক সমবেত সংগীত পৰিবেশন কৰে। সমাজ বিজ্ঞান বিভাগৰ প্ৰবক্তা মিথুশ্ৰী মৰাণে আঁত ধৰা 'গানে কি আনে' শীৰ্ষক অনুষ্ঠানৰ আদৰণী ভাষণ দিয়ে আশ্ৰমৰ অধ্যক্ষ মিণ্টু কোচে। শিশুগৃহত শিশুসকলৰ সৈতে পুনৰ পৰিবেশন কৰা হয় মায়াবিনী। আশ্ৰমৰ মেধাবী ছাত্ৰী কিৰণে পৰিবেশন কৰা জুবিনৰ গীতে সকলোকে মুগ্ধ কৰে। ইয়াৰ পিচতে পদ্ম-সৰস্বতীৰ শিক্ষক, ছাত্ৰ আৰু আশ্ৰমৰ শিশুসকলে নাচ, গান আৰু কথাৰে অনুষ্ঠানটি আনন্দময় কৰি তোলে।

ডুমডুমাত সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতাৰ আয়োজন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৫ ছেপ্টেম্বৰ ঃ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত, ডুমডুমা আঞ্চলিক সমিতিৰ আতিথ্যত আৰু ডুমডুমাবাসীৰ সহযোগত পোন প্ৰথমবাৰৰ বাবে ডুমডুমাত অনুষ্ঠিত কৰিবলৈ লোৱা সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতাখনি সুচাৰুৰূপে পৰিচালনা কৰি নিবৰ বাবে এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰাৰ উদ্দেশ্যে আজি এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি প্ৰবীণ তামোলীৰ সভাপতিত্বত ডুমডুমা শাখা সাহিত্য সভা ভৱনৰ প্ৰাঙ্গণত অনুষ্ঠিত হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়াই পৰিষদৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক কল্যাণজ্যোতি মৰাণে। আনহাতে পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰিবলৈ লোৱা এই দিহানাম প্ৰতিযোগিতাখনি কিদৰে অনুষ্ঠিত কৰাৰ পৰিকল্পনা যুগুত কৰিছে সেই বিষয়ে এটি চমু আভাস দাঙি ধৰে পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক সুৰজিৎ মৰাণে। সভাত উপস্থিত থকা পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপ সভাপতি মায়াৰাণী লাহন গগৈ, সত্ৰীয়া সংস্কৃতিৰ সাধক মাধৱ বৰা, ডুমডুমা মহাবিদ্যালয়ৰ উপাধ্যক্ষ দীপক ৰঞ্জন বৰুৱা, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ বীৰেন্দ্ৰ হাজৰিকা, জ্যেষ্ঠ সাংবাদিক অৰ্জুন বৰুৱা, ডুমডুমা প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতি মনোজ দত্ত, ডুমডুমা পৌৰসভাৰ প্ৰাক্তন পৌৰপতি দুলু আৰন্ধৰা, বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়া আৰু সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰতিম নেওগে এই প্ৰতিযোগিতাখনি অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত বিভিন্ন পৰামৰ্শমূলক তথা শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। এই সভাই দিহানাম প্ৰতিযোগিতাখনি সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে দুলু আৰন্ধৰাক সভাপতি, বীৰেন্দ্ৰ হাজৰিকা, গোবিন্দ ফুকন, মাধৱ বৰা, মৃগেন শইকীয়া আৰু দ্বীজেন শৰ্মাক কাৰ্যকৰী সভাপতি, মনোজ তালুকদাৰ আৰু জিতুল সোণোৱালক যুটীয়া সম্পাদক আৰু প্ৰভাকৰ শৰ্মাক কোষাধ্যক্ষ হিচাপে লৈ এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰি দিয়ে। ডুমডুমাৰ বিষ্ণুপ্ৰিয়া দিহানাম দলৰ দিহানাম পৰিৱেশনেৰে আৰম্ভ কৰা আজিৰ ৰাজহুৱা সভাখনত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উপ সভানেত্ৰী কিৰণময়ী হাজৰিকা বৰুৱা, ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকা, শিশুভাস্কৰ হেমন্ত ৰাজ মৰাণ, ডুমডুমা নামঘৰৰ সভাপতি গোবিন্দ ফুকন, সম্পাদক অজিত কুমাৰ পাঠক, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সোণমণি চলিহা, প্ৰবীণ অভিনেতা প্ৰফুল্ল মহন্ত, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ৰূপেশ তাঁতী, সদৌ মৰাণ ছাত্ৰ সন্থাৰ কাৰ্যালয় সম্পাদক পদ্মজিৎ মৰাণ, অসমীয়া যুৱ মঞ্চ, তিনিচুকীয়া জিলা সমিতিৰ সভাপতি অচিন্ত্য মেধি, পৰিষদৰ ডুমডুমা আঞ্চলিক সমিতিৰ সভাপতি হীৰকজ্যোতি মৰাণ, সাধাৰণ সম্পাদক ছত্ৰপতি মৰাণকে প্ৰমুখ্য কৰি পৰিষদৰ বিভিন্ন আঞ্চলিকৰ বিষয়ববীয়া, স্থানীয় বিভিন্ন দল-সংগঠনৰ নেতৃত্ব আৰু বহুকেইগৰাকী বিশিষ্ট ব্যক্তি আৰু ধৰ্মপ্ৰাণ ৰাইজে এই সভাত অংশগ্ৰহণ কৰে।

মণিপুৰক ছমাহৰ বাবে অশান্ত এলেকা ঘোষণা

সীমান্তৱৰ্তী অঞ্চলত সংঘটিত এই আক্ৰমণত পিতৃ-পুত্ৰকে ধৰি চাৰি গৰাকী টাংখুল নগা নিহত হয়। আক্ৰমণকাৰী দুৰ্বৃত্তই নিহত লোকসকলক হত্যা কৰাৰ লগতে প্ৰায় ছজ্জুটা বাসগৃহত অগ্নিসংযোগ কৰে। এই ঘটনাই ভাৰত-ম্যানমাৰ সীমান্তত অৱস্থিত পিছপৰা গাঁওসমূহৰ নিৰাপত্তা সম্পৰ্কে নতুন প্ৰশ্নৰ সৃষ্টি কৰিছে। আৰক্ষীয়ে নিহত লোকসকলক ক্ৰমে কংপট খুল্লেনৰ বাসিন্দা ৰেৰিশ্বিম জাজো আৰু তেওঁৰ পুত্ৰ ফামি জাজো, কাংপট খুনৌৰ বেটাৰছন জাজো আৰু জিংছুই গাঁৱৰ নিংথেম কাছাক বুলি চিনাক্ত কৰিছে। নগা পিপলছ অৰ্গেনাইজেশ্যনৰ আইন সম্পাদক তথা মুখপাত্ৰ এনজি চুনথানে জনোৱা মতে, আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ সমীপত কাংপাট অঞ্চলৰ সীমান্ত স্তম্ভ জ্বাৰ-জ্বাৰ ওচৰত পুৰতি নিশা প্ৰায় ৰ্,স্তু বজাত এই ঘটনা সংঘটিত হয়। অঞ্চলটো সীমান্তৱৰ্তী দুৰ্গম স্থান হোৱাৰ বাবে নিৰাপত্তাৰক্ষীৰ দল সময়মতে ঘটনাস্থলীত উপস্থিত হ'বলৈ যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। নিৰাপত্তাৰক্ষী উপস্থিত হোৱাৰ আগতেই দুৰ্বৃত্তই অঞ্চলটোৰ প্ৰায় ছজ্জুটা ঘৰত অগ্নিসংযোগ কৰে বুলি অনুমান কৰা হৈছে। পৰৱৰ্তী সময়ত ঘটনাস্থলীৰ পৰা চাৰিটাকৈ মৃতদেহ উদ্ধাৰ কৰা হয়। আনহাতে, খাম লুনফা ফ্ৰেটাৰ্ণেল অৰ্গেনাইজেশ্যন শ্চল্গ্ঠখগ্নয়ে এই হত্যাকাণ্ডক তীব্ৰ গৰিহণা দিছে। সংগঠনটোৱে কেএনএশ্চবিগ্নয়ে সাধাৰণ লোকসকলক আক্ৰমণ কৰি হত্যা কৰাৰ অভিযোগ তোলে। শুকুৰবাৰে জাৰি কৰা এক বিবৃতিত সংগঠনটোৱে এই ঘটনাত নিহত লোকসকলৰ পৰিয়ালৰ প্ৰতি গভীৰ শোক ব্যক্ত কৰে। কেএলএফঅ'ই এই আক্ৰমণৰ একমাত্ৰ জীৱিত ব্যক্তি আখন কাপিঙৰ আশু আৰোগ্য, সুৰক্ষা আৰু কল্যাণৰ বাবে প্ৰাৰ্থনা জনায়। সংগঠনটোৱে এই আক্ৰমণক সাধাৰণ লোকসকলৰ বিৰুদ্ধে এক গুৰুতৰ হিংসাত্মক কাৰ্য আখ্যা দি সীমান্ত অঞ্চলত বাস কৰা লোকসকলৰ সুৰক্ষা আৰু নিৰাপত্তা নিশ্চিত কৰাৰ দাবী তোলে। কেএলএফঅ'ই ভাৰত চৰকাৰ, মণিপুৰ চৰকাৰ আৰু সংশ্লিষ্ট নিৰাপত্তা সংস্থাসমূহক এই ঘটনাৰ তাৎক্ষণিক, নিৰপেক্ষ আৰু পুংখানুপুংখ তদন্ত কৰিবলৈ দাবী জনায়। লগতে দোষী সাব্যস্ত হোৱা যিকোনো লোকক আইন অনুসৰি শাস্তি দিয়াটো নিশ্চিত কৰিবলৈ কৰ্তৃপক্ষক আহ্বান জনায়। দুৰ্গম সীমান্তৱৰ্তী অঞ্চলত বসবাস কৰা দুৰ্বল জনগোষ্ঠীয় লোকসমূহৰ সুৰক্ষাৰ বাবে অধিক শক্তিশালী নিৰাপত্তা ব্যৱস্থা গ্ৰহণৰ দাবীও সংগঠনটোৱে উত্থাপন কৰে। সকলোকে সংযম ৰক্ষা কৰিবলৈ আহ্বান জনাই কেএলএফঅ'ই সংশ্লিষ্ট সকলো পক্ষকে এনে কোনো পদক্ষেপ গ্ৰহণ নকৰিবলৈ কয়, যিয়ে উত্তেজনা বৃদ্ধি কৰিব পাৰে বা অঞ্চলটোৰ জনগোষ্ঠীসমূহৰ মাজত শান্তিপূৰ্ণ সহাৱস্থান আৰু সামাজিক সম্প্ৰীতি বিঘ্নিত কৰিব পাৰে। ইফালে, মণিপুৰত পুনৰ হিংসাত্মক ঘটনা সংঘটিত হোৱাৰ মাজতে সাধাৰণ লোকসকলৰ নিৰাপত্তাক লৈ নতুনকৈ উদ্বেগ সৃষ্টি হৈছে। বিশেষকৈ মণিপুৰ-ম্যানমাৰ সীমান্তৱৰ্তী পাহাৰীয়া অঞ্চলসমূহত সংঘটিত হত্যাকাণ্ড, অগ্নিসংযোগ আৰু সশস্ত্ৰ আক্ৰমণক লৈ কংগ্ৰেছৰ বিধায়িনী দলৰ নেতা কে. মেঘচন্দ্ৰ সিঙে প্ৰশ্ন উত্থাপন কৰিছে। শেহতীয়াকৈ সংঘটিত আক্ৰমণৰ লগতে অগ্নিসংযোগৰ ঘটনাক গৰিহণা দি তেওঁ সাধাৰণ লোকসকলক সুৰক্ষা প্ৰদানৰ ক্ষেত্ৰত চৰকাৰ আৰু নিৰাপত্তা বাহিনীৰ ভূমিকা সন্দৰ্ভত জবাবদিহিতা দাবী কৰিছে। উল্লেখ্য, মণিপুৰৰ বৰ্তমান সংকটৰ মূল পটভূমি হৈছে চজ্ঝচ্ চনৰ, মে'ৰ পৰা ৰাজ্যখনত আৰম্ভ হোৱা জাতিগত হিংসা। এই সংঘাতৰ ফলত সাধাৰণ লোকৰ ঘৰ-দুৱাৰ, ধৰ্মীয় স্থান আৰু অন্যান্য সা-সম্পত্তিৰ বৃহৎ ক্ষতিসাধন হয়। এই সংঘাতৰ মাজতে কেন্দ্ৰীয় চৰকাৰে বিভিন্ন সময়ত ৰাজ্যখনলৈ শান্তি আৰু নিৰাপত্তা ঘূৰাই অনাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। চজ্ঝচ্ চনৰ মে' মাহৰ শেষত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মণিপুৰ ভ্ৰমণ কৰি বিভিন্ন পক্ষৰ সৈতে আলোচনাত মিলিত হৈছিল। চজ্ঝ মে'ৰ পৰা ৰ জুনলৈ চলা গৃহমন্ত্ৰীগৰাকীৰ ভ্ৰমণৰ সময়ত নিৰাপত্তা পৰিস্থিতি পৰ্যালোচনা, বিভিন্ন সম্প্ৰদায়ৰ লোকৰ সৈতে আলোচনা আৰু শান্তি স্থাপনৰ বাবে ব্যৱস্থাৰ কথা ঘোষণা কৰা হৈছিল। পৰৱৰ্তী সময়ত কেন্দ্ৰই ন্যায়িক তদন্ত আয়োগ গঠনৰ কথাও ঘোষণা কৰে। অৱসৰপ্ৰাপ্ত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ন্যায়াধীশ অজয় লাম্বাৰ অধ্যক্ষতাত এখন আয়োগ গঠন কৰা হৈছিল। হিংসাৰ আঁৰৰ কাৰণ, ইয়াৰ বিস্তাৰ আৰু দায়িত্বশীল কৰ্তৃপক্ষ বা ব্যক্তিৰ কোনো ত্ৰুটি আছিল নেকি, সেই বিষয়সমূহ তদন্তৰ আওতালৈ অনা হৈছিল। দীৰ্ঘদিনীয়া এই সংঘাতৰ মাজতে চজ্ঝচপ্ত চনৰ ৰ্ ফেব্ৰুৱাৰীত তদানীন্তন মুখ্যমন্ত্ৰী এন. বীৰেন সিঙৰ পদত্যাগৰ পাছত মণিপুৰত ৰাষ্ট্ৰপতি শাসন জাৰি কৰা হৈছিল। পৰৱৰ্তী সময়ত ৰাষ্ট্ৰপতি শাসন প্ৰত্যাহাৰ কৰি যুমনাম খেমচান্দ সিঙৰ নেতৃত্বত মণিপুৰত নতুন চৰকাৰ গঠন হয়। কিন্তু নতুন চৰকাৰ গঠনৰ পাছতো ৰাজ্যখনত সংঘটিত হিংসাত্মক ঘটনা আৰু সশস্ত্ৰ আক্ৰমণৰ ঘটনাই নিৰাপত্তাজনিত পৰিস্থিতিক লৈ প্ৰশ্ন উত্থাপন কৰি আহিছে। চজ্ঝচ্ চনত হিংসা আৰম্ভ হোৱাৰ পাছতে কেন্দ্ৰীয় গৃহ পৰিক্ৰমা ৰাজ্যিক মন্ত্ৰী নিত্যানন্দ ৰায় আৰু বিজেপিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ তথা মণিপুৰৰ দায়িত্বপ্ৰাপ্ত নেতা ডজ্ঝ সম্বিত পাত্ৰই তদানীন্তন ৰাজ্যপাল অনসূয়া উইকেক সাক্ষাৎ কৰি পৰিস্থিতিৰ বুজ লৈছিল। ইয়াৰ পাছত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মণিপুৰত উপস্থিত হৈ বিভিন্ন পক্ষৰ সৈতে আলোচনা কৰে। চজ্ঝচ্ চনৰ ৰ জুনত ইম্ফলত সংবাদমেল সম্বোধন কৰি তেওঁ শান্তি বজাই ৰখা, আলোচনাৰ জৰিয়তে সমাধান বিচৰাৰ লগতে উৰাবাতৰিত বিশ্বাস নকৰিবলৈ সকলো পক্ষক আহ্বান জনাইছিল। আনহাতে, ন্যায়িক তদন্ত আয়োগ আৰু সকলো পক্ষৰ প্ৰতিনিধিক লৈ শান্তি সমিতি গঠনৰ কথাও ঘোষণা কৰিছিল। ইয়াৰ লগতে কে. মেঘচন্দ্ৰ সিঙে শেহতীয়াকৈ মিজোৰামৰ আইজলত সংযুক্ত কুকি ৰাষ্ট্ৰীয় সেনাবাহিনী শচহুন্ত্তুট্ঠগ্নৰ কমাণ্ডাৰ-ইন-চীফ হিচাপে পৰিচিত থাংখোমাং হাওকিপক গ্ৰেপ্তাৰ কৰাৰ বিষয়টোও উল্লেখ কৰে। চচ্ছ ছেপ্তেম্বৰত অসম ৰাইফলছ আৰু এনআইএৰ যৌথ অভিযানত আইজলত হাওকিপক আটক কৰা বুলি পোহৰলৈ আহিছে। তেওঁৰ সৈতে তেওঁৰ চালককো আটক কৰা হৈছিল। পৰৱৰ্তী সময়ত এনআইএয়ে আইজলত দুগৰাকী কুকি ছাত্ৰ নেতাকো আটক কৰে বুলি চৰকাৰী সূত্ৰৰ উদ্ধৃতিৰে খবৰ প্ৰকাশ পাইছে। ইউকেএনএ SoO বা Suspension of Operations চুক্তিৰ স্বাক্ষৰকাৰী নহয় বুলি মন্তব্য কৰি মেঘচন্দ্ৰ সিঙে কয় যে ত্ৰক্সথ ব্যৱস্থাৰ অধীনত থকা গোটসমূহ আৰু ইয়াৰ বাহিৰত থকা ভূগৰ্ভস্থ সংগঠনসমূহক একে দৃষ্টিৰে চাব নালাগে। মণিপুৰত সক্ৰিয় সকলো সশস্ত্ৰ সংগঠনৰ কাৰ্য-কলাপৰ ওপৰত কঠোৰ নিৰীক্ষণৰ বাবে তেওঁ দাবী জনায়। মণিপুৰৰ দীৰ্ঘদিনীয়া সংকটৰ স্থায়ী সমাধানৰ বাবে কেৱল নিৰাপত্তা ব্যৱস্থা যথেষ্ট নহয় বুলি মত প্ৰকাশ কৰি কে. মেঘচন্দ্ৰ সিঙে সকলো পক্ষৰ মাজত অৰ্থপূৰ্ণ আলোচনা আৰম্ভ কৰাৰ আহ্বান জনায়। তেওঁ কয়, "শান্তিৰ বাবে এতিয়ালৈকে কোনো পথ-নক্সা নাই। চৰকাৰ এই বিষয়ত গুৰুত্বসহকাৰে আগবাঢ়ি অহা নাই।" তেওঁৰ মতে, মণিপুৰৰ সমস্যাৰ সমাধানৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে সকলো সম্প্ৰদায়, নাগৰিক সমাজ, ৰাজনৈতিক পক্ষ আৰু সংশ্লিষ্ট অংশীদাৰক লৈ আলোচনাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব লাগিব। তেওঁ ৰাজনৈতিক আৰু সাংবিধানিক সমাধানৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে দীৰ্ঘদিনীয়া সংঘাতৰ অন্ত পেলাবলৈ বিশ্বাস পুনৰ গঠন আৰু সকলো পক্ষৰ অংশগ্ৰহণৰ বাদে বিকল্প নাই। ইফালে, মণিপুৰত শেহতীয়াকৈ সংঘটিত হত্যাকাণ্ড, সশস্ত্ৰ আক্ৰমণ, অগ্নিসংযোগ আৰু অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰৰ ঘটনা অব্যাহত আছে। বিশেষকৈ সীমান্তৱৰ্তী আৰু পাহাৰীয়া অঞ্চলসমূহত সাধাৰণ নাগৰিকৰ সুৰক্ষাক লৈ নতুনকৈ উদ্বেগ সৃষ্টি হৈছে। কামজঙত চাৰিগৰাকী টাংখুল নাগা নাগৰিক নিহত হোৱাৰ ঘটনাই মণিপুৰৰ দীৰ্ঘদিনীয়া সংঘাতৰ মাজত সংখ্যালঘু আৰু সীমান্তৱৰ্তী সম্প্ৰদায়সমূহৰ সুৰক্ষাৰ প্ৰশ্নটো পুনৰ সন্মুখলৈ আনিছে। আনহাতে, শেহতীয়া ঘটনাসমূহৰ সম্পূৰ্ণ পৰিস্থিতি, আক্ৰমণৰ আঁৰত কোন আছিল আৰু বাসগৃহ তথা উপাসনাস্থলী জ্বলোৱাৰ অভিযোগৰ সত্যতা-এই সকলো বিষয়ত চৰকাৰী তদন্ত আৰু নিৰপেক্ষ তথ্যৰ ওপৰতেই চূড়ান্ত সিদ্ধান্ত নিৰ্ভৰ কৰিব।

ৰাছেলছ ভাইপাৰৰ দংশনৰ পৰা আৰোগ্য ৫৫ বছৰীয়া ব্যক্তি

বঙাইগাঁও অসামৰিক চিকিৎসালয়ৰ চিকিৎসকৰ সফলতা

অসম বাৰ্তা, বঙাইগাঁও সদৰ, বঙাইগাঁও অসামৰিক চিকিৎসালয়ৰ চিকিৎসক আৰু চিকিৎসা কৰ্মীৰ তৎপৰতা তথা সময়োপযোগী চিকিৎসাৰ ফলত ৰাছেলছ ভাইপাৰৰ দংশনত গুৰুতৰভাৱে অসুস্থ হোৱা এগৰাকী ৫৫ বছৰীয়া ব্যক্তি সম্পূৰ্ণৰূপে আৰোগ্য লাভ কৰিছে। জানিব পৰা মতে, ২১ ছেপ্টেম্বৰৰ বিয়লি প্ৰায় ৫ বজাত ধাননি পথাৰত কাম কৰি থকা অৱস্থাত নাথুৰাম আৰ্য্য নামৰ ব্যক্তিজনৰ সোঁ ভৰিত ৰাছেলছ ভাইপাৰে দংশন কৰে। নিশা প্ৰায় ৭: ২৫ বজাত তেওঁক সৃজনগ্ৰাম মডেল হাস্পতাললৈ নিয়া হয়। তাত ডাঃ নকীবুৰৰ নেতৃত্বত চিকিৎসা দলে তেওঁক তৎকালীনভাৱে প্ৰাথমিক চিকিৎসা প্ৰদান কৰে। হাস্পতালত উপস্থিত হোৱাৰ সময়ত ৰোগীজনৰ তীব্ৰ বিষ, দংশন কৰা ভৰিত ক্ৰমান্বয়ে ফুলি উঠা, দাঁতৰ আলুৰ পৰা তেজ ওলোৱা আৰু কাহোঁতে তেজ ওলোৱা আদি গুৰুতৰ বিষক্ৰিয়াৰ লক্ষণ দেখা দিছিল। ২০ মিনিট হোল ব্লাড ক্লটিং টেষ্ট (20WBCT) পজিটিভ অহাত সাপৰ বিষ শৰীৰত বিয়পি পৰা বুলি নিশ্চিত হয়। ইয়াৰ পিছতে চিকিৎসকৰ দলে কোনো বিলম্ব নকৰাকৈ ২০ ভাইল এণ্টি-স্নেক ভেনম (ASV) প্ৰদান কৰে আৰু উন্নত চিকিৎসা তথা নিৰীক্ষণৰ বাবে ৰোগীজনক বঙাইগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। বঙাইগাঁও অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত ৰোগীজনৰ প্ৰস্ৰাৱৰ পৰিমাণ হ্ৰাস পোৱা বা অলিগুৰিয়া দেখা দিয়ে। ৰাছেলছ ভাইপাৰৰ বিষক্ৰিয়াৰ ফলত বৃক্কত এনে জটিলতা সৃষ্টি হ'ব পাৰে। ডাঃ মহিবুৰ ৰহমানৰ প্ৰত্যক্ষ তত্ত্বাৱধানত ৰোগীজনক প্ৰয়োজনীয় সংৰক্ষণশীল আৰু লক্ষ্যভিত্তিক চিকিৎসা প্ৰদান কৰা হয়। চিকিৎসকৰ দলটোৰ সময়োপযোগী চিকিৎসা আৰু বিশেষ তত্ত্বাৱধানৰ ফলত ক্ৰমান্বয়ে ৰোগীজনৰ বৃক্কৰ কাৰ্যক্ষমতা স্বাভাৱিক হৈ আহে। লগতে তেজ ওলোৱা আৰু ভৰি ফুলা বন্ধ হয়।

জুবিন দিৱস উদ্‌যাপন কৰিব গৈ কথমপি প্ৰাণৰক্ষা যুৱকৰ

৩ দিন গুৰুতৰভাৱে অসুস্থ যুৱকৰ মাতৃৰ কৰুণ বিননি

অসম বাৰ্তা, মঙলদৈ, ২৪ ছেপ্টেম্বৰ ঃ শিল্পী জুবিন গাৰ্গৰ প্ৰথমটো ফেন ক্লাব হিচাবে পৰিচিত জুবিন ফেন ক্লাব, মঙলদৈয়ে আয়োজন কৰা জুবিন দিৱসত সংঘটিত এক ভয়াবহ দুৰ্ঘটনা শেহতীয়াকৈ পোহৰলৈ আহিছে। এগৰাকী জুবিন অনুৰাগী এই দুৰ্ঘটনাত কথমপি প্ৰাণৰক্ষা পৰিছে, যদিও আৰ্থিকভাৱে জুৰুলা যুৱকজনৰ পৰিয়ালে গভীৰ সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। আনকি আৰ্থিক দুৰ্দশাৰ বাবেই চিকিৎসা আধৰুৱা কৰি জিএমচিৰ পৰা ঘৰলৈ উভতি আহিবলগীয়া পৰিৱেশৰ সৃষ্টি হৈছে। মনকৰিবলগীয়া যে, প্ৰানৰ শিল্পী জুবিনৰ প্ৰথমটো মৃত্যু তিথি জুবিন দিৱস হিচাবে মঙলদৈ জুবিন ফেন ক্লাবে মঙলদৈ নৈৰ তীৰৰ মূৰ্তি বিসৰ্জনৰ ঘাটত আয়োজন কৰিছিল। এইলৈ ১৮ ছেপ্টেম্বৰৰ নিশা পৰ্যন্ত জুবিনৰ অনুৰাগীয়ে প্ৰস্তুতি চলাইছিল। এনেদৰে প্ৰস্তুতি চলাই থকা অৱস্থাতে নিশা ১১-৫৫ বজাত মূৰ্তি বিসৰ্জনস্থলীত প্ৰৱেশ পথৰ প্ৰকাণ্ড লোৰ গেটখন যুৱক এজনৰ ওপৰত বাগৰি পৰে। ফলত পলাশ শইকীয়া নামৰ ধূলা হীৰাপাৰাৰ যুৱকজন আঘাতপ্ৰাপ্ত হয়। ধূলা হীৰাপাৰাৰ যতীন শইকীয়া আৰু ৰুণু শইকীয়াৰ একমাত্ৰ পুত্ৰ পলাশক নিশাই মঙলদৈ অসামৰিক চিকিৎসালয়ত সংজ্ঞাহীন অৱস্থাত ভৰ্তি কৰোৱা হয়। কাণ, নাক, মুখেৰে প্ৰচণ্ড তেজ বমি কৰা যুৱকজনক নিশাই জিএমচিএইচ লৈ প্ৰেৰণ কৰে। পৰিয়াল আৰু জুবিন ফেন ক্লাবৰ ২ সদস্য সহ পলাশক জিএমচিএইচত ভৰ্তি কৰোৱাৰ পাছত নিউৰলজি বিভাগে ১৯ ছেপ্টেম্বৰৰ পুৱাৰ পৰা চিকিৎসা আৰম্ভ কৰে। অৰ্থাৎ প্ৰাণৰ শিল্পী গৰাকীৰ মৃত্যু তিথি ৰাজ্যত মহা প্ৰয়োভৰেৰে উদযাপনৰ সময়ত পলাশ আছিল চিকিৎসালয়ৰ পৰ্যাত। যুৱকজনক ২১ ছেপ্টেম্বৰ পৰ্যন্ত চিকিৎসা প্ৰদান কৰে যদিও ডিঙি, নাক, কাণ বিভাগৰ চিকিৎসা লোৱাৰ পূৰ্বেই ঘৰলৈ উভতি আহিবলগীয়া হয়। কিয়নো ঔষধকে ধৰি পৰীক্ষা সমূহ কৰোঁতে যথেষ্ট ধনৰ প্ৰয়োজন আহি পৰে। এই ক্ষেত্ৰত মূৰ্তি বিসৰ্জনস্থলী প্ৰকল্প নিৰ্মাণকাৰীয়ে ১৭ হাজাৰ ৫০০ টকা চিকিৎসাৰ বাবে প্ৰেৰণ কৰা ধন খিনিক বাদে অন্য ধন নাছিল। একেদৰে যতীন শইকীয়া দিন হাজিৰা কৰি পৰিয়াল পোহপাল দিছিল যদিও চকুৰ অসুখৰ বাবে বিগত ৩ মাহ ঘৰতে বহি, শুই কটাবলগীয়া হৈছে। পলাশে দুই এক কাম কৰি ঘৰৰ খৰচ লগতে মঙলদৈ আইটিআইত পঢ়াৰ খৰচ উলিয়াইছিল যদিও শৰ্যাগত হোৱাত বিপদৰ সন্মুখীন হৈছে পৰিয়াটো। এনেক্ষেত্ৰত মঙলদৈ পৌৰসভা, মঙলদৈৰ বিধায়িকা তথা মুখ্যমন্ত্ৰীক আৰ্থিক সাহায্যৰ বাবে আজি আহ্বান জনাইছে দৰিদ্ৰ পিতৃ-মাতৃয়ে। কিন্তু প্ৰশ্ন হয়, জুবিন ফেন ক্লাবে মঙলদৈ নৈৰ তীৰৰ মূৰ্তি বিসৰ্জন ঘাটত এনে দুৰ্ঘটনা সংঘটিত হ'ল কেনেকৈ? প্ৰায় ৩ কুইণ্টল ওজনৰ লোৰ প্ৰকাণ্ড গেটখন সমাগত দুৰ্গা পূজাৰ সময়ত বাগৰি পৰা হ'লে কি উত্তৰ দিলে হয় প্ৰশাসনে?

অসম বিধানসভা আৰু বন বিভাগৰ উচ্চস্তৰীয় প্ৰতিনিধি দলৰ টুতিকাণ্ডি বান্দৰ বন্ধ্যাকৰণ আৰু পুনৰ্বাসন কেন্দ্ৰ পৰিদৰ্শন

অসম বাৰ্তা, হাজো, ২৪ ছেপ্টেম্বৰ ঃ অসমৰ বিধায়ক, জ্যেষ্ঠ বন বিষয়া আৰু প্ৰাণী চিকিৎসা বিশেষজ্ঞৰ দ্বাৰা গঠিত এটা উচ্চস্তৰীয় প্ৰতিনিধি দলে আজি মানৱ-বন্যপ্ৰাণী সংঘৰ্ষ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত হিমাচল প্ৰদেশৰ বৈজ্ঞানিক পদ্ধতিৰ বিষয়ে অধ্যয়ন কৰিবলৈ চিমলাৰ টুতিকাণ্ডিৰ "ৰেসকিউ এণ্ড ৰেবিলিটেচন- কাম-মাংকি ষ্টেৰিলাইজেশ্যন চেণ্টাৰ" পৰিদৰ্শন কৰে। এই প্ৰতিনিধি দলটো অসম বিধানসভাৰ সদস্যসকল আৰু অসমৰ প্ৰধান মুখ্য বন সংৰক্ষক (বন্যপ্ৰাণী) তথা মুখ্য বন্যপ্ৰাণী ৱাৰ্ডেন ড° বিনয় গুপ্তা, আই.এফ.এছ.-ৰ নেতৃত্বত পৰিচালিত হৈছিল। ভ্ৰমণকাৰী সমিতিখনত ৬জনীয়া বিধায়কৰ দলটোত আছে মৃণাল শইকীয়া, ৰূপজ্যোতি কুৰ্মী, ধীৰাজ গোৱালা, প্ৰকাশ চন্দ্ৰ দাস, ৰূপেশ গোৱালা আৰু মৃদুল কুমাৰ দত্ত। আনহাতে বনবিষয়া তথা প্ৰাণী বিজ্ঞানীৰ দলটোত ড° বিনয় গুপ্তা, আই.এফ.এছ., পি.চি.চি.এফ. (বন্যপ্ৰাণী) আৰু চি.ডব্লিউ.এল.ডব্লিউ., অসম ড° অশ্বিনী কুমাৰ, ডি.এফ.অ', অসম ৰাজ্যিক চিৰিয়াখানা বিভাগ গুৱাহাটী, ডঃ পঞ্চমী শৰ্মা, পশু চিকিৎসা বিষয়া, অসম ৰাজ্যিক চিৰিয়াখানা আৰু অসম ৰাজ্যিক চিৰিয়াখানাৰ চিকিৎসক ড° দেৱব্ৰত ফুকন। ভ্ৰমণৰ আৰম্ভণিতে "মাংকি ষ্টেৰিলাইজেশ্যন প্ৰজেক্ট সম্পৰ্কে এখন সবিশেষ কাৰিকৰী তথ্যচিত্ৰ প্ৰদৰ্শন কৰা হয়, য'ত মানৱীয় শল্য চিকিৎসাৰ জৰিয়তে ৰেছাছ মেকাক প্ৰজাতিৰ (rhesus macaque) বান্দৰৰ জনসংখ্যা নিয়ন্ত্ৰণ কৰি মানৱ-বন্যপ্ৰাণীৰ সহাৱস্থান সুনিশ্চিত কৰাৰ উপায়সমূহ আলোকপাত কৰা হয়। দৃশ্যশ্ৰব্য ব্ৰীফিঙৰ পিছত টুতিকাণ্ডি কেন্দ্ৰত নিযুক্ত পশু চিকিৎসা বিষয়া ড° নমিতা শৰ্মাই শল্য কক্ষত ৰেছাছ মেকাক বান্দৰৰ ওপৰত প্ৰকৃত বন্ধ্যাকৰণ



প্ৰক্ৰিয়াটো প্ৰদৰ্শন কৰে। অসমৰ প্ৰতিনিধি দল, কেন্দ্ৰটোৰ সংমণ্ডল বন বিষয়া (DFO) আৰু হিমাচল প্ৰদেশ বন বিভাগৰ স্থানীয় বিষয়া সকলৰ উপস্থিতিত এই প্ৰদৰ্শন সম্পন্ন হয়। ড° শৰ্মাই দ্ৰুত আৰোগ্য, অস্ত্ৰোপচাৰৰ পৰৱৰ্তী যত্ন আৰু প্ৰাকৃতিক বাসস্থানলৈ নিৰাপদে মুকলি কৰি দিয়াৰ প্ৰট'কলসমূহৰ ব্যৱহাৰিক দিশসমূহ ব্যাখ্যা কৰে। অসমত বান্দৰৰ উপদ্ৰৱ হ্ৰাস কৰিবলৈ হিমাচল প্ৰদেশৰ সফল আৰু মানৱীয় বন্ধ্যাকৰণ আৰ্হি গ্ৰহণৰ সম্ভাৱনা মূল্যায়ন কৰিবলৈ অসম চৰকাৰ আৰু হিমাচল প্ৰদেশৰ মুখ্য বন্যপ্ৰাণী ৱাৰ্ডেনৰ মাজত হোৱা চৰকাৰী যোগাযোগৰ ভিত্তিতে এই অধ্যয়ন ভ্ৰমণৰ আয়োজন কৰা হৈছে। এই ভ্ৰমণৰ সন্দৰ্ভত প্ৰতিনিধি দলৰ প্ৰতিনিধিসকলে টুতিকাণ্ডি কেন্দ্ৰত হিমাচল প্ৰদেশ বন বিভাগৰ দ্বাৰা ৰক্ষিত অত্যাধুনিক পৰিকাঠামো, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু সুশৃংখল প্ৰট'কলৰ উচ্চ প্ৰশংসা কৰে।

মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ বানপীড়িত লোকৰ সহায়ৰ বাবে ভৰতীয় জীৱন বীমা নিগমৰ এক কোটি টকাৰ সাহায্য



অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৪ ছেপ্টেম্বৰ ঃ ৰাজ্যখনত শেহতীয়াকৈ হোৱা বানপানীত সৰ্বহাৰা হোৱা লোকসকলৰ সহায়ৰ বাবে ভাৰতীয় জীৱন বীমা নিগম চমুকৈ এল আই চিয়ে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ১(এক) কোটি টকাৰ অনুদান আগবঢ়াইছে। এই অনুদানৰ চেক অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হাতত অৰ্পণ কৰা হয়। চেক বিতৰণ অনুষ্ঠানত ভাৰতীয় জীৱন বীমা নিগমৰ ক্ষেত্ৰীয় প্ৰবন্ধক আশুতোষ কুমাৰ, যোৰহাট মণ্ডলৰ মণ্ডলিক প্ৰবন্ধক জয়দীপ ঠাকুৰ আৰু গুৱাহাটী মণ্ডলৰ অন্যান্য বিষয়াসকল উপস্থিত থাকে। এই সাহায্যৰাশি ভাৰতীয় জীৱন বীমা নিগমৰ স্বৰ্ণ জয়ন্তী ফাউণ্ডেচনৰ অধীনত প্ৰদান কৰা হয়। এই সহযোগিতাৰ মূল উদ্দেশ্য হৈছে যোৱা জুলাই মাহত উজনি অসমৰ বিভিন্ন ঠাইত সংঘটিত হোৱা বানপানীৰ ফলত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ সহায় আৰু পুনৰ সংস্থাপনৰ কাম-কাজত সহযোগিতা আগবঢ়োৱা। উল্লেখযোগ্য যে, ভাৰতীয় জীৱন বীমা নিগমে অলপতে অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড়লৈও ৪.৬৭ (চাৰি কোটি সাতষষ্ঠী) লাখ টকাৰ অনুদান আগবঢ়াইছে। এই পদক্ষেপৰ জৰিয়তে ভাৰতীয় জীৱন বীমা নিগমে সমাজৰ প্ৰতি নিজৰ সামাজিক দায়বদ্ধতা আৰু দুৰ্যোগৰ সময়ত জনসাধাৰণৰ কাষত থকাৰ প্ৰতিশ্ৰুতি পুনৰবাৰ প্ৰকাশ কৰিছে বুলি জানিব দিয়ে।

ধিংত কংগ্ৰেছৰ বাইক ৰেলীত 'গ' বেক' ধ্বনি, ক'লা পতাকা প্ৰদৰ্শন

অসম বাৰ্তা, বটদ্ৰৱা, ২৪ ছেপ্টেম্বৰ ঃ নগাঁও লোকসভা সমষ্টিৰ অন্তৰ্গত ৫৫ নং ধিং বিধানসভা সমষ্টিত আজি কংগ্ৰেছ দলৰ এক বাইক ৰেলীৰ সময়ত 'গ' বেক' ধ্বনি আৰু ক'লা পতাকা প্ৰদৰ্শনৰ ঘটনা সংঘটিত হয়। জানিব পৰা মতে, ধিং ৰাজীৱ ভৱনৰ পৰা পুৱা প্ৰায় ১১ বজাত আৰম্ভ হোৱা বাইক ৰেলীটো মৈৰাধ্বজ চাৰিআলি আৰু টুকটুকী বজাৰ হৈ ধনিয়াভেটী পোৱালি বজাৰত উপস্থিত হোৱাৰ সময়তে একাংশ স্থানীয় ৰাইজ, ভোটাৰ আৰু কংগ্ৰেছ কৰ্মীয়ে হাতত ক'লা কাপোৰ লৈ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে শিৰামণি বৰা আৰু গৌৰৱ গগৈৰ বিৰুদ্ধে 'গ' বেক' ধ্বনি দিয়ে। প্ৰতিবাদকাৰীসকলে অভিযোগ কৰে যে পূৰ্বে উচ্ছেদ অভিযানৰ সময়ত শিৰামণি বৰাই মাত মাতি নাছিল। লগতে ধিং সমষ্টিৰ সংখ্যালঘু অধ্যুষিত অঞ্চলত বিধায়ক হিচাপে কাৰ্যনিৰ্বাহ কৰা সময়ত পৰ্যাপ্ত উন্নয়নমূলক কাম নকৰাৰো অভিযোগ উত্থাপন কৰে। ইফালে, ধনিয়াভেটী পোৱালি বজাৰত শিৰামণি বৰাৰ প্ৰতিমূৰ্তি দাহ কৰাৰ কথাও জানিব পৰা যায়। বাইক ৰেলীত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈ, মহিলা কংগ্ৰেছৰ সম্পাদিকা আনোৱাৰা চুলতানা, মুখপাত্ৰ মহচিন খান আৰু সম্পাদক হাইদৰ আলীসহ দলীয় বিষয়ববীয়াসকল উপস্থিত আছিল।

কোকৰাঝাৰ মেডিকেল কলেজ হাস্পতালত উদ্ধাৰ-স্থানান্তৰ মক ড্ৰিল

অসম বাৰ্তা, কোকৰাঝাৰ, ২৪ ছেপ্টেম্বৰ ঃ জৰুৰীকালীন পৰিস্থিতিৰ বাবে প্ৰস্তুতি শক্তিশালী কৰা আৰু অগ্নি-নিৰাপত্তা তথা উদ্ধাৰ-স্থানান্তৰৰ পদ্ধতি সম্পৰ্কে সজাগতা বৃদ্ধি কৰাৰ উদ্দেশ্যে আজি কোকৰাঝাৰ মেডিকেল কলেজ হাস্পতালত উদ্ধাৰ-স্থানান্তৰ মক ড্ৰিল তথা সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্যসূচীত হাস্পতালৰ কৰ্মচাৰীসহ প্ৰায় ১০০ গৰাকী অংশগ্ৰহণকাৰীয়ে অংশগ্ৰহণ কৰে। কাৰ্যসূচীটো কোকৰাঝাৰ মেডিকেল কলেজ হাস্পতালৰ উপাধ্যক্ষ, উপ-অধীক্ষক, জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ DPO, FO, অগ্নিনিৰ্বাপণ আৰু জৰুৰীকালীন সেৱাৰ উপ-অধীক্ষক, ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী (SDRF), জিলা দুৰ্যোগ সঁহাৰি বাহিনী (DDRF) আৰু হাস্পতালৰ অন্যান্য কৰ্মচাৰীৰ উপস্থিতিত অনুষ্ঠিত হয়। কাৰ্যসূচীৰ মূল উদ্দেশ্য আছিল জৰুৰীকালীন উদ্ধাৰ-স্থানান্তৰৰ পদ্ধতিৰ সৈতে অংশগ্ৰহণকাৰীসকলক পৰিচিত কৰা, সংশ্লিষ্ট বিভাগসমূহৰ মাজত সমন্বয় অধিক শক্তিশালী কৰা আৰু অগ্নি-নিৰাপত্তা তথা জৰুৰীকালীন পৰিস্থিতিৰ বাবে প্ৰস্তুতি সম্পৰ্কে সজাগতা সৃষ্টি কৰা। কাৰ্যসূচীৰ অংশ হিচাপে অংশগ্ৰহণকাৰীসকলক অগ্নি-নিৰাপত্তা সঁজুলি ব্যৱহাৰৰ ওপৰত হাতে-কামে প্ৰশিক্ষণ আৰু ব্যৱহাৰিক প্ৰদৰ্শন আগবঢ়োৱা হয়। লগতে অগ্নিকাণ্ড বা আন কোনো জৰুৰীকালীন পৰিস্থিতিৰ সৃষ্টি হ'লে গ্ৰহণ কৰিবলগীয়া উপযুক্ত ব্যৱস্থা সম্পৰ্কেও নিৰ্দেশনা প্ৰদান কৰা হয়। এই মহড়াৰ জৰিয়তে হাস্পতালৰ কৰ্মচাৰী আৰু অন্যান্য অংশীদাৰসকলে জৰুৰীকালীন সঁহাৰি, উদ্ধাৰ-স্থানান্তৰৰ পদ্ধতি আৰু অগ্নি-নিৰাপত্তাৰ ব্যৱস্থাসমূহৰ ওপৰত ব্যৱহাৰিক অভিজ্ঞতা লাভ কৰে। ফলত জৰুৰীকালীন পৰিস্থিতি মোকাবিলা কৰাৰ ক্ষেত্ৰত হাস্পতালখনৰ সামগ্ৰিক প্ৰস্তুতি আৰু সঁহাৰি ক্ষমতা অধিক শক্তিশালী হ'ব বুলি আশা কৰা হৈছে।

কলগাছিয়াত মাদকদ্ৰব্যৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান

অসম বাৰ্তা, কুমুল্লী পাৰা, ২৪ ছেপ্টেম্বৰ ঃ মাদকদ্ৰব্যৰ অবৈধ ব্যৱসায় আৰু সৰবৰাহৰ বিৰুদ্ধে কলগাছিয়া আৰক্ষীয়ে অভিযান তীব্ৰতৰ কৰি তুলিছে। বিগত দুদিনত পৃথক অভিযান চলাই সন্দেহজনক ড্ৰাগছ আৰু গাঞ্জাসহ তিনিজন লোকক গ্ৰেপ্তাৰ কৰা বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য অনুসৰি, আৰক্ষীয়ে গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই মাদকদ্ৰব্যসহ সন্দেহজনকভাৱে জড়িত তিনিজন লোকক আটক কৰে। অভিযানকালত ড্ৰাগছ আৰু গাঞ্জা জব্দ কৰা হয়। জব্দ কৰা মাদকদ্ৰব্যৰ প্ৰকৃত পৰিমাণ আৰু প্ৰকৃতি সম্পৰ্কে আৰক্ষীৰ আনুষ্ঠানিক তথ্যৰ অপেক্ষা কৰা হৈছে। আটক লোককেইজনৰ বিৰুদ্ধে প্ৰযোজ্য আইন অনুসৰি গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰখা হৈছে। মাদকদ্ৰব্যৰ উৎস, সৰবৰাহৰ সৈতে জড়িত আন কোনো ব্যক্তি বা চক্ৰ আছে নেকি, সেই বিষয়েও আৰক্ষীয়ে অনুসন্ধান চলাইছে। ইফালে, কলগাছিয়া আৰক্ষীৰ ধাৰাবাহিক ড্ৰাগছবিৰোধী অভিযানক সচেতন মহলে আদৰণি জনাইছে। মাদকদ্ৰব্যৰ বিৰুদ্ধে অভিযান অধিক শক্তিশালী কৰাৰ লগতে যুৱ-প্ৰজন্মক এই ভয়াৱহ সামাজিক ব্যাধিৰ পৰা আঁতৰাই ৰখাৰ বাবে আৰক্ষী আৰু সমাজৰ সকলো শ্ৰেণীৰ লোকৰ সমন্বিত পদক্ষেপৰ প্ৰয়োজনীয়তা আছে বুলি সচেতন ৰাইজে মত প্ৰকাশ কৰিছে।

মাজুলীত মহিলা ৰাজমিস্ত্ৰীৰ প্ৰশিক্ষণ অনুষ্ঠানৰ আৰম্ভণি

অসম বাৰ্তা, মাজুলী, ২৪ ছেপ্টেম্বৰ ঃ বনগাঁওস্থিত উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানত আজি মাজুলী জিলা আয়ুক্তৰ পৰিকল্পনাত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ উদ্যোগত মহিলা ৰাজমিস্ত্ৰীৰ প্ৰশিক্ষণ অনুষ্ঠান অনুষ্ঠিত হয়। আজি মাজুলীৰ বনগাঁও আৰু ৰাৱানাপাৰ পঞ্চায়তৰ অন্তৰ্গত মহিলাসকলক প্ৰশিক্ষণ দিয়ে। পৰৱৰ্তী সময়ত মাজুলীৰ গড়মূৰ, ফুলনি, নয়াবজাৰ আদি বিভিন্ন প্ৰান্তত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব। মহিলা সকলক পাঁচ দিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীত প্ৰথমে ডিজিটেলি তাত্বিক শিক্ষা আৰু পাছত ব্যৱহাৰিক শিক্ষা প্ৰদান কৰা হ'ব। আজি অনুষ্ঠানত মাজুলী জিলা পৰিষদৰ চেয়াৰমেন, মাজুলী জিলাৰ অতিৰিক্ত আয়ুক্ত, মাজুলী খণ্ড উন্নয়ন বিষয়া, উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যক্ষৰ লগতে বহুতো প্ৰশাসনিক বিষয়া উপস্থিত থাকে।

উত্তৰ গুৱাহাটীৰ জাৱৰ নিষ্কাষণৰ বাবে ছখন হাইড্ৰলিক আৰু এখন মিনি ডাম্পাৰ ৰাইজৰ বাবে মুকলি

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৪ ছেপ্টেম্বৰ ঃ উত্তৰ গুৱাহাটী পৌৰসভাই স্বচ্ছ ভাৰত অভিযানৰ বৃহৎ প্ৰদক্ষেপ গ্ৰহণ কৰিছে। উত্তৰ গুৱাহাটীক স্বচ্ছতাৰ ক্ষেত্ৰত আগুৱাই নিয়াৰ বাবে স্বচ্ছ ভাৰত অভিযান মিছনৰ অধীনত ১৫ এফ চি টাইড ফাণ্ডৰ ৮১, ৪৪, ৫৩৭ টকাৰে ব্যয় কৰা ৬খন অত্যাধুনিক হাইড্ৰলিক বাহন আৰু এখন মিনি ডাম্পাৰ ৰাইজৰ বাবে মুকলি কৰে। বৃহস্পতি বাৰে ৰাতিপুৱা এই বাহন সমূহ ৰাইজৰ বাবে আনুষ্ঠানিক ভাৱে পতাকা জোকাৰি মুকলি কৰে উত্তৰ গুৱাহাটী পৌৰসভাৰ কাৰ্য্যবাহী বিষয়া তৃষ্ণা মিলী আৰু উপ পৌৰপতি তিলক দাসে। দিল্লী গুৰগাঁৱৰ চেৰিটেবুল ট্ৰাষ্টে উত্তৰ গুৱাহাটীক স্বচ্ছ আৰু নিকা কৰি ৰখাৰ দায়িত্ব লাভ কৰা স্বচ্ছ অভিযানৰ আনুষ্ঠানিক ভাৱে মুকলি কৰি দিয়া ভাষণ উত্তৰ গুৱাহাটী পৌৰসভাৰ উপ পৌৰপতি তিলক দাসে কয়, উত্তৰ গুৱাহাটী পৌৰসভাই দায়িত্ব গ্ৰহণ কৰাৰ পাছতেই উত্তৰ গুৱাহাটীক স্বচ্ছ কৰি ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে। আমি উত্তৰ গুৱাহাটীক স্বচ্ছতাৰ ক্ষেত্ৰত আৰু অধিক আগুৱাই নিয়াৰ বাবে অগ্ৰাধিকাৰ ভিত্তিত এই বাহন সমূহ ৰাইজৰ বাবে মুকলি কৰা হৈছে যাতে উত্তৰ গুৱাহাটীৰ ৰাইজে নিজৰ পেলনীয়া জাঁবৰ জোথৰ সমূহ যতে ততে নেপেলায় সংৰক্ষণ কৰি এই বাহন সমূহত জমা দিয়ে। উত্তৰ গুৱাহাটী পৌৰসভাৰ কাৰ্য্যবাহী বিষয়া তৃষ্ণা মিলীয়ে উত্তৰ গুৱাহাটীৰ সমূহ ৰাইজক তেওঁলোকৰ পেলনীয়া জাঁৱৰ জোঁথৰ সমূহ বিশেষকৈ শুকান, ভিজা, চেনিটেৰী ৱেষ্ট আৰু ভঙা আইনা, বৈদ্যুতিক বাল্বকে আদি কৰি ভঙা চিঙা সামগ্ৰী সমূহ পৃথকে পৃথকে ৰাখি বাহন সমূহত জমা দিয়াৰ বাবে আহ্বান জনাইছে। যাতে এই জাঁৱৰ জোঁথৰ সমূহ পৰিসোধন কৰি পুনৰ ব্যৱহাৰ যোগ্য সামগ্ৰী তৈয়াৰ কৰিব পাৰি। লগতে যিবোৰ পৰিসোধন কৰিব নোৱাৰি সেই জাঁৱৰ সমূহ নষ্ট কৰিব পাৰি। তেওঁ উত্তৰ গুৱাহাটী পৌৰসভাৰ এই অভিযানত সকলো প্ৰকাৰৰ সহায় সহযোগিতা কৰিবলৈ উত্তৰ গুৱাহাটী বাসী ৰাইজক আহ্বান জনায়। অনুষ্ঠানত উত্তৰ গুৱাহাটী পৌৰসভাৰ স্বচ্ছ ভাৰত মিছনৰ প্ৰকল্প বিষয়া নিবেদিতা চৌধুৰী, উত্তৰ গুৱাহাটী পৌৰসভাৰ পাৰিষদ সকল ক্ৰমে অমিয়া দাস, গণেশ বৰুৱা, অনামিকা ডেকা, বনমালী দাসৰ লগতে উত্তৰ গুৱাহাটী কেইগৰাকী গণ্য মান্য ব্যক্তি উপস্থিত থাকে।

সভাপতিসহ চাৰিজনৰ বীৰ লাচিত সেনাত যোগদান

চেলেংহাট আটাছুত মোক্ষম আঘাত

অসম বাৰ্তা, চেলেংহাট, ২৪ ছেপ্টেম্বৰ ঃ যোৰহাট জিলাৰ টীয়কত বীৰ লাচিত সেনা, অসমৰ উদ্যোগত অনুষ্ঠিত হোৱা এক বৃহৎ যোগদান কাৰ্যসূচীত আটাছু (সদৌ টাই আহোম ছাত্ৰ সন্থা) ত্যাগ কৰি কেইবাগৰাকীও বিষয়ববীয়া আৰু সদস্যই বীৰ লাচিত সেনাত আনুষ্ঠানিকভাৱে যোগদান কৰে। উল্লেখযোগ্য যে ১৪ ছেপ্টেম্বৰ সোমবাৰে টীয়ক, যোৰহাটত অনুষ্ঠিত এই যোগদান কাৰ্যসূচীত আটাছু চেলেংহাট আঞ্চলিক সমিতিৰ সভাপতি ৰাহুল গগৈ, সাংগঠনিক সম্পাদক দিপাঙ্কৰ গগৈ, সদস্য কৃষ্ণপ্ৰসাদ গগৈ আৰু চৰগমনি গগৈয়ে আটাছুৰ পৰা পদত্যাগ কৰি বীৰ লাচিত সেনা, অসমত যোগদান কৰে। ইয়াৰোপৰি এই অনুষ্ঠানতেই চেলেংহাটৰ মিণ্টু গগৈ আৰু অঙ্কচা গগৈয়েও সংগঠনটোত যোগদান কৰে। যোগদানকাৰীসকলক সংগঠনটোৰ বিষয়ববীয়াসকলে ফুলাম গামোচাৰে আদৰণি জনোৱাৰ লগতে আগন্তুক দিনত জাতি, মাটি আৰু সমাজৰ স্বাৰ্থত ঐক্যবদ্ধভাৱে কাম কৰাৰ আহ্বান জনায়। উল্লেখ্য যে, যুৱ সমাজৰ মাজত সংগঠনটোৰ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ লক্ষ্যৰে অনুষ্ঠিত এই যোগদান কাৰ্যসূচীত অন্য কেইবাগৰাকীও যুৱকে সংগঠনটোত যোগদান কৰে। নতুনকৈ যোগদান কৰা সদস্যসকলে অসমৰ স্বাভিমান, জাতীয় অধিকাৰ আৰু সামাজিক উন্নয়নৰ ক্ষেত্ৰত সংগঠনৰ নীতি-আদৰ্শৰ প্ৰতি আস্থা প্ৰকাশ কৰি আগন্তুক দিনত সক্ৰিয়ভাৱে কাম কৰাৰ সংকল্প গ্ৰহণ কৰে। ইফালে, নতুন সদস্যৰ যোগদানে চেলেংহাট অঞ্চলটোত সংগঠনটোৰ সাংগঠনিক শক্তি অধিক বৃদ্ধি কৰিব বুলি বীৰ লাচিত সেনা, অসমৰ নেতৃত্বই আশা প্ৰকাশ কৰে।

নগাঁও লোকসভা উপনিৰ্বাচনৰ ৰিটাৰ্ণিং বিষয়াৰ কঠোৰ সকীয়নি

"অনুমতি অবিহনে নিৰ্বাচনী সভা-সমিতি পাতিব নোৱাৰিব"

অসম বাৰ্তা, নগাঁও, ২৪ ছেপ্টেম্বৰ ঃ নিৰ্বাচনী বিধি অনুসৰি প্ৰশাসনৰ আগতীয়া অনুমতি অবিহনে কোনো ধৰণৰ নিৰ্বাচনী সভা-সমিতি, শোভাযাত্ৰা, সমাবেশ অথবা নিৰ্বাচন সম্পৰ্কীয় কাৰ্যসূচী অনুষ্ঠিত নকৰিবলৈ কঠোৰ সকীয়নি প্ৰদান কৰিছে নগাঁও লোকসভা উপনিৰ্বাচনৰ ৰিটাৰ্ণিং বিষয়া তথা নগাঁও জিলাৰ আয়ুক্ত আৰণ্যক শইকীয়াই। এখন ৰাজহুৱা জাননীৰ জৰিয়তে জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে যে, উপযুক্ত কৰ্তৃপক্ষৰ আগতীয়া অনুমতি অবিহনে নিৰ্বাচনী সভা-সমাবেশ অনুষ্ঠিত কৰাৰ ঘটনা পৰিলক্ষিত হৈছে। সেয়ে সকলো প্ৰাৰ্থী আৰু তেওঁলোকৰ নিৰ্বাচনী এজেণ্টক নিৰ্বাচনী বিধি কঠোৰভাৱে মানি চলিবলৈ আহ্বান জনোৱা হৈছে। নিৰ্বাচন আয়োগৰ নিৰ্দেশনা আৰু প্ৰাৰ্থীৰ হাতপুথিৰ দফা ৭.৫.১ অনুসৰি ৰাজহুৱা অথবা ব্যক্তিগত স্থানত যিকোনো ধৰণৰ নিৰ্বাচনী সভা অনুষ্ঠিত কৰাৰ পূৰ্বে প্ৰশাসনৰ পৰা আগতীয়া অনুমতি লোৱাটো বাধ্যতামূলক। সৰু-ডাঙৰ, আনুষ্ঠানিক-অনুষ্ঠানিক সকলো ধৰণৰ নিৰ্বাচনী সভা-সমাবেশৰ ক্ষেত্ৰতে এই নিয়ম প্ৰযোজ্য। অনুমতি অনলাইনযোগে অথবা লিখিতভাৱে গ্ৰহণ কৰিব পাৰিব। ভৱিষ্যতে অনুমতি অবিহনে কোনো নিৰ্বাচনী সভা-সমিতি বা কাৰ্যসূচী অনুষ্ঠিত কৰিলে সংশ্লিষ্টসকলৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি ৰিটাৰ্ণিং বিষয়াগৰাকীয়ে স্পষ্ট কৰি দিয়ে।

মৈৰাবাৰীত নগাঁও লোকসভা উপ-নিৰ্বাচনৰ বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ পক্ষত সংখ্যালঘু ভোটাৰৰ স্বতঃস্ফূৰ্ত প্ৰচাৰ

অসম বাৰ্তা, মৈৰাবাৰী, ২৪ ছেপ্টেম্বৰ ঃ আগন্তুক নগাঁও লোকসভা উপ-নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে-লগে সমগ্ৰ নিৰ্বাচনী ক্ষেত্ৰখনত তীব্ৰতৰ হৈ উঠিছে প্ৰচাৰ অভিযান। বিভিন্ন দলৰ প্ৰাৰ্থীয়ে ভোটাৰৰ দ্বাৰে দ্বাৰে ঘূৰি সমৰ্থন বিচৰাৰ সময়তে মৈৰাবাৰীৰ পৰা আহিছে এক ব্যতিক্ৰমি আৰু তাৎপৰ্যপূৰ্ণ দৃশ্য। লাহৰীঘাট সমষ্টিৰ মৈৰাবাৰীত বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ পক্ষত বুথে বুথে ওলাই আহিছে সংখ্যালঘু সম্প্ৰদায়ৰ একাংশ ৰাইজ। মানৱীয়তাৰ নিদৰ্শন আৰু কৃতজ্ঞতাৰ আৱেগপ্ৰচাৰৰ সময়তে পোহৰলৈ আহিছে এক হৃদয়বিদাৰক অথচ কৃতজ্ঞতাৰে ভৰা কাহিনী। কিছুদিন পূৰ্বে কেন্সাৰ ৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰা ফাৰহাদ নামৰ যুৱকজনৰ মাতৃয়ে সোঁৱৰিলে প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ মানৱীয় ৰূপটো। দুৰ্যোগৰ সেই কঠিন দিনত প্ৰাক্তন আয়ুক্ত তথা নগাওঁ লোকসভাৰ উপ-নিৰ্বাচনৰ প্ৰাৰ্থীয়ে নিজে ঘৰলৈ গৈ যি সহায়-সহযোগিতা আগবঢ়াইছিল, সেয়া তেওঁৰ পৰিয়ালৰ বাবে আজীৱন স্মৰণীয় হৈ ৰ'ব বুলি তেওঁ আৱেগিক হৈ পৰে। "দেৱাশিস ছাৰে আমাক বহুত সহায় কৰিছে, বহুত দিছে। মোৰ ল'ৰাটোৰ কেন্সাৰৰ সময়ত আমাৰ ঘৰলৈ আহি সহায় কৰিছিল। সেয়েহে আমি তেওঁক ভোট দিম।" - শোকাক্ৰান্ত মাতৃৰ মুখৰ কথা। কেৱল ব্যক্তিগত সাহায্যই নহয়, চৰকাৰৰ বিভিন্ন জনকল্যাণমূলক আঁচনিৰ জৰিয়তে লাভ কৰা সুবিধাৰ কথাও প্ৰচাৰৰ সময়ত মুক্তকণ্ঠে স্বীকাৰ কৰে অঞ্চলটোৰ আন মহিলাসকলেও। দলীয় পৰিধি আৰু ৰাজনীতিৰ ঊৰ্ধ্বত উঠি মানৱীয় মূল্যবোধ, সহানুভূতি আৰু উন্নয়নৰ ধাৰাক সাঙুৰি মৈৰাবাৰীৰ সংখ্যালঘু ভোটাৰসকলৰ মাজত দেৱাশিস শৰ্মাৰ প্ৰতি বৃদ্ধি পোৱা এই জনপ্ৰিয়তাই এতিয়া সমগ্ৰ নিৰ্বাচনী ক্ষেত্ৰখনতে বিশেষ চৰ্চা লাভ কৰিছে। নিৰ্বাচনী বতাহখনত নতুন গতি আগন্তুক ৬ অক্টোবৰত অনুষ্ঠিত হ'বলগীয়া এই গুৰুত্বপূৰ্ণ উপ-নিৰ্বাচনত মৈৰাবাৰীৰ এই স্বতঃস্ফূৰ্ত জনসমৰ্থনে প্ৰাৰ্থীগৰাকীক কিমানদূৰ সুবিধা দিব, সেয়া অৱশ্যে ভৱিষ্যতেহে ক'ব; কিন্তু সাধাৰণ ভোটাৰৰ এই স্বতঃস্ফূৰ্ত প্ৰচাৰে নিৰ্বাচনী বতাহখনক অধিক সজীৱ আৰু আকৰ্ষণীয় কৰি তুলিছে।

হাউলীত গো-মাংস সদৃশ মাংসসহ এজনক আটক

অসম বাৰ্তা, কুমুল্লী পাৰা, ২৪ ছেপ্টেম্বৰ ঃ হাউলী আৰক্ষীয়ে অভিযান চলাই গো-মাংস বুলি সন্দেহ কৰা মাংসসহ এজন ব্যক্তিক আটক কৰাৰ ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, আৰক্ষীয়ে গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই সন্দেহজনক মাংসখিনি জব্দ কৰাৰ লগতে এজন ব্যক্তিক আটক কৰে। জব্দ কৰা মাংসখিনি প্ৰকৃততে গো-মাংস হয় নে নহয়, সেয়া পৰীক্ষাৰ পাছতহে নিশ্চিত হ'ব। ইতিমধ্যে আটক ব্যক্তিজনক সোধা-পোছা কৰি ঘটনাটোৰ সৈতে জড়িত অন্যান্য তথ্য সংগ্ৰহৰ চেষ্টা চলাইছে আৰক্ষীয়ে। ঘটনাটোৰ সন্দৰ্ভত প্ৰযোজ্য আইন অনুসৰি পৰৱৰ্তী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, জব্দ কৰা মাংসৰ উৎস আৰু ঘটনাটোৰ সৈতে জড়িত আন কোনো ব্যক্তি আছে নেকি, সেই বিষয়েও আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা | ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন